# অধ্যায় ১ ঃ ধর্মৰ প্ৰকৃতি আৰু উপযোগিতা

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ধর্মৰ প্ৰকৃতি
১.৪ ধর্মৰ সংজ্ঞা
১.৫ ধর্মৰ আৱশ্যকতা
১.৬ ধর্মৰ উপযোগিতা
১.৭ ধর্মৰ ওপৰত পর্যবেক্ষণ
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্ৰগতিৰ খতিয়ান
১.১১ আৰ্হি প্ৰশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ধর্ম আৰু নৈতিকতাৰ বিষয়ে বর্ণনা দিব পাৰিব,
- ধর্মৰ প্ৰকৃতিৰ ব্যাখ্যা দিব পাৰিব,
- ধর্মৰ মূল শব্দক জানিব পাৰিব,
- ধর্মৰ বিভিন্ন সংজ্ঞা দিব পাৰিব,
- ধর্মৰ পৰিসৰৰ ব্যাখ্যা দিব পাৰিব,
- ধর্মৰ আৱশ্যকতাৰ বিশ্লেষণ কৰিব পাৰিব।

## ১.২ পৰিচয়

ধর্ম মানৱ জীৱনৰ এক গভীৰ অভিজ্ঞতা। ইয়াৰ ভিত্তি হৈছে অসীম সত্তাৰ প্ৰতি হোৱা অন্তর্জ্ঞান। এই সত্তাক বিশ্বৰ স্ৰষ্টা, পালনকর্ত্তা আৰু প্ৰলয়কাৰক বুলি মানি লোৱা হয়। যদিও ধর্মৰ মূল কেন্দ্ৰ হৈছে ঈশ্বৰ তথাপি ধর্মীয় দর্শনে শুচিবাদক ধর্মীয় অভিজ্ঞতাৰ সাৰবস্তু হিচাপে লোৱা পৰিলক্ষিত হয়। ধর্মীয় দর্শনে খুৱ গভীৰ ভাৱে ধর্মীয় দৃশ্যাৱলীৰ অনুসন্ধান কৰে।

'ধর্ম' শব্দৰ ইংৰাজী প্ৰতিশব্দ ৰিলিজিয়ন (Religion) শব্দটো লেটিন ভাষাৰ 'ৰিলিজিয়' (Religio) শব্দৰ পৰা লোৱা হৈছে। এই শব্দত ঈশ্বৰৰ প্ৰতি থকা বিশ্বাস আৰু ভক্তি জড়িত হৈ থাকে। আনহাতে লেটিন মূল শব্দ 'ৰিলিজিঅ'তো হৈছে 'ৰিলিগেৰে'ৰ ক্ৰিয়া শব্দ। ইয়াৰ অর্থ

হ'ল একেলগে বান্ধি ৰখা। ইয়াত এইটোৱেই বুজা যায় যে ধর্ম বা ৰিলিজিয়ন শব্দটোৱে ভক্ত আৰু যাক ভক্তি জনোৱা হয় তাৰ মাজৰ সম্বন্ধক বুজায়। 'ধর্ম' অর্থাৎ 'ৰিলিজিয়ন' মানে আন একো নহয়, ই এক সম্বন্ধ, যি সম্বন্ধ ভক্ত আৰু ভক্তি জনোৱাজনৰ মাজত বান্ধ খাই থাকে। আন এটা অর্থত 'ধর্মই' বহু মানুহৰ মাজত এক সম্বন্ধৰ সৃষ্টি কৰে, যি সকলৰ ধর্মীয় দৃষ্টিভংগী একে পর্যায়ৰ। এইদৰে 'ধর্ম' বা 'ৰিলিজিয়ন' শব্দই প্ৰকৃততে সকলোৰে মাজত কিছুমান ভাৱধাৰা, যেনে— ভাই-ককাইৰ ভাৱ, বাই-ভনীৰ ভাৱ, প্ৰেম, সুখ, মৰম, স্নেহ, আনন্দ, সততা, নিঃস্বার্থ সেৱা আদিৰ সৃষ্টি কৰে।

## ১.৩ ধর্মৰ প্ৰকৃতি

ধর্ম, জীৱন আৰু অভিজ্ঞতাৰ লগত জড়িত এটা আৱশ্যকীয় বিষয়। ধর্মীয় জ্ঞান আবেগ জনিত জ্ঞান নহয়। ধর্ম আবেগ আৰু অনুভূতিৰ লগত জড়িত হৈ থাকে। সাধাৰণতে আমাৰ ঈশ্বৰ সম্বন্ধে থকা জ্ঞান আৰু ঈশ্বৰ আৰু মানুহৰ মাজত থকা সম্বন্ধৰ পৰাই ইয়াৰ উৎপত্তি। ধর্মৰ সংজ্ঞা দিবলৈ যাওঁতেই সাধাৰণতে এক সদাচৈতন্য ভগৱানক বিশ্বাস কৰা হয়, যিজনে সৃষ্টি কৰে, পালন কৰে আৰু পৃথিৱীক নৈতিকভাৱে ৰক্ষণাবেক্ষণ দিয়ে। আৰু এই অনুভূতিত ভক্তি সমন্বিত ভয়, শ্ৰদ্ধা, বিশ্বাস আৰু প্ৰেম অন্তর্ভুক্ত হৈ থাকে। ধর্মত ইচ্ছাকৃত ভক্তি, আত্মসমর্পণ আৰু পূজা-অর্চনা আদি কর্মসমূহো জড়িত হৈ থাকে। প্ৰত্যেকটো ধর্মই ব্যক্তি এজনৰ সম্পূর্ণ দিশক পূর্ণাংগভাৱে স্পর্শ কৰা দেখা যায়। জীৱনৰ তিনিটা উপাদান যাক চিন্তা, অনুভূতি আৰু ইচ্ছা বুলি জনা যায়, সেই সকলো বৈশিষ্টপূর্ণ ভাৱ ধর্মৰ লগত জড়িত হৈ থাকে।

পৃথিৱীৰ প্ৰত্যেকটো ধর্মই মানৱ সত্তাক, সসীম, সীমিত আৰু অপূর্ণ বুলি ভাবে। ঠিক একেদৰেই ভৱা হয় যে এই সীমিত সত্তা সমূহৰ সৈতে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড এক পৰম পূর্ণচৈতন্যসম্পন্ন ভগৱানৰ ওপৰত নির্ভৰশীল, যিজন শ্ৰেয়ঃ, সর্বজ্ঞ আৰু দয়াশীল বুলি বিশ্বাস কৰা হয়। এইটোও ভবা হয় যে এই পৰম সত্তাই আমাৰ কার্যসমূহৰ ওপৰত দৃষ্টি ৰাখে। কিন্তু সর্ব্বশেষত মানি লোৱা হয় যে আমাৰ সকলো কর্মৰ বাবে দায়ী আমিয়েই। এই সকলো বিচাৰৰ পৰা আমাৰ মনবোৰ ভগৱানৰ প্ৰতি বিস্ময়, শ্ৰদ্ধা, কৃতজ্ঞতা আৰু ভক্তিৰে পূর্ণ হৈ পৰে। ভক্তিসমন্বিত ভয়, বিস্ময়, বিনয়, আশা, সুখ, আনন্দ আদি অনুভূতি সমূহেই এক অতি গুৰুত্বপূর্ণ আৰু আৱশ্যকীয় ধর্মীয় জীৱনৰ গঢ় দিয়ে।

ধর্মৰ প্ৰকৃতিৰ সৈতে জড়িত আন এটা গুৰুত্বপূর্ণ বিষয় হৈছে ঈশ্বৰ আৰু মানুহৰ মাজত থকা সম্বন্ধ। এই সম্বন্ধৰ আৱশ্যকতা আৰু প্ৰকৃতি কেৱল হঠাতে উদ্ভৱ হোৱা বা ভয় বা যাজকীয় দক্ষতা বা প্ৰতাৰণামূলক ভ্ৰান্তিৰ ওপৰত গঢ়ি উঠা বিধৰ নহয়। ভগৱান খুব নিবিড়ভাৱে আৰু স্বাভাৱিক ভাৱে মানুহৰ লগত সম্বন্ধিত। সেয়ে, প্ৰত্যেকটো ধর্মই শিক্ষা দিয়ে যে সকলো ব্যক্তিয়ে আত্মচৈতন্যৰ অন্তর্ভুক্ত ভগৱানক পূর্ণ প্ৰেমৰ স্মৃতিৰ মাধ্যমেদি অৱগত হ'ব পাৰে আৰু ভগৱানৰ সকলো ধৰণৰ শক্তি, যেনে— শান্তি, সুখ, আনন্দ, প্ৰেম, পৱিত্ৰতা আৰু পৰম আধ্যাত্মিক শক্তি আহৰণ কৰিব পাৰে। ধর্মৰ উদ্দেশ্য আত্মউপলব্ধি। ভগৱানক জ্ঞাত হোৱাতোৱেই কেৱল ধর্মীয় জ্ঞান নহয়। ইয়াৰ

দ্বাৰা আধ্যাত্মিক শক্তিৰ ক্ষমতাও আহৰণ কৰিব পৰা যায়। এইটোকে পৰমেশ্বৰৰ লগত পৰম যোগাযোগ বুলি কোৱা হয়। অবিৰাম ভগৱানৰ স্মৃতিয়ে, আত্মাত সৰ্ব্বময় ক্ষমতাৰ ফল প্ৰদান কৰে। উইল ডুৰান্তৰ (Will Durant), Pleasure of Philosophyত এক কাল্পনিক কথোপকথন প্ৰকাশ কৰি উইলিয়ামে উল্লেখ কৰে যে— "বহু শতাব্দীৰ বাবে সকলো ধৰ্ম দমন কৰি, ঢাকণিবোৰ আকৌ আঁতৰাই দিয়া, দেখিবা সকলো ধৰ্ম বছৰৰ ভিতৰতে আকৌ গঢ় লৈ উঠিব।" ইয়াৰ প্ৰকৃত অৰ্থ হৈছে মানুহ স্বাভাৱিকতেই ধৰ্মীয়।

সেয়ে ধৰ্মৰ প্ৰকৃতিটো শুদ্ধ দৃষ্টিভংগীৰ পৰা ভালদৰে বুজা যায়। এইটো এটা বৈজ্ঞানিক বুজাপৰা এই কাৰণেই যে কোনো পূৰ্বধাৰণা আৰু ব্যক্তি নিৰপেক্ষতা নোহোৱাকৈ ইয়াৰ তথ্যবোৰ নিৰীক্ষণ কৰিব পাৰি। ইয়াত 'বিষয়নিষ্ঠ'ই কোনো বাহ্যিক পক্ষপাতিত্বমূলক অধ্যয়নক বুজোৱা নাই, যিবোৰ গীৰ্জা, মন্দিৰ আৰু বহুতো ধৰ্মীয় কাৰ্য পৰ্যবেক্ষণৰ মাধ্যমেদি কৰাটো সম্ভৱ। ধৰ্মৰ বাস্তৱ সম্পৰ্কক ইয়াত আভ্যন্তৰিক ঘটনা আৰু অৰ্থৰ বিশ্লেষণ আৰু বৰ্ণনা কৰাকহে বুজাইছে। ধৰ্মৰ অধ্যয়ন হৈছে একপ্ৰকাৰ বিজ্ঞান। সেয়ে ইয়াত এক সংবেদনশীল আৰু কলাশিল্পজনিত অন্তৰৰ প্ৰয়োজন। ধৰ্মৰ মৌলিক প্ৰকৃতি হৈছে আত্মবোধ।

আত্মবোধে বৈৰাগ্য অৱস্থালৈ আগবঢ়াই নিয়ে। এইটো জানি ভাল লাগে যে বৈৰাগ্য মানে এক সূক্ষ্ম অনাসক্তি অৰ্থাৎ যিটো আকাংক্ষাৰ পৰা বিচ্ছিন্ন। এই বৈৰাগ্য অৱস্থাত সকলো প্ৰাণীৰ প্ৰতি এক চৰ্তহীন প্ৰেম জাগ্ৰত হয়। ইয়াত স্বাৰ্থহীন কৰ্মশক্তিৰ মাধ্যমেদি পৃথিৱীজগতখনত এক পূৰ্ণ পৰিৱৰ্তিত অৱস্থাত অৱতীৰ্ণ হোৱা যায়। এইটোৱেই হ'ল আধ্যাত্মিক সৰ্ব্বময় ক্ষমতা — আৰু এইটোৱেই সকলো ধৰ্মৰ মূল লক্ষ্য।

## ১.৪ ধৰ্মৰ বিভিন্ন সংজ্ঞা

ধৰ্মৰ ইংৰাজী ৰিলিজিয়ন (Religion) শব্দটো লেটিন শব্দ ৰিলিজিয়ৰ (Religio) পৰা লোৱা হৈছে, যাৰ অৰ্থ জোৱেৰে বান্ধি ৰখা (বন্ধা)। ধৰ্মৰ এই বুৎপত্তিগত অৰ্থটো চেণ্ট আগষ্টাইনে (St. Augustine) মানি লৈছে। ইয়াত বান্ধি লোৱাৰ অৰ্থটো, কোনো আইনৰ দ্বাৰা বা শিকলিৰে বা কোনো জ্ঞানসম্পন্ন ব্যক্তিৰ বিধিসংগত আদেশ বা নিৰ্দেশ নহয়। ই হ'ল আধ্যাত্মিক নিয়ম আৰু নৈতিক মূল্যৰ দ্বাৰা আৰোপিত এক বান্ধোন। সাধাৰণতেই ক'বলৈ গ'লে এই শব্দই পূৰ্ব্বপৰিচিত ব্যক্তিৰ দ্বাৰা পৰিচালিত এক প্ৰতিষ্ঠানক বুজায়, য'ত নিয়ম নীতিৰ মাধ্যমেদি সকলোৱে গোট খাই কেনেকৈ পূজা অৰ্চ্চনা কৰিব লাগে তাৰ কিছুমান মতামত দাঙি ধৰে আৰু ইয়াৰ ব্যক্তিসকলে সত্যৰ পৰম স্বৰূপক কেনেকৈ জানিব লাগে তাৰ উপায় দিয়ে। (Dictionary of Philosophy of Religion) প্ৰত্যেক মানৱ সভ্যতাৰ ঐক্যবদ্ধতাত এক বিশেষ শক্তিয়ে ক্ৰিয়া কৰি আছে। এই শক্তিকেই ভাৰতীয় প্ৰসংগত ধৰ্ম বুলি বুজা যায় আৰু পাশ্চাত্য প্ৰসংগত ৰিলিজিয়ন বুলি জনা যায়। এই 'ধৰ্ম' শব্দটোৰ উৎপত্তি সংস্কৃত 'ধৃ' ধাতুৰ পৰা লোৱা হৈছে। ইয়াৰ অৰ্থ ধৰি ৰখা বা ভাৰ বহন কৰা। এই সংজ্ঞাটো মহাভাৰততে পোৱা যায়। এই ধৰ্ম আৰু ঈশ্বৰত ভক্তি থকা কথাটোৱে, মানৱ ইতিহাস গঢ় দিয়াত এক তাৎপৰ্যপূৰ্ণ অংশ বহন



*প্ৰত্যক্ষোত্তৰ ঃ* যুক্তিৰ সহায়ত, প্ৰত্যক্ষজনীত তথ্যৰ ওপৰত ভিত্তি কৰি কাৰণত অৱতীৰ্ণ হোৱা। (অৰ্থাৎ পাছত কি হয়)

কৰিছে। ধর্ম হৈছে জ্ঞানৰ পৰৱর্ত্তী তত্ত্বৰ ওপৰত গঢ়ি উঠা সত্যৰ প্রত্যক্ষ অভিজ্ঞতা। ধর্মৰ উদ্দেশ্যই হৈছে আত্মপূর্ণতাবাদ বা পূর্ণতাপ্রাপ্তি। এইটোৱে আত্মা বা অসীমক মানুহৰ মাজতে উপলব্ধি কৰাক বুজাইছে (আত্মানং বিদ্ধি)। সেয়ে ই ধর্মৰ প্রতি উন্মাদ বা ধর্মান্ধতা নহয়। ইয়াত ধর্মৰ কিছুমান সংজ্ঞাৰ উদাহৰণ দিয়া হৈছে—

কাণ্টৰ (Kant) মতে (আত্মগতভাৱে) সকলো কর্তব্যক দৈৱিক আদেশ হিচাপে মানি লোৱাটোৱেই হৈছে ধর্ম। টেইলৰৰ (Tylor) পর্যবেক্ষণত ধর্মৰ সংজ্ঞা হৈছে "দৈৱিক সত্তাৰ ওপৰত থকা এক বিশ্বাস"। মেক্সমুলাৰে (Maxmuller) কৈছে— ধর্ম হৈছে মনৰ এটা ধাৰা বা প্রয়োগ যিয়ে মানুহক অনাদি অনন্ত বা ব্রহ্মক বুজিবলৈ সক্ষম কৰি তোলে।

ৰবীন্দ্রনাথ ঠাকুৰ (Rabindranath Tagore) মতে ধর্ম অন্তৰৰ পৰা আহে। তেওঁ "মানুহৰ ধর্ম" নামৰ ৰচনাত লিখিছে "একদৈৱনুদ্রষ্টব্যম এটট অপৰমেয়ম ধ্রুবম" (এই অসীম আৰু অনন্তক অদ্বীতিয় বুলি জনা যায়। ...এওঁ হৈছে দৈৱিক সত্তা। বিশ্বৰ কর্ত্তা, যি মহান আত্মস্বৰূপে সকলো মানুহৰ অন্তৰত বিৰাজ কৰিছে।)

স্বামী বিবেকানন্দৰ (Swami Vivekananda) বিচাৰত "ধর্ম হৈছে, পৰম সত্তাৰ অনুভূতি", ই কেতিয়াও মৌলিক তথ্যমূলক সৃষ্টি নহয়। ই এক আধ্যাত্মিক উদ্‌ঘাটন। বঙ্কিম চন্দ্র চেটার্জী (Bankim Chandra Chatterjee) (1838-94) ঔপন্যাসিকজনে লিখিছে ধর্ম হৈছে এক সংস্কৃতি, শিক্ষা বা সভ্যতা আৰু ই সত্তাৰ পূর্ণ ঐক্য যাৰ অস্তিত্ব আধ্যাত্মিক।

কুৰি বিংশতি শতাব্দীৰ প্রচাৰক জিদু কৃষ্ণমূর্তিয়ে (Jiddu Krishnamurti) ১৯২৯ চনত দিয়া এক ঐতিহাসিক বক্তৃতাত ব্যাখ্যা দিয়ে যে ধর্মীয় সংস্থাই মানুহক সত্যৰ ওচৰলৈ লৈ যাব নোৱাৰে। তেওঁৰ উদ্ধৃত বচন হৈছে "মই কওঁ সত্য হৈছে এক পথবিহীন ভূমি আৰু তুমি কোনো এটা পথেদি গৈও ইয়াৰ ওচৰ চাপিব নোৱাৰা। সত্যৰ সত্তা অসীম, চর্তহীন। কোনো পথেদি গৈ ইয়াক পাব নোৱাৰি। সংঘবদ্ধ কৰিব নোৱাৰি। ধর্মৰ নামত কোনো সংস্থা প্রতিষ্ঠা কৰা উচিত নহয় বা ইয়াক পাবৰ বাবে কোনো পথেদি যাবলৈ মানুহক বল প্রয়োগ কৰা উচিত নহয়।"

ধর্মৰ প্রকৃতি যে জটিল তাক দেখুৱাবৰ বাবে বহু উদাহৰণৰ প্রয়োজন নাই। সেয়ে ধর্মৰ সকলো দিশ সামৰি লোৱা সম্পূর্ণ সন্তোষজনক সংজ্ঞা পোৱা নাযায়। ইয়াৰ উপৰি ধর্ম মানৱ সংস্কৃতি আৰু সভ্যতাৰ সৈতে সহবিস্তৃত। ধর্ম আকৌ জীৱন আৰু অভিজ্ঞতাৰ বাবে অতি আৱশ্যকীয় বিষয়। আৱেগ স্পর্শিত ভগৱানৰ প্রতি থকা বৌদ্ধিক জ্ঞানৰ দ্বাৰা ই বাস্তৱ জীৱন আৰু অভিজ্ঞতাক সম্পূর্ণ কৰি তোলে। ওপৰোক্ত সংজ্ঞাসমূহৰ পৰা আমি ক'ব পাৰো যে ধর্মৰ মৌলিক বৈশিষ্ট্য হৈছে মানৱ মনক সীমাবদ্ধতাৰ পৰা ওপৰলৈ উঠোৱা আৰু ই সম্পূর্ণতাৰ লগত নিজক একত্রিত কৰা প্রচেষ্টা।



## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** খালী ঠাই পূৰণ কৰক—

ক) মেক্সমূলাৰৰ মতে ধৰ্ম হৈছে .....।

খ) বিবেকানন্দই দিয়া ধৰ্মৰ বিচাৰ হৈছে .....।

গ) বঙ্কিম চন্দ্ৰ চেটাৰ্জীৰ ধৰ্মৰ ব্যাখ্যা হৈছে .....।

ঘ) ধৰ্ম ..... আৰু ..... আৱশ্যকীয় বিষয়।

ঙ) আত্মবোধ .....লৈ আগবঢ়াই নিয়ে।

**প্ৰশ্ন নং ২ ঃ** ধৰ্মৰ মৌলিক প্ৰকৃতিবোৰ কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৩ ঃ** বৈৰাগ্য মানে কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৪ ঃ** ধৰ্ম শব্দটো কোনটো লেটিন শব্দৰ পৰা লোৱা হৈছে? .

.....

.....

.....

**প্ৰশ্ন নং ৫ ঃ** ধৰ্ম শব্দটোৰ ভাষিক অৰ্থ কি?

.....

.....

.....



**চিন্তা-চৰ্চা কৰক ১.১**

ভগৱানৰ উপলব্ধিয়ে সমাজ উন্নয়নত কেনেকৈ সহায় কৰে? আলোচনা কৰক।

.....

.....

.....

## ১.৫ ধর্মৰ আৱশ্যকতা

ধর্মৰ প্ৰকৃতি নির্ভৰ কৰে ধর্মৰ আৱশ্যকতাৰ ওপৰত। ই মানৱ জীৱনৰ আধ্যাত্মিক প্ৰকাশ। মনত নপৰা দিনৰ পৰা মানুহৰ জীৱনত ধর্মৰ আৱশ্যকতা উপলব্ধি কৰি অহা হৈছে। ধর্মৰ উদ্দেশ্য আত্ম উপলব্ধি। ইয়াৰ উদ্দেশ্য নিজতেই আৱদ্ধ। সেয়ে ইয়াক পাবৰ বাবে কোনো উপায় অবলম্বন কৰিব নালাগে। ৰাজনৈতিক আৰু সামাজিক উন্নয়ণৰ বাবে ধর্মৰ বিশেষ প্ৰয়োজন। সাধাৰণতে দেখা যায় যে ধ্বংসত পৰিণত হোৱা এখন নগৰ, ৰাষ্ট্ৰ, এটা পৰিয়াল বা এজন ব্যক্তি যেতিয়া হতাশগ্ৰস্ত হৈ পৰে, তেতিয়াই ধর্মৰ প্ৰতি আগ্ৰহী হৈ ভগৱানক কৰা আৰাধনাই তেওঁলোকক সমৃদ্ধিশালী কৰি তোলে আৰু এই কথা নিঃসন্দেহে সত্য বুলি প্ৰতিপন্ন কৰিব পৰা যায়, যেতিয়া তেওঁলোকৰ বাবে ধর্ম হৈ পৰে জীৱনৰ ভিত্তি।

ধর্মই এক পৱিত্ৰ আৰু নৈতিক জীৱন আগবঢ়াই নিয়াত সহায় কৰে। সমাজত এক সুখৰ, শান্তিপূর্ণ আৰু মুক্ত (অহংকাৰ, হতাশা, নিৰাশা আদিৰ পৰা মুক্ত) জীৱন অতিবাহিত কৰিবলৈ হ'লে নৈতিকতাৰ প্ৰয়োজন। মানুহে বিবেকৰ ওপৰত দিয়া গভীৰ মনোযোগ আৰু ধ্যানৰ সাহায্যত ভগৱানৰ উপলব্ধি সম্ভৱপৰ হয়। এই ধ্যান আৰু মনোযোগে মানুহ আৰু ভগৱানৰ মাজত থকা সম্বন্ধৰ এক বিশেষ অনুভূতিৰ যোগান ধৰে। ধর্মীয় দৃশ্যাৱলীবোৰ অতি অর্থপূর্ণ। কাৰণ এইবিলাকৰ অভ্যাস নিজ আত্মাৰ প্ৰতি থকা শুদ্ধ জ্ঞান অর্থাৎ আত্মজ্ঞানৰ ওপৰত নির্ভৰ কৰে। ইয়াৰ উপৰি ধ্যানৰ মাধ্যমেদি এক সুখী, সন্তুষ্টি আৰু মুক্ত জীৱন গঢ়ি উঠাতো সম্ভৱপৰ।

সেয়ে ধর্ম খুব আৱশ্যকীয় কাৰণ ধর্ম মানুহ আৰু ঈশ্বৰৰ আভ্যন্তৰিক স্বৰূপৰ মাজেদি উদ্ভৱ হয়। ঈশ্বৰে আৱশ্যকীয় ভাৱে নিজক কিছুমান শক্তিৰ মাধ্যমেদি প্ৰকাশ কৰে আৰু ইয়াতে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্বন্ধ লুকাই থাকে। মানুহৰ অকলশৰীয়া জীৱন অসম্পূর্ণ। যদি মানুহে পৰমসত্তা আৰু 'বিশ্বজনীন অব্যক্ত আধ্যাত্মিক শক্তিৰ' মাজত জীয়াই থাকে, তেতিয়াহে এক পৰিপূর্ণ জীৱন উপলব্ধি কৰিব পাৰিব। এনেদৰে ধর্মৰ আৱশ্যকতা গভীৰভাবে উপলব্ধি হয়।

ধৰ্মীয় জীৱনৰ আৱশ্যকতাৰ ব্যাখ্যা দিবলৈ হ'লে ক'ব পৰা যায় যে "ধৰ্ম হৈছে মানুহে পৰম সত্তাৰ প্ৰতি জনোৱা এক সমীক্ষা বা উত্তৰ।" আমি ধৰ্মৰ ভিতৰত তিনিটা প্ৰক্ৰিয়া পাওঁ। সেইকেইটা হ'ল চিন্তা, অনুভূতি আৰু ইচ্ছা। (যি কেইটাক জ্ঞান, ইচ্ছা আৰু অনুৰাগ বুলিও জনা যায়)। ধৰ্মীয় কাৰ্যত, এই তিনিটা উপাদান অবিযোজ্য আৰু অপৰিহাৰ্য। ধৰ্মত বিশ্বাসৰ এক ভূমিকা আছে। ৰুডল্‌ফ অটই (Rudolf Otto) ধৰ্মীয় অভিজ্ঞতাৰ ওপৰত এক তাৎপৰ্যপূৰ্ণ পৰ্যবেক্ষণ কৰি ধৰ্মৰ পৰিসৰ নিৰ্ণয় কৰে। তেওঁৰ মতে ধৰ্ম প্ৰকৃততে অবিচাৰমূলক। তেওঁৰ ভাষাত ইয়াক 'মিছটেৰিয়াম ট্ৰেমেনদাম এট ফেচিনেন্স' (mysterium tremendum et fascinans) বুলি জনা যায়। দেখা যায় ধৰ্মীয় অনুভূতি আৰু অভিজ্ঞতাবোৰ মনোবিদসকলেও শুদ্ধভাৱে বিশ্লেষণ কৰিব নোৱাৰে। কিন্তু ধৰ্মত মনোবিজ্ঞানৰ গুৰুত্বক অৱহেলা কৰিব নোৱাৰি। অৱশ্যে ধৰ্ম আৰু মনোবিজ্ঞান ইটোৱে সিটোৰ লগত সম্বন্ধিত হৈ থাকিব পাৰে। কিন্তু ধৰ্ম মনোবিজ্ঞানৰ পৰা স্বাধীন। এ. এন. হোৱাইট হেডৰ (A. N. White Head) মতে নিৰ্জন, নিসঙ্গ, অকলশৰীয়া ভাৱধাৰাটোৱেই হ'ল মানৱ সভ্যতাত কাল্পনিক ধৰ্মীয় ভাৱ। যিটো প্ৰকাশ পায়— শিলত শিকলিৰে বান্ধি থোৱা প্ৰমিথিয়াছৰ (Prometheus) মাজত, বুদ্ধৰ সমাধিৰ মাজত আৰু ক্ৰুশবিদ্ধ অকলশৰীয়া ব্যক্তিজনৰ মাজত। ("Religion in the Mankind", in Approaches to the philosophy of Religion)।

পানীৰ বাহিৰৰ মাছৰ অৰ্থই— ধৰ্ম অবিহনে মানুহে বৰ্হি জগতৰ পাৰিপাৰ্শ্বিকতাৰ মাজত অসুবিধা বোধ কৰাক বুজাইছে।

## ১.৬ ধৰ্মৰ উপযোগিতা

ধৰ্মৰ উপযোগিতা ধৰ্মৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। ধৰ্মই যিহেতুকে সমগ্ৰ মানৱ ইতিহাসক সামৰি লয়, সেয়ে ইয়াৰ উপযোগীতাও অনেক আৰু মহৎ। ধৰ্ম অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। ই পানীৰ বাহিৰৰ মাছৰ নিছিনা হ'ব। এখন সমাজৰ সামগ্ৰিক উন্নয়ণৰ বাবে জড়বাদৰ সৈতে আধ্যাত্মিকতাবাদ ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকিবই লাগিব। কেৱল পৱিত্ৰ অনুভূতি আৰু পৱিত্ৰ আকাংক্ষাইহে মানুহক সকলো উৎকণ্ঠা, দুখ আৰু অশান্তিৰ পৰা মুক্ত কৰিব পাৰে। কেৱল আভ্যন্তৰীণ শক্তিয়েহে এজন মানুহৰ চিন্তা, ভাষা আৰু কাৰ্যলৈ পৱিত্ৰতা আনিব পাৰে। এই পৃথিৱীখন এখন কৰ্মস্থানৰ বাহিৰে আন একো নহয়। আমাৰ কাৰ্যৰ ফল হিচাপেই আমি কাম কৰো। এইটোৱেই হ'ল কৰ্মৰ নিয়ম। কৰ্ম হৈছে এটা কাৰ্য কৰা আৰু ভোগফল হৈছে কাৰ্যৰ ফলাফল লাভ কৰা। ইয়াকে কাৰ্য আৰু কাৰণৰ নিয়ম বুলি জনা যায়। আমাৰ সকলো কাৰ্যৰ উৎপত্তিস্থল হ'ল চিন্তা বা ভাৱ। সেয়ে ভাৱ বা চিন্তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমাৰ কাৰ্যৰ গুণাগুণ নিৰ্ণয় কৰা হয়। কেৱল ধৰ্মীয় আধ্যাত্মিক জ্ঞানেৰেহে মানুহে অন্তৰত উপলব্ধি কৰিব পাৰে যে আমাৰ সকলো আকাংক্ষা পৱিত্ৰ হ'ব লাগে। য'ত পৱিত্ৰ আকাংক্ষা আছে, তাত পৱিত্ৰ সুখো আছে।

দেখা যায় এক স্পষ্ট, পৱিত্ৰ বুদ্ধি আৰু আত্মিক জ্ঞানে মানুহক শুদ্ধ ভাৱে কথা কোৱাত, শুদ্ধ বস্তু দেখাত আৰু শুদ্ধ ভাৱে চিন্তা কৰাত সক্ষম কৰি তোলে। এই শুদ্ধ পৰ্যবেক্ষণে বিশ্বৰ জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সকলো প্ৰাণীৰ প্ৰতি এক স্বতঃস্ফূৰ্ত ভাল ভাৱ আৰু শুভ ইচ্ছা

আনি দিয়ে। সেয়ে বৰ্তমান জগতত ধর্মৰ বিশেষ উপকাৰিতা হৈছে প্ৰথমে নিজৰ প্ৰকৃতি বা স্বৰূপ উপলব্ধি কৰাত। এই স্ব-উদঘাটন প্ৰক্ৰিয়াত আমি নিজৰ উন্নতিৰ হকে প্ৰচেষ্টা চলাব পাৰো আৰু আমাৰ নিজৰ মাজতে থকা অসীম, উৎকৃষ্ট শক্তিক বুজিব পাৰো, আৰু আমি শক্তিশালী হ'ব পাৰো। কাৰণ আমি সকলোৱেই সত্য, সুন্দৰ আৰু মংগলৰ অন্তৰ্ভুক্ত। সেয়ে কব পাৰি যে বৰ্তমানৰ যান্ত্ৰিক প্ৰতিযোগিতাপূৰ্ণ বিশ্বত ধর্মৰ অৱস্থান সঁচাকৈয়ে গুৰুত্বপূৰ্ণ।

## ১.৭ ধর্মৰ ওপৰত পর্যবেক্ষণ

ধর্ম কেৱল বাহ্যিক অভিব্যক্তি নহয়। ই আত্মগত, নিজস্ব আৰু এক অতি নিকটতম আধ্যাত্মিক অভিজ্ঞতা। ইয়াৰ উপৰি আমি এইটোও সাধাৰণতে পর্যবেক্ষণ কৰিব পাৰো যে যদিও ধর্ম সর্বব্যাপী ইয়াক কিন্তু বিশ্বজনীন ভাৱে মানি লোৱা নহয়। ইয়াৰ কাৰণ হৈছে বিভিন্ন ধর্মৰ মাজত থকা বিৰোধীতা। সেয়ে ধর্ম এটা হে নাথাকি বহুতো হে পৰে। ইয়াৰ উপৰি ধর্মৰ নামত বহুতো যুদ্ধ বিগ্ৰহ হোৱাটোও ইতিহাসত পোৱা যায়। সেয়ে বহুতো চিন্তাবিদ আৰু ৰাজনীতিবিদে ধর্মক দোষী বুলি সাব্যস্ত কৰে আৰু ইয়াক নিজৰ মাজতেই আৱদ্ধ ৰখা উচিত বুলি নির্দেশ দিয়ে।

ধর্মক নিন্দা আৰু দমন কৰাটো আজি একৈশ শতিকাত সম্ভৱপৰ নহয় কাৰণ আধ্যাত্মিকতাৰ সৈতে হাতত হাত মিলাই যাব পাৰিলে বস্তুবাদ জীৱনকেন্দ্রিক হ'ব পাৰে।

ইয়াত আঙুলিয়াই দেখুৱাব পৰা যায় যে যেতিয়া ধর্মক সংস্থা আৰু সাম্প্রদায়িকতাৰ সীমিত অৱস্থাৰ পৰা ওপৰলৈ নিব পৰা যায়, তেতিয়াই ধর্মক আমাৰ জীৱনৰ অতি আৱশ্যকীয় বুলি গণ্য কৰা হয়। সেয়ে ধর্মৰ অস্তিত্বক আৱিস্কাৰ কৰিবলৈ হ'লে ইয়াৰ অন্তৰতম অৱস্থালৈ যোৱা অতি আৱশ্যক। বিশ্বৰ সকলো জীৱন্ত ধর্মৰ এক নিঃস্বার্থ আৰু সহানুভূতিপূৰ্ণ অনুসন্ধান কৰিবলৈ আমি নিৰপেক্ষ আৰু পক্ষপাত মুক্ত হ'ব লাগিব। আমাৰ বিভিন্ন ধর্মৰ মাজত এক তুলনামূলক অধ্যয়নৰ প্রয়োজন অতি গুৰুত্বপূৰ্ণ। এনে অধ্যয়নৰ যোগেদি ধর্মৰ মাজত থকা সাদৃশ্য উদ্‌ঘাটন কৰি এক বিশেষ ধৰণৰ সন্তুষ্টি পোৱা যায়। ধর্মৰ মাজত সাদৃশ্য উদঘাটন কৰাটো শুদ্ধ হৈছেনে নাই তাক পর্যবেক্ষণ কৰাটো আৰু বিশ্লেষণেৰে সেইসমূহৰ মূল্য নির্ণয় কৰাটোৱেই বিশেষ দৰকাৰী বিষয় বুলি পৰীন্দাৰে মত দিয়ে। (Parrinder, comperative religion P.P. 14-15)। সামাজিক, ঐতিহাসিক, মনোবৈজ্ঞানিক, নৈতিক আৰু দার্শনিক দৃষ্টিকোণৰ পৰা ধর্ম হৈছে বহল মানৱ মনে নির্ধাৰণ কৰা এক বাস্তৱ মূল্যায়ন। এনেধৰণৰ অনুভূতিয়ে এক বিশ্বজনীন ভাতৃত্ববোধৰ সৃষ্টি কৰে আৰু মানৱ জাতিক সেৱা কৰাৰ হেপাহ জাগ্রত কৰে। সেয়ে ধর্মই আধ্যাত্মিক মানৱতাবোধৰ শিক্ষা দিয়ে।



## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৬ ঃ** ধৰ্মীয় চেতনাৰ প্ৰকৃতি কি? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

**প্ৰশ্ন নং ৭ ঃ** ধৰ্মৰ বাস্তৱ উপযোগিতাবাদ দিশটো কি? (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

**প্ৰশ্ন নং ৮ ঃ** কাৰ্যকাৰণ নীতি বুলি ক'লে আপুনি কি বুজে?

.....

.....

.....

.....

**প্ৰশ্ন নং ৯ ঃ** ধৰ্মৰ উপযোগিতাবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক। (৪০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

**প্ৰশ্ন নং ১০ ঃ** খালী ঠাই পূৰণ কৰক—

ক) প্ৰগাঢ় ভক্তি, বিনয়, নম্ৰতা আশা, আনন্দ ..... গঢ় দিয়াৰ আৱশ্যকীয় উপাদান।

খ) ধৰ্ম হৈছে মানুহৰ ..... থকা পৱিত্ৰ .....

গ) ধৰ্মৰ ..... সদায় ..... ভিতৰতেই ।

**প্ৰশ্ন নং ১১ ঃ** শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) আত্ম উপলব্ধিয়ে মুক্তিৰ পথলৈ লৈ যায়।

খ) আধ্যাত্মিক সৰ্বময় ক্ষমতাই হৈছে সকলো ধৰ্মৰ উদ্দেশ্য।

গ) ধৰ্মই নৈতিক মূল্যৰ বিৰোধিতা কৰে।

ঘ) পূৰ্ণতাপ্ৰাপ্তি ধৰ্মৰ উদ্দেশ্য নহয়।



**চিন্তা-চৰ্চা কৰক ১.২**

ধৰ্মৰ আত্মউপলব্ধিৰ বিশ্লেষণ কেনেকৈ কৰিব? আলোচনা কৰক।

.....

.....

.....



.....

## ১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত বৰ্ণনা দিয়া গুৰুত্বপূৰ্ণ বিষয়সমূহ হ'ল —

- ধৰ্ম আধ্যাত্মিকতাবাদৰ সৈতে একে পৰ্যায়ৰ।
- আধ্যাত্মিকতা বা সততা বা শ্ৰেয় বা সদগুণ বা সাধুতা আদি ভাষিক শব্দৰ দ্বাৰাই বুজোৱা হয়।
- আধ্যাত্মিক চেতনা আত্মচৈতন্যৰ ৰূপত আমাৰ মাজত বিৰাজ কৰিছে।
- ধৰ্ম, জীৱন আৰু অভিজ্ঞতাৰ বিষয়।
- ধৰ্মীয় অৱস্থাত ভগৱানৰ প্ৰতি নিশ্চিত প্ৰেমপূৰ্ণ স্পষ্ট আৰু আনন্দময় স্মৃতি জাগ্ৰত হয়।
- ঈশ্বৰ আৰু মানুহৰ মাজত থকা সম্বন্ধৰ গভীৰ অনুভূতিয়েই হৈছে ধৰ্মীয় জ্ঞানৰ বৈশিষ্ট্য। এই সম্বন্ধ ভয়ৰ পৰা বা ধৰ্মীয় যাজকৰ অনুশাসনৰ দ্বাৰা বা আকস্মিক ভাৱে ঘটা ঘটনা নহয়। ই এক আভ্যন্তৰীণ ঈশ্বৰ অভিজ্ঞতা, যিটো সামাজিক জীৱনৰ বাবে অনুকূল।
- প্ৰাৰ্থনা হৈছে ভগৱানৰ সৈতে কৰা কথোপকথন।
- ধৰ্মৰ উদ্দেশ্য আত্ম উপলব্ধি। ধৰ্মীয় অভিজ্ঞতা স্ব-প্ৰমাণিত।
- ধৰ্মৰ মৌলিক প্ৰকৃতি হৈছে আত্ম উপলব্ধি। আত্ম উপলব্ধিয়ে মুক্তিৰ অৱস্থালৈ আগবঢ়াই নিয়ে।
- ধৰ্মই সমগ্ৰ মানৱ জাতিক আকোৱালি লয়।



## ১.৯ অধিক জানিবলৈ

*অসমীয়া গ্ৰন্থ ঃ*

১) দাস, ৰবীন্দ্ৰ নাথ ঃ *ধৰ্ম ও দৰ্শন*।

২) বৰুৱা, ড° গিৰীশ ঃ *পৃথিৱীৰ বিভিন্ন ধৰ্ম, এক তুলনামূলক আলোচনা*।

৩) শ্যাম, নগেন্দ্ৰ চন্দ্ৰ ঃ *ৰবীন্দ্ৰনাথ ধৰ্ম ও সমাজ*।

***ইংৰাজী গ্ৰন্থ ঃ***

৪) Masih, Y. : *Introduction to Religious Philosophy*, Motilal Banarasidass, 1971.

৫) Chatterjee, Pritibhushan : *Studies in comparative Religion*, Das Gupta & Co. Private Ltd., 1971.

## ১.১০ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** ক) মানসিক ক্ষমতা খ) সত্তাৰ অনুভূতি গ) সংস্কৃতি, অস্তিত্বৰ পূৰ্ণ ঐক্য, যাৰ মৌলিক অস্তিত্ব আধ্যাত্মিকতা ঘ) জীৱন আৰু অভিজ্ঞতা ঙ) বৈৰাগ্য

**২নং প্ৰশ্নৰ উত্তৰ ঃ** আত্ম উপলব্ধি লাভ কৰাই ধৰ্মৰ মৌলিক প্ৰকৃতি।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** বৈৰাগ্য মানে এক সূক্ষ্ম আসক্তি অৰ্থাৎ যিটো আকাংক্ষাৰ পৰা বিচ্ছিন্ন।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ধৰ্ম বা ৰিলিজিয়ন শব্দটোৱে ভক্ত আৰু যাক ভক্তি জনোৱা হয় তাৰ মাজৰ সম্বন্ধক বুজায়। 'ধৰ্ম' অৰ্থাৎ 'ৰিলিজিয়ন' মানে আন একো নহয়, ই এক সম্বন্ধ, যি সম্বন্ধ ভক্ত আৰু ভক্তি জনোৱাজনৰ মাজত বান্ধ খাই থাকে।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** সাধাৰণতেই ক'বলৈ গ'লে এই শব্দই পূৰ্ব্বপৰিচিত ব্যক্তিৰ দ্বাৰা পৰিচালিত এক প্ৰতিষ্ঠানক বুজায়, য'ত নিয়ম নীতিৰ মাধ্যমেদি সকলোৱে গোট খাই কেনেকৈ পূজা অৰ্চ্চনা কৰিব লাগে তাৰ কিছুমান মতামত দাঙি ধৰে আৰু ইয়াৰ ব্যক্তিসকলে সত্যৰ পৰম স্বৰূপক কেনেকৈ জানিব লাগে তাৰ উপায় দিয়ে।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** ধৰ্মীয় চেতনাৰ প্ৰকৃতি পৰিত্ৰ আৰু পূণ্য। ই আধ্যাত্মিকতাৰ চেতনা। ৰূডলফ অটৰ মতে ধৰ্ম প্ৰকৃততে অবিচাৰমূলক। তেওঁৰ ভাষাত ইয়াক মিছ টেৰিয়াম ট্ৰেমেনডাম এটা ফ্ৰেচিনেন্স বুলি জনা যায়।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** যেতিয়া আমি ভগৱানৰ কথা ভাবো, আমি শান্তি পাওঁ। যি ব্যক্তিয়ে ধৰ্মীয় মূল্যৱান পথ অনুসৰণ কৰে, তেওঁ বাস্তৱিকতে আনন্দৰ জীৱন উপভোগ কৰে, আনন্দময় অৱস্থাত তেওঁ ঈশ্বৰ সদৃশ প্ৰকৃতি উপভোগ কৰে। এইটোৱেই ধৰ্মৰ উপযোগিতাৰ দিশ।

**৮নং প্ৰশ্নৰ উত্তৰ ঃ** এইটোৱেই হ'ল কৰ্মৰ নিয়ম। কৰ্ম হৈছে এটা কাৰ্য কৰা আৰু ভোগফল হৈছে কাৰ্যৰ ফলাফল লাভ কৰা। ইয়াকে কাৰ্য আৰু কাৰণৰ নিয়ম বুলি জনা যায়।

**৯নং প্ৰশ্নৰ উত্তৰ ঃ** কেৱল পৰিত্ৰ অনুভূতি আৰু পৰিত্ৰ আকাংক্ষাইহে মানুহক সকলো উৎকণ্ঠা, দুখ আৰু অশান্তিৰ পৰা মুক্ত কৰিব পাৰে। কেৱল আভ্যন্তৰীণ শক্তিয়েহে এজন মানুহৰ চিন্তা, ভাষা আৰু কাৰ্যলৈ পৰিত্ৰতা আনিব পাৰে।

**১০নং প্ৰশ্নৰ উত্তৰ ঃ** ক) ধৰ্মীয় জীৱন খ) সমগ্ৰতাবাদী বা পৰমসত্তা গ) উদ্দেশ্য, আত্ম উপলব্ধি

**১১নং প্ৰশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ ঘ) অশুদ্ধ



## ১.১১ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন** (৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** লেটিন শব্দ ৰেলিজিঅ'ৰ অৰ্থটো কি?

**প্ৰশ্ন ২ ঃ** ধৰ্মৰ সংজ্ঞা আগবঢ়াওক।

**প্ৰশ্ন ৩ ঃ** বৈৰাগ্য কি?

**প্ৰশ্ন ৪ ঃ** 'মিছটেৰিযাম চেৰমেনদাম এট ফেচিনেন্স' শব্দটো কোনে উলিয়াইছে?

**প্ৰশ্ন ৫ ঃ** কাৰ্য কাৰণৰ নিয়ম বুলি ক'লে কি বুজে?

**খ) চমু প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** ধৰ্মৰ প্ৰকৃতিৰ বিষয়ে দুআষাৰ মন্তব্য আগবঢ়াওক।

**প্ৰশ্ন ২ ঃ** ধৰ্ম জীৱনৰ বাবে প্ৰয়োজনীয় হয় নে? চমুকৈ ব্যাখ্যা দিয়ক।

**প্ৰশ্ন ৩ ঃ** চমুটোকা লিখক।

ক) ধৰ্মৰ উপযোগিতা

খ) ধৰ্মৰ পৰিসৰ

গ) ধৰ্মৰ প্ৰকৃতি

**প্ৰশ্ন ৪ ঃ** ধৰ্মৰ পৰিসৰ সম্বন্ধে চমুকৈ লিখক।

**গ) ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** ধৰ্মৰ প্ৰকৃতি সম্বন্ধে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** ধৰ্মৰ পৰিসৰ সম্বন্ধে ব্যাখ্যা কৰক।

**প্ৰশ্ন ৩ ঃ** ধৰ্মৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা আগবঢ়াওক।

**প্ৰশ্ন ৪ ঃ** আধ্যাত্মবাদ ধৰ্মৰ সৈতে একে পৰ্যায়ৰ নেকি? আলোচনা কৰক।

**প্ৰশ্ন ৫ ঃ** ধৰ্মীয় জ্ঞানৰ বৈশিষ্ট্যবোৰৰ সম্বন্ধে বৰ্ণনা আগবঢ়াওক।

**প্ৰশ্ন ৬ ঃ** নৈতিক জীৱন ধাৰণৰ প্ৰয়োজনীয়তা আছে নে? ব্যাখ্যা কৰক।

**প্ৰশ্ন ৭ ঃ** ধৰ্ম কিয় আমাৰ জীৱনৰ বাবে অত্যাৱশ্যকীয়? আলোচনা কৰক।

*** ***** ***

# অধ্যায় ২ ঃ ধর্মৰ প্ৰকৃতি, ধর্মৰ পৰিসৰ

## অধ্যায় গাঁথনি


২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ধর্মৰ অর্থ

২.৪ ধর্মৰ প্ৰকৃতি

২.৫ ধর্ম আৰু নৈতিকতা

২.৬ ধর্ম আৰু কলা

২.৭ ধর্ম আৰু বিজ্ঞান

২.৮ ধর্ম আৰু দর্শন

২.৯ ধর্মৰ পৰিসৰ

২.১০ অধ্যায়টিৰপৰা আমি কি শিকিলো

২.১১ অধিক জানিবলৈ

২.১২ আৰ্হি প্ৰশ্ন


## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ধর্ম অর্থ সম্বন্ধে বর্ণনা কৰিবলৈ
- ধর্মৰ প্ৰকৃতি সম্বন্ধে ব্যাখ্যা কৰিবলৈ
- ধর্ম লগত থকা নৈতিকতা, কলা, বিজ্ঞান আৰু দর্শনৰ সম্বন্ধ সম্পর্কে ব্যাখ্যা কৰিবলৈ
- ধর্মৰ পৰিসৰ সম্পর্কে আলোচনা কৰিবলৈ।

## ২.২ পৰিচয়

ধর্ম হ'ল মানুহৰ প্ৰকৃতিৰ এটা মৌলিক উপাদান। ধর্মৰ অধ্যয়ন অবিহনে মানবজাতিৰ অধ্যয়ন কেতিয়াও পূর্ণ হ'ব নোৱাৰে। ধর্ম সম্পর্কে এজন মানুহৰ মনত যিয়েই ধাৰণা নাথাকক কিয় বা ধর্মৰ প্ৰতি এগৰাকী ব্যক্তিৰ যিয়েই মনোভাৱ নাথাকক কিয় প্ৰতিজন মানুহে স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰে যে ই মানুহৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূর্ণ আৰু বিশিষ্ট দিশ। আদিম কালৰেপৰা বহু যুগ যুগ ধৰি ধর্মই মানব জীৱন আৰু ইতিহাসত এক মূখ্য স্থান অধিকাৰ কৰি আহিছে। ই হ'ল মানুহৰ ক্ৰিয়াকলাপৰ আটাইতকৈ নিগূঢ় ৰূপ। এক অর্থত ক'বলৈ গ'লে, দার্শনিক কোঁটে কোৱাৰ দৰে ধর্মই সমগ্ৰ অস্তিত্বক সামৰি লয় আৰু ধর্মৰ ইতিহাসে মানুহৰ উত্তৰণৰ সমগ্ৰ ইতিহাসক পুণৰ আৰম্ভণি কৰে। মেক্সমূলাৰেও স্বীকাৰ কৰিছিল যে মানুহৰ প্ৰকৃত ইতিহাস হ'ল ধর্মৰ ইতিহাস।

## ২.৩ ধর্মৰ অর্থ

ভাষাৰে ক'বলৈ গ'লে, ধর্ম হ'ল সামাজিক ঐক্যতা আৰু সমন্বয়তাৰ আদর্শ। 'Religion' শব্দটো লেটিন শব্দ 'Religare' ৰ পৰা আহিছে, যাৰ অর্থ হ'ল 'বান্ধি ৰখা'। গতিকে বুৎপত্তিগতভাৱে ধর্ম মানে হ'ল কোনো বস্তুৰ সৈতে মানুহৰ বন্ধন। তথাপিও ধর্মই মানুহক শিকলিৰে বান্ধি ৰাখে বুলি ধৰা নহয়, ই মানুহক বিভিন্ন আইন-কানুন, ৰীতি-নীতি আৰু নিষেধাজ্ঞাৰদ্বাৰাহে বান্ধি ৰাখে যাতে তেওঁলোক অধঃপতিত নহয় আৰু আধ্যাত্মিকভাৱে তাৎপর্য্যপূর্ণ জীৱন এটা অতিবাহিত কৰিব পাৰে। এনেদৰে প্ৰকৃতৰূপে ধর্ম নীতি-আদর্শ আৰু নিষেধাজ্ঞাৰদ্বাৰা গঠিত হয়। Religion ৰ সংস্কৃত সমার্থক হ'ল 'ধর্ম'। 'ধর্ম' শব্দটো 'ধৃ' ধাতুৰপৰা আহিছে, যাৰ অর্থ হ'ল 'ধৰি ৰখা'। এই দৰে ধর্ম হ'ল মানুহৰ জীৱনক ধৰি ৰখা নীতি আৰু বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্বক ধাৰণ কৰা আদর্শ।

সাধাৰণতে 'ধর্ম' শব্দটোক কোনোধৰণৰ অসীমতা প্ৰাপ্তিৰ বাবে স্বতঃ স্ফুর্তভাৱে অনুভূত মানুহৰ সচেতন উচ্চাকাংক্ষাৰ অর্থত গ্ৰহণ কৰিব পৰা যায়। ধর্মৰ লগত জড়িত বুদ্ধি, অনুভূতি আৰু ইচ্ছা-মানুহৰ প্ৰকৃতিৰ এই তিনিওটা দিশকেই ধর্ম সম্পর্কীয় এই কথাযাৰে অন্তর্ভূক্ত কৰে। আনহাতে, 'ধর্মৰ'দ্বাৰা আমি এনে কিছুমান বিশেষ পথক বুজো যাক মানুহে ধর্মীয় উদ্দেশ্য প্ৰাপ্তিৰ বাবে অনুসৰণ কৰে। দৰাচলতে, সকলোবোৰ পৃথক পৃথক ধর্ম, যেনে- হিন্দু ধর্ম, খ্ৰীষ্টানধর্ম, ইছলামধর্ম, বৌদ্ধধর্ম, জৈনধর্ম আদিক ধর্ম বুলি কব পৰা যায়।

## ২.৪ ধর্মৰ প্ৰকৃতি

ধর্মৰ তিনিটা আৱশ্যকীয় উপাদান ধর্মৰ প্ৰকৃতিৰ সৈতে জড়িত। এই তিনিটা উপাদান হ'ল বুদ্ধি, অনুভূতি আৰু ইচ্ছা। ধর্মৰ প্ৰকৃতি সম্পর্কে উত্থাপিত হোৱা প্ৰশ্নটো হ'ল প্ৰকৃতিতে ধর্ম মানে কি? ধর্মৰ প্ৰকৃত স্বৰূপ সম্পর্কীয় বিষয়টো দুইধৰণে বিচাৰ কৰিব পৰা যায়। অন্য কোনো বিষয়ৰ লগত সম্বন্ধিত নোহোৱাকৈ নিজস্বভাৱে ধর্ম কি এই সম্বন্ধে আমি প্ৰশ্ন উত্থাপন নকৰিব পাৰো। আৰু তাৰ পাছত অন্যান্য ক্ৰিয়াকলাপৰ লগত ইয়াৰ সম্পর্ক নির্ধাৰণ কৰি ইয়াৰ আভ্যন্তৰীণ প্ৰকৃতি সম্পর্কে ব্যাখ্যা কৰিব পৰা যায়। ইয়াৰ সৈতে বহুলভাৱে সদৃশ্য জীৱন আৰু সভ্যতা-সংস্কৃতিৰ কিছুমান নির্দিষ্ট প্ৰকাৰ যেনে, নৈতিকতা, কলা, বিজ্ঞান; দর্শন আদিৰপৰা ইয়াক কিদৰে বিশিষ্টভাৱে পৃথক কৰিব পৰা যাব?

ইতিহাসত ধর্মৰ এনে কিছুমান বৈচিত্র্যপূর্ণ আৰু পৰস্পৰবিৰোধী অর্থ আছে যে ইয়াৰ প্ৰকৃত স্বৰূপ বা বৈশিষ্ট্য সম্পর্কে ব্যাখ্যা কৰিবলৈ কৰা যিকোনো প্ৰচেষ্টাই পূর্বতে বিফল হোৱা বুলি প্ৰতীয়মান হয়। বিভ্রান্তকাৰী পৰিৱর্তন আৰু বিবর্তন যাৰ মাজেৰে ধর্মই অতিক্ৰম হৈ আহিছে

তাৰ ক্ষেত্রত এইটো বিশেষভাৱে সত্য হোৱা দেখা যায়। তথাপি নিশ্চিতভাৱে ধর্মৰ কিছুমান বৈশিষ্ট্য আছে যিবোৰ বিশ্বজনীন আৰু অনন্য, অন্যথা "ধর্ম" শব্দটোৰ কোনো নির্দিষ্ট অর্থ নাথাকিব।

ধর্মক এযাৰ কথাৰে সঠিকভাৱে বর্ণনা কৰাটো সহজ নহয়। ধর্ম সম্পর্কে বাখ্যা কৰিবলৈ কৰা প্রচেষ্টা অসংখ্য আৰু ভিন্ন ভিন্ন। বিভিন্ন ব্যক্তিয়ে ধর্মৰ বিভিন্ন সূত্র আগবঢ়াইছে। কিছুমান সূত্রই ধর্মক মানুহৰ আত্মিক স্বৰূপৰ এটা দিশৰ ভিতৰত অতি দৃঢ়ভাৱে সীমাবদ্ধ কৰি ৰাখে। এই বোৰৰ ভিতৰত কিছুমানে ধর্মক বদ্ধিৰ এটা বিষয়বস্তু কৰি তোলে। হেগেলীয় দার্শনিকসকলে ধর্মৰ সংজ্ঞা প্রদান কৰাৰ ক্ষেত্রত ইয়াৰ ভিতৰত থকা যুক্তি বা বিচাৰ-বুদ্ধিৰ উপাদানটোৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। হেগেলৰ মতে ধর্ম হ'ল 'সমীম আত্মাই পৰমাত্মা হিচাপে নিজৰ স্বৰূপ সম্পর্কে লাভ কৰা জ্ঞান', বা তেওঁ ঐশ্বৰিক দিশৰপৰা বিষয়টোৰ প্রতি লক্ষ্য ৰাখি অন্যধৰণে ইয়াক এইদৰে উপস্থাপন কৰে যে "ই হ'ল সমীম আত্মাৰ মাধ্যমেৰে ঐশ্বৰিক আত্মাৰ নিজৰ সম্পর্কে জ্ঞান।" এইদৰে ই হ'ল একপ্রকাৰৰ জ্ঞান। এই জ্ঞান হ'ল সমীম আৰু অসীমৰ চূড়ান্ত ঐক্যতাক অন্তর্ভূক্ত কৰা পৰম ধাৰণা বা পৰম জ্ঞান। ই.বি. টাইলৰৰ মতে, "ধর্ম হ'ল আধ্যাত্মিক সত্তাত বিশ্বাস।" মেক্সমূলাৰে কয় "ধর্ম হ'ল এনে এক মানসিক শক্তি বা প্রবৃত্তি যি মানুহক অসীম সত্তাৰ জ্ঞান লাভ কৰিবলৈ সক্ষম কৰি তোলে।"

অন্যসকলে অনুভূতি বা আবেগৰ জৰিয়তে ধর্মৰ সংজ্ঞা প্রদান কৰে। এই সকলোবোৰ সূত্রৰ ভিতৰত আটাইতকৈ প্রভাৱশালী সূত্রটো হ'ল শ্লিয়াৰমেকাৰৰ, "ধর্মৰ সাৰমর্ম নিহিত থাকে ঈশ্বৰৰ ওপৰত সম্পূর্ণ নির্ভৰশীলতাৰ অনুভূতিত।" শ্লিয়াৰমেকাৰৰ মতে, বিশুদ্ধ ধর্ম হ'ল বিশুদ্ধ অনুভূতি যি এহাতে চিন্তনৰপৰা মুক্ত আৰু আনহাতে নৈতিকতা বা ক্রিয়াৰপৰা মুক্ত। জ্ঞানৰ লগত ইয়াৰ কোনো সম্বন্ধ নাই, ইয়াৰপৰা পৃথকভাৱে ইয়াৰ প্রকৃতিৰ বিষয়ে জানিব পৰা যায়। শ্লিয়াৰমেকাৰৰ মতে, ধর্ম হ'ল সমীমৰ মাজত অসীমৰ, চিৰস্থায়িত্বৰ মাজত ক্ষণস্থায়িত্বৰ এক আন্তৰিক, ঘনিষ্ঠ, প্রত্যক্ষ অনুভূতি। এই হ'ল ঈশ্বৰৰ ওপৰত একান্ত নির্ভৰতাবোধ।

শ্লিয়াৰমেকাৰৰ ক্ষেত্রত কব পৰা যায় যে ধর্মৰ মাজত যি অনুভূতিৰ উপাদান আছে, যি কেৱল অনুভূতি নহয়। অনুভূতিৰ মাজত ধাৰণাগত উপাদান থকা প্রয়োজন আৰু অনুভূতিক ধাৰণাৰপৰা কেতিয়াও পৃথক কৰিব নোৱাৰি- যাৰ বাবে পূর্বৰটো প্রয়োজনীয় আৰু পিছৰটো অপ্রয়োজনীয় বুলি গণ্য হ'ব পাৰে। তাৰ উপৰিও, অসীমতা বা ঈশ্বৰৰ ওপৰত নির্ভৰশীলতাৰ বিষয়ে কোৱাৰদ্বাৰা অস্পষ্টভাৱে হ'লেও অনুভূতিক এটা ধাৰণাগত উপাদান প্রদান কৰা হয়। সেয়েহে ধর্ম কেৱল বিশুদ্ধ অনুভূতি হ'ব নোৱাৰে।

অন্য কিছুসংখ্যক ব্যক্তিয়ে নৈতিক ইচ্ছাৰ মাধ্যমেৰে ধর্মৰ সংজ্ঞা আগবঢ়াইছে। ব্যৱহাৰিকভাৱে এইসকলে ধর্মক নৈতিক চেতনাৰ সদৃশ বুলি কৈছে। "আমাৰ সকলো কর্তব্যক স্বর্গীয় আদেশৰূপে স্বীকৃতি প্রদানেই ধর্ম"- কান্টৰ ধর্ম সম্পর্কীয় এই সূত্রটোৱেই হৈছে দর্শনত ইয়াৰ উৎকৃষ্ট উদাহৰণ। একপ্রকাৰৰ অবর্ণনীয় আবেগৰ সংযোগত ইয়াৰ এটা সার্বজনীন ব্যতিক্রম

(যাৰ কান্টে কাঠোৰভাৱে বাদ দিছে) মেথিউ আর্ণল্ডৰ এই কথাষাৰৰ মাজত পোৱা যায় "ধর্ম হ'ল আবেগ স্পর্শিত নৈতিকতা।

কাণ্টৰ ধর্ম সম্পর্কীয় ধাৰণাত ঈশ্বৰৰ লগত সাহচর্য্যৰ আলৌকিক অভিজ্ঞাতা, প্রার্থনা, পূজা, উপাসনা, যিবোৰ ধর্মীয় অভিজ্ঞতাৰ উল্লেখযোগ্য বৈশিষ্ট্য সেইবোৰ অস্তিত্ব নাই। আমি মনত ৰখা উচিত যে ধর্মই কেৱল মানুহৰ প্রকৃতিৰ এটা অংশকে অধিকাৰ কৰি নাথাকে, ই হ'ল ব্যক্তিয়ে যাক তেওঁতকৈ উর্ধতম উর্ধতম সত্তা বুলি গণ্য কৰে তাৰ প্রতি তেওঁৰ সমগ্র সত্তাৰ প্রতিক্রিয়া, যাৰ ওপৰত তেওঁৰ ভাগ্য নির্ভৰশীল।

ধর্মক একপ্রকাৰৰ বিশ্বাস আৰু আস্থাৰ বিষয় হিচাপে প্রকাশ কৰা হয়, মুক্তিৰ বিষয় হিচাপে নহয়। জার্মান চিন্তাবিদ অগাষ্ট সাবাটিয়েৰে কোৱাৰ দৰে, "ধর্ম হ'ল অন্তৰৰ বিষয়, যুক্তিৰ নহয় আৰু ই মানৱ আত্মাৰ জৈৱিক প্রয়োজনৰপৰা অবিনশ্বৰভাৱে আৱির্ভাব হয়। আত্মাই ইয়াৰ বস্তুগত পৰিবেশৰ সীমাবদ্ধতাসমূহৰ দ্বাৰা ব্যাহত আৰু অবদমিত হোৱাৰ পিছত আস্থাৰে ইয়াক মুক্ত হ'বলৈ পৰিচালিত কৰা হয় আৰু আস্থাৰ জৰিয়তে ই বিচৰা শুভফল লাভ কৰে।"

ধর্মই চিন্তণ ক্রিয়া আৰু বিশ্বাস তথা মূল্যবেগ অন্তর্ভূক্ত কৰে। ধর্ম পূজা বা উৎসৱ-পার্বন মাত্র নহয়। তাৰ, ফ্লিণ্টে পর্য্যবেক্ষণ কৰি কয় যে- 'ধর্ম হ'ল এক বা একাধিক সত্তাত মানুহৰ বিশ্বাস, যি সত্তা মানুহতকৈ অধিক শক্তিশালী আৰু ইন্দ্রিয়ৰ অগোচৰ, কিন্তু এনেধৰণৰ বিশ্বাসৰ পৰা নির্গত হোৱা তেওঁৰ আবেগ আৰু ক্রিয়া, অনুভূতি আৰু অভ্যাসৰ প্রতি নিস্পৃহ নহয়।"

ওপৰত উল্লেখিত এই সকলোবোৰ সূত্রই সত্যতাৰ এটা উপাদান অন্তর্ভূক্ত কৰে, কিন্তু এই সকলোবোৰ সংজ্ঞা একপক্ষীয়। এইসমূহে ধর্মক প্রয়োজনতকৈ অধিকভাৱে সৰলীকৰণ কৰে, যিটো এটা জটিল বিষয়। ধর্মই চিন্তন, ইচ্ছা আৰু ভাব-অনুভূতিক অন্তর্ভূক্ত কৰে তথাপিও ই এই সকলোবোৰতকৈ উর্ধ। শ্রী অৰবিন্দৰ ভাষাৰে,"ধর্মৰ অন্তৰতম সাৰবস্তু... হ'ল ঈশ্বৰৰ অন্বেষণ আৰু ঈশ্বৰ প্রাপ্তি। ইয়াৰ আকাংক্ষা হ'ল অসীম, পৰম, এক ঈশ্বৰৰ উদ্‌ঘাটন যি এই সকলোবোৰ বস্তু কিন্তু কোনো জটিল সত্তা নহয়।"

ওপৰৰ আলোচনাৰ ওপৰত ভিত্তি কৰি ধর্মৰ প্রকৃতি সম্পর্কে আমাৰ ধাৰণাক আমি এনেদৰে সংক্ষেপে উল্লেখ কৰিব পাৰো। ধর্মই বিষয় আৰু বস্তু উভয়কে অন্তর্ভূক্ত কৰে। বিষয়গত দিশৰপৰা ই সকলো মানুহৰ মানসিক ক্রিয়াকলাপ, অনুভূতি, ইচ্ছা আৰু চিন্তনক অন্তর্ভূক্ত কৰে। বস্তুগত দিশৰপৰা সাধাৰণ বিষয়ক অতিক্রম কৰি যোৱা দৈৱ সত্তাৰ লগত ইয়াৰ সম্বন্ধ আছে। ধর্ম কেৱল সকলো মূল্যৰ কেন্দ্র বা উৎস হিচাপে এটা অতীন্দ্রিয় সত্তাৰ ওপৰত থকা বিশ্বাস নহয়। ই হ'ল সেই সত্তাৰ প্রতি আবেগিক সহাৰি আৰু ইচ্ছাকৃত প্রতিক্রিয়া, ব্যক্তি এজনৰ জীৱনক এনে সত্তাৰ সৈতে ঐক্যবদ্ধ আৰু সমন্বিত কৰিবৰ বাবে তেওঁৰ সমগ্র জীৱনৰ সমাযোজন।



অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** খালী ঠাই পূৰণ কৰা

(ক) Religion শব্দটো লেটিন ভাষাৰ..... শব্দৰ পৰা আহিছে

**প্ৰশ্ন নং ২ ঃ** হেগেলৰ মতে ধর্মৰ সূত্ৰটো কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৩ ঃ** শ্লিয়াৰমেকাৰৰ মতে ধর্মৰ সাৰসত্বা কি?

.....

.....

.....

.....

## ২.৫ ধর্ম আৰু নৈতিকতা

নৈতিকতা হ'ল জীৱনৰ এনে এটা দিশ, যাক সাধাৰণভাৱে আৰু সঠিকভাৱে ধর্মৰ আটাইতকৈ ঘনিষ্ঠ বুলি গণ্য কৰা হয়। এই কথাটো পোনপটীয়াভাৱে স্বীকাৰ কৰা হয় যে ধার্মিক লোক এজন নৈতিকভাৱেও এজন ভাল মানুহ হোৱা উচিত। "নৈতিকতা" শব্দটো নীতি-নিয়মৰ এক পদ্ধতিক বুজোৱা অর্থত গ্ৰহণ কৰিব পৰা যায়, যাৰদ্বাৰা আমাৰ কার্য্যসমূহক ভাল বা বেয়া, শুদ্ধ বা ভুল হিচাপে আমি বিচাৰ কৰো। "ধর্ম" শব্দটোক স্বতঃস্ফূর্ত্তভাৱে অনুভূত কোনোধৰণৰ অসীমতা প্ৰাপ্তিৰ বাবে মানুহৰ সচেতন আকাংক্ষাৰ অর্থত গ্ৰহণ কৰিব পৰা যায়। যিহেতু ধর্ম হ'ল এক আদর্শ প্ৰাপ্তিৰ বাবে মানুহৰ সচেতন আকাংক্ষা, গতিকে ই স্বাভাৱিকতে ক্ৰিয়াকলাপক অন্তর্ভূক্ত কৰে। সেয়েহে এই কার্য্যসমূহক ভাল বা বেয়া হিচাপে বিচাৰ কৰাটো নৈতিকতাৰ কাম। গতিকে য'তেই ধর্ম অন্তভূক্ত হৈ থাকে, তাতেই নৈতিকতাও সন্নিবিষ্ট হৈ থাকে। ধার্মিক আৰু তাৰ লগে লগে নৈতিক হোৱাটোও মানুহৰ প্ৰকৃতিৰ মাজত অন্তর্নিহিত হৈ থাকে।

এতিয়া প্ৰশ্ন হ'ল ধর্ম আৰু নৈতিকতাৰ মাজৰ যথার্থ সম্পর্কটো কি? নৈতিকতা আৰু ধর্মৰ সম্বন্ধটো বিস্তৃতভাৱে আলোচনা কৰা হয় আৰু বহুসংখ্যাক ভিন ভিন মতামত আগবঢ়োৱা হয়। ধর্ম নৈতিকতাৰ পূর্ববর্ত্তী নে নৈতিকঅ ধর্মৰ পূর্ববর্তী এই প্ৰশ্নটোৰ ক্ষেত্ৰত একপ্ৰকাৰৰ মতবিৰোধ থকা দেখা যায়। এটা মত অনুসৰি, ধর্মৰ পৰাই নৈতিকতা আহিছে, আনহাতে অন্য এটা মতৰ

মতে ধর্ম নৈতিকতাৰপৰা আহিছে। আকৌ অন্য কিছুসংখ্যক লোকে কয় যে, নৈতিকতা আৰু ধর্ম দুয়োটা ভিন ভিন উৎসৰ পৰা আহিছে। তথাপি অন্য এটা মতে ধর্মক নৈতিকতাৰ সৈতে একে বুলি কৈছে। ধর্ম আৰু নৈতিকতাৰ মাজত থকা যথার্থ সম্বন্ধ সম্পর্কে সাধাৰণভাৱে গ্রহণযোগ্য কোনো মত নাই।

ডেকার্ট, লক আৰু পেলেৰ মতে ধর্ম হ'ল নৈতিকতাৰ উৎস। নৈতিকতা ধর্মৰপৰা উৎপত্তি হয়। ধর্মই নৈতিকতাক পূর্বৱর্তীতা কৰে আৰু উৎপন্ন কৰে। আমাৰ সকলো নৈতিক ধাৰণা, যেনে শুদ্ধ বা অশুদ্ধ, ভাল বা বেয়া আচৰণ, কর্তব্য আৰু বাধ্যবাধকতাৰ অনুভৱক বিশ্বজগতৰ সৃষ্টিকর্তা আৰু নৈতিক শাসনকর্তা হিচাপে ঈশ্বৰৰ অস্তিত্ব সম্পর্কে থকা ধর্মীয় বিশ্বাসৰ মাজত বিচাৰি পাব পৰা যায়। ঈশ্বৰে যিটো আদেশ কৰে সিয়ে শুদ্ধ আৰু ঈশ্বৰে যিটো নিষিদ্ধ কৰে সেইটো ভুল। অন্যভাৱে কবলৈ গ'লে, ঈশ্বৰে তেওঁৰ ইচ্ছা অনুসৰি নৈতিকতা সৃষ্টি কৰিছে। কার্য্যসমূহ শুদ্ধ বা ভুল হয় কেৱল তেওঁৰদ্বাৰা আদেশ নাইবা নিষিদ্ধ কৰা বাবেহে।

কিন্তু কিছুমান বিশেষ অসুবিধাৰ বাবে নৈতিকতা ধর্মৰ পৰা অহা মতটোক গ্রহণ কৰিব পৰা নাযায়। যদি নৈতিক শুদ্ধতা বা অশুদ্ধতা ঈশ্বৰৰ নিজস্ব ইচ্ছাৰ ওপৰত নির্ভৰশীল হয়, তেন্তে কোনো কার্য্যকে স্বাভাৱিকভাবে শুদ্ধ বা ভুল বুলি গ্রহণ কৰিব পৰা নাযায়। ইয়াৰ উপৰিও এনেকুৱা বহুসংখ্যাক ধর্ম আছে যিসমূহে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰে যদিও নৈতিকতাক বিশ্বাস কৰে। সেয়েহে যদি ঈশ্বৰ ধর্মৰ বাবে অপৰিহার্য্য নহয়, তেন্তে ই নৈতিকতাৰ বাবে অপৰিহার্য্য হয় নে নহয় এইটো সন্দেহযুক্ত।

ধর্ম নৈতিকতাৰপৰা অহা মতটো কান্ট, মার্টিনিউ, মেথিউ আর্ণল্ড আদিৰ দৰে কিছুমান বিখ্যাত চিন্তাবিদে উত্থাপন কৰে। তেওঁলোকে বিশ্বাস কৰে যে নৈতিকতা হ'ল ধর্মৰ উৎস। কাণ্টৰ মতে, নৈতিকতাই মানুহক ধর্মলৈ আগুৱাই লৈ যায়। যেতিয়া সদাচাৰে সুখ প্রদান কৰে জীৱনত তেতিয়াহে নৈতিকতাৰ মূল্য থাকিব পাৰে। এই কথাষাৰ গ্রহণ কৰিবলৈ হ'ল আমি ঈশ্বৰৰ অস্তিত্বক পূর্বে মানি লব লাগিব, যাক নৈতিকতাৰ স্বীকার্য্য বুলি গণ্য কৰা হয়।

মাটিনিউৰ মতে, যিটো শুদ্ধ সেইটো কৰাটো আমাৰ বাবে বাধ্যতামূলক। বাধ্যবাধকতাক বুজায়। নৈতিক কর্তৃত্বৰ চূড়ান্ত উৎস হ'ল ঈশ্বৰ। যিটো শুদ্ধ সেইটো কৰাৰ বাবে আৰু যিটো ভুল সেইটো কৰাৰ পৰা বিৰত থাকিবৰ বাবে আমি ঈশ্বৰৰ প্রতি থকা নৈতিক বাধ্যবাধকতাৰ অধীন।

বাস্তবিকতে এইটো সত্য যে, নৈতিকতা আৰু ধর্ম অতি ঘনিষ্ঠভাৱে জড়িত। কিন্তু এইটোৱে নুবুজায় যে এটা আনটোৰ ওপৰত নির্ভৰশীল।

অন্য এটা মতামতে ধর্ম আৰু নৈতিকতাক দুটা বেলেগ বেলেগ উৎসলৈ লৈ গৈছে। কিন্তু ইহঁতৰ পৰৱর্তী স্তৰত কিবা প্রকাৰে ইহঁত সংযুক্ত হয়। ভয়ৰ আবেগৰপৰা ধর্ম উদ্ভূত হয়। এই ভয় হৈছে প্রকৃতিৰ ৰহস্যময় ঘটনাসমূহৰ অন্তৰালত লুকাই থকা কিছুমান ৰহস্যপূর্ণ শক্তিৰ প্রতি ভয়। এই শক্তিসমূহক সন্তুষ্ট কৰিবলৈ আৰু সেইসমূহৰ অনুগ্রহক জয় কৰিবলৈ কৰা মানুহৰ

প্ৰচেষ্টাৰপৰাই ধর্মৰ উদ্ভৱ হৈছিল বুলি বিশ্বাস কৰা হয়। আৰু মানুহৰ সামাজিক উপযোগিতাৰ সচেতনতাবোধৰ পৰা নৈতিকতাৰ উদ্ভৱ হৈছিল। মানুহে উপলব্ধি কৰা দেখা গৈছিল যে নির্দ্দিষ্ট কিছুমান কার্য্যই সুখ প্রদান কৰে, আনহাতে আন কিছুমান কার্য্যই সমাজখনক অনৈক্যতালৈ লৈ যায়, সমাজত মতানৈক্যৰ সৃষ্টি কৰে। যিহেতু ধর্মীয় আৰু নৈতিক ক্রিয়াকলাপসমূহ সমাজ আৰু ব্যক্তিৰ বাবে উপযোগী বুলি উমান পোৱা গৈছিল সেয়েহে ইহঁত সংযুক্ত হৈ পৰিছিল। এইদৰে নৈতিকতা আৰু ধর্ম মানুহৰ জীৱনত ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল।

উপৰোক্ত মতামতে কিন্তু নৈতিকতা আৰু ধর্মৰ মাজত থকা প্রকৃত সম্বন্ধক বাখ্যা কৰাত অসফল হৈছে। ই নৈতিকতা আৰু ধর্ম উভয়ৰে অপৰিহার্য্য প্রকৃতিক অগ্রাহ্য কৰে। নিসন্দেহে নৈতিকতা সমাজৰ বাবে উপযোগী, কিন্তু আমাৰ কর্তব্য আৰু বাধ্যবাধকতাৰ সকলো নৈতিক চেতনাক সামাজিক প্রয়োজনীয়তাৰ ফলাফল হিচাপে ধৰি লোৱাটো ভুল। ঠিক তেনেদৰে ধর্মৰ এক স্পষ্ট বিশ্লেষণে দেখুৱায় যে ভয়ৰ অনুভূতিয়ে এক অসীম সত্ত্বা হিচাপে ঈশ্বৰ সম্পর্কীয় আমাৰ ধাৰণাক বাখ্যা কৰিব নোৱাৰে।

আৰ. বি. ব্রেইথৱেটে মত প্রদান কৰে যে ধর্ম নৈতিকতাৰ সৈতে একে। তেওঁ কয় যে ধর্ম আৰু নৈতিকতা অপৰিহার্য্যভাৱে এক। একমাত্র পার্থক্যটো হৈছে, ধর্মৰ ক্ষেত্রত এক নৈতিক কর্মপন্থাৰ ওচৰত আত্মসমর্পন কৰাৰ সংকল্প লোৱাৰ উপৰিও মানুহে সাধুকথাৰে আহলাদিত কৰে। সেয়েহে, সাধুকথাসমূহক বাদ দিলে ধর্ম নৈতিকতাৰ বাহিৰে আন একো নহয়।

কিন্তু ধর্ম আৰু নৈতিকতাৰ এনে সাদৃশ্যকৰণক গ্রহণ কৰিব পৰা নাযায়। নৈতিকতা আৰু ধর্ম কেবল এক নিশ্চিত ধৰণে আচৰণ কৰিবলৈ লোৱা সংকল্প নহয়। ইয়াত সংকল্পতকৈ অধিক অন্য কিবা থাকিবই লাগিব।

নৈতিকতাই ধর্মৰ পূর্বৱর্তীতা কৰিব নোৱাৰে নাইবা ধর্মইও নৈতিকতাৰ পূর্বৱর্তীতা কৰিব নোৱাৰে- এই মতটোৱেই সত্য বুলি প্রতীয়মান হয়। সিহঁত একে নহয় নাইবা সম্পূর্ণভাৱে বেলেগও নহয়। যদি আমি নৈতিকতা আৰু ধর্মৰ প্রকৃত উৎসৰ বিষয়ে অনুসন্ধান কৰো, আমি গম পাম যে দুয়োটাই এটা সদৃশ্য বা সাধাৰণ আচৰণৰ পৰাই উদ্ভূত হৈছে। সিহঁত উভয়ে পৰম শ্রেয়ৰ লগত জড়িত। কিন্তু ধর্ম অধিক ব্যাপক, যিহেতু ই অন্য অন্য মূল্যসমূহ যেনে সুন্দৰ, সত্য আৰু শিৱকো অন্তর্গত কৰে।

চমুকৈ কবলৈ গ'লে, আমি অসীমতা সম্পর্কে থকা আমাৰ সচেতনতাৰপৰা ধর্ম আৰু নৈতিকতাক বাখ্যা কৰিব পাৰো। ই নৈতিকতা আৰু ধর্মৰ মাজত থকা ঘনিষ্ঠ সম্বন্ধকো বাখ্যা কৰে। এজন প্রকৃত ধার্মিক মানুহ নৈতিক হ'বই আৰু এজন প্রকৃত নৈতিক মানুহ ধার্মিক হ'বই। ধর্ম নৈতিকতাৰ বাবে প্রয়োজনীয় আৰু নৈতিকতা ধর্মৰ বাবে প্রয়োজনীয়। নৈতিকতাবিহীন ধর্ম হৈছে অন্ধ কুসংস্কাৰ। ধর্মই নৈতিকতাক উচ্চস্তৰলৈ উন্নীত কৰে আৰু পূর্ণতালৈ লৈ যায়।

নৈতিকতাই ধর্মৰ মাজত ইয়াৰ উর্ধতম স্তৰত উপনীত হয় আৰু ধর্মই নৈতিকতাৰ মাজত ইয়াৰ প্রকাশ বিচাৰি পায়। এনেদৰে নৈতিকতা আৰু ধর্ম অতি ঘষ্ঠিভাৱে সম্পর্কিত।

সেয়েহে উপৰোক্ত আলোচনাৰপৰা এইটো প্রতিফলিত হয় যে ধর্ম আৰু নৈতিকতা উভয়ে মানুহৰ আধ্যাত্মিক জীৱনৰ ক্ষেত্রত এটা আনটোৰ সাৰথি। সিহঁত অতি অন্তৰংগভাৱে সংযোজিত আৰু এটাই আনটোৰ অবিহনে অপূর্ণ।

## ২.৬ ধর্ম আৰু কলা

ধর্ম হ'ল পৰম সত্তাৰ প্রতি মানুহৰ সর্বাংগীন সঁহাৰি। সেয়েহে ই জ্ঞান, কর্ম আৰু অনুভূতি- এই তিনিওটা মানসিক প্রক্রিয়াকে সামৰি লয়। কলা হ'ল আদর্শ সম্বন্ধে, মূখ্যত সুন্দৰৰ আদর্শৰ বিষয়ে মানুহৰ অনুসন্ধানৰ অপূর্ব প্রকাশ। ইয়াৰ কাম হ'ল ইন্দ্রিয়জাত গঠন, বৰণ আৰু শব্দত সৌন্দর্যক আকাৰযুক্ত কৰা।

আমাৰ প্রধান প্রশ্ন বা সমস্যাসমূহ হ'ল ধর্মই সম্পূর্ণৰূপে কলাৰপৰা স্বাধীন হ'ব পাৰে নেকি? অথবা ধর্মৰপৰা স্বতন্ত্রভাৱে কলাক পাব পৰা যায় নেকি?

ধর্মই কেতিয়াও সম্পূর্ণৰূপে কলাৰ পৰা স্বতন্ত্র হ'ব নোৱাৰে, কাৰণ কলাই বহুতো উচ্চস্তৰীয় সাংস্কৃতিক অভিব্যক্তিক সামৰি লয় যিসমূহৰ অবিহনে কোনো সভ্যতাপূর্ণ জীৱন সম্ভৱ নহয়। কলাই সংগীত, পদ্য, নৃত্য সাহিত্য, ভাস্কর্য্য আদি সামৰি লয়। কোনো কোনো প্রকাৰৰ কলা অবিহনে ধর্মই অবিৰতভাৱে আগু�ৱাই যাব নোৱাৰে। আনকি মছজিদ এটাও নিমিচ্ছুত হয় ইয়াৰ নিজস্ব সৌন্দর্য্যপূর্ণ গুম্বজ, চূড়া আৰু চিলিঙৰ দ্বাৰা।

আমাৰ পৰৱর্তী প্রশ্নটো হ'ল ধর্ম অবিহনে কলা সমৃদ্ধিশালী হ'ব পাৰে নেকি অর্থাৎ ধর্মৰ পৰা স্বতন্ত্রভাৱেই আগু�ৱাই যাব পাৰে? ধর্ম অবিহনে কলাৰ অর্থ হ'ল নৈতিক আৰু আধ্যাত্মিক মূল্যবিহীন কলা। কলাৰ কার্য্য হ'ল সৌন্দর্য্য প্রকাশ কৰা আৰু যদি সৌন্দর্য্যৰ অর্থ অপৰিহার্য্যভাৱে আধ্যাত্মিক হয়, আমি কলা আৰু ধর্মৰ মাজত এটা ঘনিষ্ঠ সম্বন্ধ বিচাৰি পাম বুলি আশা কৰিব পাৰো। কিছুমান অতি উদগনিপূর্ণ কাব্য, ভাস্কর্য্য, পুৰাতত্ত্ব সম্পর্কীয় অৱশিষ্টক ধর্মৰদ্বাৰা পবিত্র বুলি স্বীকৃতি প্রদান কৰা হয়। আদিম কালৰেপৰা ধর্ম আৰু কলাই একেলগে আগুৱাই গৈছে।

কিন্তু ধর্ম আৰু কলাক ইটোক সিটোৰপৰা পৃথক কৰিব লাগিব। কলাক ধর্মৰ মাজত সীমাবদ্ধ কৰিব পৰা নাযায়। কলাই ঈশ্বৰৰ গুণ কীর্তন কৰাৰ মাজতে সীমাবদ্ধ হৈ থাকিব নোৱাৰে। বর্তমান সময়ত ধর্ম আৰু কলাক কিছু পৰিমাণে ইটোক সিটোৰপৰা বিচ্ছিন্ন কৰা হয়। কলাৰ নিজস্ব স্বকীয়তাৰ বাবে একপ্রকাৰৰ চাহিদা এই কথাষাৰৰ মাজত প্রকাশ পায় "কলা কলাৰ বাবে"। কলাৰ সৃষ্টিশীল প্রচেষ্টাক কেৱল ইয়াৰ নিজস্ব মানদণ্ডৰদ্বাৰা বিচাৰ কৰিব লাগিব, নৈতিক বা ধর্মীয় মানদণ্ডৰদ্বাৰা নহয়।

কলাৰ স্বকীয়তাৰ বাবে আগবঢ়োৱা ইয়াৰ চাহিদা সম্বন্ধে আমি এটা কথা মানি লব

পাৰো যে ই হ'ল আপেক্ষিক স্বকীয়তা, চৰম স্বকীয়তা নহয়। সত্য, শিৱ আৰু সুন্দৰ এই তিনিটা মূল্যৰ মাজত কোনো চূড়ান্ত অসমন্বয়তা থাকিব নোৱাৰে। প্ৰকৃত কলা অপৰিহাৰ্যভাৱে ধৰ্মীয় প্ৰকৃতিৰ হয়, যদিও ই ধৰ্মৰ ঠাই অধিকাৰ কৰিব নোৱাৰে। সত্যতা শিৱৰ দৰেই সুন্দৰ । ধৰ্মৰ বাবে কলা প্ৰয়োজনীয়। ঠিক তেনেদৰে কলাৰ বাবে ধৰ্ম প্ৰয়োজনীয়, যিটোৱে মানুহক সকলো প্ৰকাৰৰ সৃষ্টিশীল প্ৰেৰণাৰ চূড়ান্ত উৎসলৈ লৈ যাবলৈ সক্ষম হয়। এনেদৰে কলা আৰু ধৰ্ম পৰস্পৰে ইটোৱে সিটোৰ ওপৰত নিৰ্ভৰশীল।

## ২.৭ ধৰ্ম আৰু বিজ্ঞান

ব্যাপক অৰ্থত বিজ্ঞান শব্দটোৱে যিকোনো ধৰণৰ বৌদ্ধিক অনুসন্ধানৰ যিকোনো পদ্ধতিগত জ্ঞানক সামৰি লয়। কিন্তু সাধাৰণভাৱে বিজ্ঞানক পৃথিৱীৰ কিছুমান বিশেষ বিভাগ বা শাখাৰ পদ্ধতিমূলক অনুসন্ধান বুলিহে বুজা যায়। এনেদৰে ই হ'ল বিশ্বজগতৰ এটা নিৰ্দিষ্ট অংশৰ অধ্যয়ন যিয়ে প্ৰকৃতি জগতক সামৰি লয়।

ধৰ্ম গঠিত হয় অনন্ত ঈশ্বৰৰ ওপৰত থকা বিশ্বাস আৰু তেওঁৰ প্ৰতি থকা সন্মানসূচক ভয়, শ্ৰদ্ধা, প্ৰত্যয়, প্ৰেম আৰু স্বইচ্ছিত ভক্তিমূলক কৰ্ম, আত্মসমৰ্পন তথা পূজা-উপাসনাৰদ্বাৰা। ধৰ্ম ব্যক্তিগত আৰু সামাজিক মূল্যৰ সৈতে জড়িত। ই বিষয়গত আৰু আদৰ্শগত।

ধৰ্ম আৰু বিজ্ঞান উভয়েই মানুহৰ সত্য সম্বন্ধীয় অনুসন্ধানক প্ৰতিনিধিত্ব কৰে। সত্যতা প্ৰাপ্তিৰ বাবে সিহঁতৰ প্ৰত্যেকৰে নিৰ্দিষ্ট ভংগী বা পদ্ধতি আছে। আধ্যাত্মিক মূল্য তিনিটা হ'ল সত্য, শিৱ আৰু সুন্দৰ। বিজ্ঞান মূলতঃ সত্যৰ সৈতে জড়িত। কিন্তু ধৰ্ম সত্য, শিৱ আৰু সুন্দৰ এই তিনিওটা আধ্যাত্মিক মূল্যৰ লগত জড়িত। বিজ্ঞান বস্তুগত আৰু নৈৰ্ব্যক্তিক।

বিজ্ঞান আৰু ধৰ্মৰ মাজত থকা সঠিক সম্বন্ধটো সাৱধানতাৰে পৰীক্ষাকৈ কৰিলে বিজ্ঞান ধৰ্মৰ বিপৰীত হয় নে নহয় এই প্ৰশ্নটো ভালদৰে সমাধান কৰিব পৰা যায়। এই দুটাৰ মাজত থকা সাদৃশ্যতা আৰু বৈসাদৃশ্যতাসমূহ বিবেচনা কৰা হওক।

**ধৰ্ম আৰু বিজ্ঞানৰ মাজত সাদৃশ্যতা ঃ**

বুৰঞ্জীয়ে দেখুৱায় যে ধৰ্ম আৰু বিজ্ঞানৰ বিকাশৰ আদি স্তৰত ইহঁত একে আছিল। আনকি গ্ৰীচদেশীয় সোণালী যুগত বিজ্ঞান আৰু ধৰ্মীয় চিন্তাই একেলগে গতি কৰিছিল। মধ্যযুগৰ ক'পাৰনিকাচ আৰু ৰ'গাৰ, বেকন প্ৰভৃতি বিজ্ঞানৰ পথ প্ৰদৰ্শকসকল সাধু-সন্ন্যাসী আছিল।

**ধৰ্ম আৰু বিজ্ঞানৰ মাজত বৈসাদৃশ্যতা ঃ**

ধৰ্ম আৰু বিজ্ঞানৰ পৃথকীকৰণৰ বিষয়টো গীৰ্জাসমূহে গ্ৰহণ কৰিছিল। সোতৰ -ওঠৰ শতিকাত ধৰ্ম আৰু বিজ্ঞানৰ মাজত একপ্ৰকাৰৰ নীৰৱ বুজা বুজি হৈছিল যিটোৱে বিজ্ঞানলৈ ভৌতিক পৃথিৱীখনক ধাৰ্য্য কৰিছিল। ধাৰ্মিক আৰু আধ্যাত্মিক জগতখন ধৰ্মৰ লগত ৰৈ গৈছিল। এইটো প্ৰায় স্বতঃসিদ্ধ হৈ পৰিছিল যে বিজ্ঞান ধৰ্মৰ বিপৰীত।

**ধর্ম আৰু বিজ্ঞানৰ সমন্বয়জনিত সম্বন্ধ ঃ**

কিন্তু বর্তমান সময়ত বিজ্ঞান আৰু ধর্মৰ সীমাবদ্ধতাৰ ক্ষেত্রত প্রসাৰিত জ্ঞানৰ বাবে বিজ্ঞান আৰু ধর্ম সম্পর্কীয় বিৰোধ মতবাদসমূহ হ্রাস পোৱা বুলি কব পাৰি। বিজ্ঞান আৰু ধর্মই মানুহৰ সত্য সম্বন্ধীয় অনুসন্ধানৰ বিভিন্ন বিভাগসমূহ পৃথক পৃথকভাৱে উপস্থাপন কৰিব পাৰে কিন্তু বিজ্ঞান আৰু ধর্মৰ মাজত বিবাদ থাকিব নোৱাৰে। বিজ্ঞানৰ নামত যি শিক্ষা দিয়া হয় আৰু সমভাৱে ধর্মৰ নামত যি শিক্ষা দিয়া হয় তাৰ মাজত বিবাদ থাকিব পাৰে কিন্তু বিজ্ঞান আৰু ধর্মৰ মাজত কোনো বিবাদ থাকিব নোৱাৰে। বিজ্ঞান আৰু ধর্মৰ মাজত বিবাদ সম্ভৱ হ'ব পাৰে যেতিয়া ধর্মই ইয়াৰ নিজৰ পৰিসৰ আৰু দৃষ্টিভংগী বর্জন কৰে আৰু জগতখনৰ এটা বৈজ্ঞানিক বা তথ্যগত ব্যাখ্যা প্রদান কৰিব বিচাৰে অথবা যেতিয়া বিজ্ঞানে ইয়াৰ নিজস্ব সীমাক অতিক্রম কৰে আৰু ইয়াৰ নিজৰ সীমিত দৃষ্টিভংগীক সামগ্রিকভাৱে এক সত্য সম্পর্কীয় বস্তুগত বা প্রকৃতিগত দর্শনলৈ পৰিবর্তিত কৰে।

আমি এক মূহুর্ত্তৰ বাবেও কব নোৱাৰো যে বিজ্ঞান আৰু ধর্মৰ মাজত কোনো পাৰস্পৰিক ক্রিয়া থাকিব নোৱাৰে। বিজ্ঞানে মানুহৰ জীৱনলৈ অপর্য্যাপ্ত পৰিমাণে অৱদান আগবঢ়াইছে যিসমূহ ধর্মই কেবল ইয়াৰ সংকটৰ মূহুর্ত্ততহে অগ্রাহ্য কৰিব পাৰে। ধর্মই নতুন বৈজ্ঞানিক জ্ঞানৰ সৈতে মিলিত হ'ব পাৰে আৰু হোৱাটো উচিত। আৰু ধর্মই ইয়াৰ ধর্মীয় মতবাদসমূহ প্রয়োজন অনুসৰি শুধৰোৱা উচিত। অভিজ্ঞতা হ'ল চূড়ান্তভাৱে এক আৰু অবিভক্ত আৰু জ্ঞান হ'ল বিভিন্ন অংগৰে সমৃদ্ধ এক সামূহিক গোট। বিজ্ঞান আৰু ধর্মৰ মাজৰ পাৰস্পৰিক ক্রিয়াকলাপসমূহ সেয়েহে ঘনিষ্ঠ হ'বলৈ বাধ্য। ইহঁত যিহেতু বায়ুনিৰুদ্ধ কোঠালিৰ মাজত আবদ্ধ গতিকে সিহঁতক পৃথক পৃথককৈ ৰাখিব পৰা নাযায়। ধর্মই আন্তৰিকতাৰে স্বীকাৰ কৰিব লাগিব যে বিজ্ঞানে বিশ্বজগত আৰু পৰোক্ষভাৱে ঈশ্বৰক শুদ্ধকৈ বুজাৰ ক্ষেত্রত এক অতি মূল্যবান অৱদান আগবঢ়াই আহিছে। এইদৰে বিজ্ঞান আৰু ধর্মই পাৰস্পৰিকভাৱে ইটোৱে সিটোৰ সৈতে ক্রিয়া কৰে।

**ধর্ম আৰু বিজ্ঞানৰ সীমাবদ্ধতা ঃ**

কিন্তু বিজ্ঞান আৰু ধর্মৰ পাৰস্পৰিক ক্রিয়াই ইহঁত দুয়োটাৰ মাজত থকা পার্থক্য সম্পর্কে আমাক অন্ধ কৰি নোতোলে। বিজ্ঞান আৰু ধর্মই সত্যৰ সন্মুখীন হ'বলৈ সম্পূর্ণভাৱে বেলেগ বেলেগ পদ্ধতি অৱলম্বন কৰে। ধর্মীয় দৃষ্টিভংগী স্পষ্টভাৱে ব্যক্তিগত। ই নিশ্চিতভাৱে ইয়াৰ চাহিদা সৃষ্টিৰ বাবে আৰু কিছুমান ব্যক্তিগত ইচ্ছা-আকাংক্ষা পুৰণৰ বাবে জগতত আগুৱাই যায়। ই সত্যৰ প্রকৃতিক ব্যক্তিগত আৰু সামাজিকূল্যৰ আধাৰত বাখ্যা কৰে। আনহাতে, বৈজ্ঞানিক দৃষ্টিভংগী সম্পূর্ণৰূপে নৈর্ব্যক্তিক। "ই জীৱনৰ কোনো বাস্তৱ ঘটনাৰ ওপৰত কোনো আবেগিক মূল্য স্থিৰ নকৰে। বৈজ্ঞানিকে শিৱ আৰু সুন্দৰ -এই মূল্যসমূহ প্রত্যাখ্যান কৰে যিহেতু এইসমূহ তেওঁৰ উদ্দেশ্যৰ লগত সংঘতিপূর্ণ নহয়। আৰু তেওঁ নিজকে যিটো কেবল বস্তুগতভাৱে সত্য সেইটো মূল্যৰ অনুসন্ধানৰ সৈতে নিজকে জড়িত কৰি ৰাখে।"

বিজ্ঞানে কৱল আমাৰ বোধশক্তিকহে আকর্ষণ কৰে, ধর্মই মানুহৰ সমগ্র দিশ স্পর্শ

কৰে। ই বৌদ্ধিক সন্তুষ্টিৰ বাহিৰেও বিস্ময়, শ্রদ্ধা আদিকো আৱির্ভূত কৰে।

বিজ্ঞান প্রকৃত বা সত্যৰ লগত আৰু ধর্ম আদর্শৰ সৈতে জড়িত। ইয়াৰ উপৰিও, বিজ্ঞানে সামগ্রিক সত্যতাতকৈ যিকোনো বিষয় বা ঘটনাৰ ক্ষেত্রতে সত্যতাৰ এক নির্দিষ্ট বিভাগৰ সৈতেহে সম্পর্কিত হৈ থাকে। ই মূল্যৰপৰা পৃথকভাৱে প্রকৃততা বা যথার্থতাৰ লগতহে জড়িত। কিন্তু ধর্মই কয় যে জগতখনে এক পূর্ণতাৰ আদর্শক ধৰি ৰাখিছে। যিটো হয় আৰু যিটো হোৱা উচিত- ধর্ম এই দুয়োটাৰে লগত জড়িত।

বিজ্ঞানৰ কাম হৈছে বিশ্বজগতক বাখ্যা কৰা আৰু ধর্মৰ কাম হ'ল ইয়াক বর্ণনা বা বিশ্লেষণ কৰা। এজন যন্ত্রকাৰে যন্ত্র এটাৰ গঠনপ্রণালীক দেখুৱাই ইয়াৰ গঠন সম্পর্কে ব্যাখ্যা কৰিব জানিব পাৰে কিন্তু একে সময়তে কি উদ্দেশ্যত যন্ত্রটো নিযুক্ত কৰা হৈছে তাক অনুমান কৰিবলৈ সম্পূর্ণৰূপে অক্ষম হ'ব পাৰে। গতিকে কব পৰা যায় যে যন্ত্র কাৰজনে ইয়াৰ কার্য্যপ্রণালীৰ বাখ্যা কৰিব পাৰে কিন্তু ইয়াৰ অর্থ বিশ্লেষণ কৰিব নোৱাৰে। সেয়েহে বিজ্ঞানে বিশ্বজগতৰ বাখ্যা কৰে, কিন্তু বিশ্বজগতৰ কোনো ধৰণৰ বিশ্লেষণ বা বর্ণনা বিজ্ঞানে অন্তর্ভূক্ত নকৰে। আনহাতে, ধর্মই অস্তিত্বসম্পর্কীয় মূল্যসমূহ অধ্যয়ন কৰে আৰু ইয়াৰ অর্থ নি:সৰণ কৰে।

এইদৰে দেখা যায় যে, বিজ্ঞান আৰু ধর্মৰ ক্ষেত্র দুখন যথেষ্ঠ পৃথক। সেয়েহে ইহঁতৰ ইটো-সিটোৰ মাজত কোনো মধ্যস্থতা নথকাকৈ উভয়কে একেখন ক্ষেত্রৰ মাজত ৰাখিবলৈ অনুমতি দিব পৰা নাযায়। ধর্ম আৰু বিজ্ঞানক সাধাৰণভাৱে এটাক আনটোৰ মাজত অন্তর্ভূক্ত কৰিব পৰা নাযায়। ধর্মই ইয়াৰ স্বতন্ত্র দৃষ্টিভংগী আৰু অদ্বিতীয় অন্ত: দৃষ্টিক ধৰি ৰাখিবই লাগিব।

## ২.৮ ধর্ম আৰু দর্শন

"ধর্ম" শব্দটো সাধাৰণভাৱে স্বজ্ঞাৰদ্বাৰা অনুভূত কোনো প্রকাৰৰ অসীমতা প্রাপ্তিৰ বাবে মানুহৰ সচেতন আকাংক্ষাক বুজোৱা অর্থত গ্রহণ কৰিব পৰা যায়।

"দর্শন" শব্দটো সামগ্রিকভাৱে জগতখনৰ এক বৌদ্ধিক বাখ্যা কৰিবলৈ কৰা মানুহৰ প্রচেষ্টাৰ অর্থত গ্রহণ কৰিব পৰা যায়। ই বিশ্বজগতৰ সাধাৰণ গঠন সম্পর্কে আৰু ইয়াৰ সৈতে মানুহৰ সম্বন্ধ সম্পর্কে এক প্রকৃত অন্ত: দৃষ্টি পাবলৈ বিচাৰে।

দর্শন আৰু ধর্মৰ সঠিক সম্বন্ধৰ বিষয়ে দুটা ভিন্ন মত আছে। ইয়াৰ এটা মতে কয় যে দর্শন আৰু ধর্ম অভিন্ন। আনহাতে, আনটো মত অনুসৰি, ধর্ম আৰু দর্শন হ'ল মানুহৰ মনৰ পৃথক পৃথক মনোভাৱ, যাৰ মাজত কোনো সাধাৰণ মিল নাই।

কিছুমান দার্শনিকে মত পোষণ কৰে যে দর্শন আৰু ধর্ম জীৱন আৰু অধ্যয়নৰ সম্পূর্ণ দুটা বেলেগ বেলেগ ভংগীমা। সিহঁতৰ মাজত থকা মূল পার্থক্যসমূহ এনেধৰণৰ-

দর্শন হ'ল বোধশক্তি সম্পন্ন। ই সকলো যুক্তিসংগত বিষয়ৰ লগত জড়িত দর্শনে আমাক ঈশ্বৰপ্রাপ্তি নকৰায়। ই কেৱল ঈশ্বৰৰ অস্তিত্ব সম্পর্কীয় যুক্তিসমূহ আমাক প্রদান কৰে। ধর্ম হ'ল

কম-বেছি পৰিমাণে এক অনুভূতি আৰু ব্যৱহাৰিক অভিজ্ঞতাৰ বিষয়।

ধর্ম হ'ল সৰল বিশ্বাস আৰু আনন্দ বা সুখৰ বিষয়। ধর্মৰ ক্ষেত্ৰত আমি ভক্তিৰ বিষয়বস্তুৰ লগত আধ্যাত্মিক সংযোগৰদ্বাৰা লীল হৈ থাকো। দর্শনত আমি আধ্যাত্মিক সুখ-আনন্দ সমন্বয়তাক ভংগ কৰো আৰু ইয়াক এক গভীৰ চিন্তা-চর্চাৰ বিষয় হিচাপে ৰূপ দিও।

ধর্মৰ ক্ষেত্ৰত ধর্মৰ অনুশীলনৰ তুলনাত ধর্মীয় মতবাদসমূহ গৌণ। দর্শনত অত্বিক উপাদান ঊর্ধতম।

অৱশেষত ইয়াকে কব পৰা যায় যে যদিও দার্শনিকসকল ধার্মিক আৰু ধার্মিক ব্যক্তি দার্শনিক হ'ব পাৰে তথাপি ধর্মীয় মানসিকতা স্পষ্টভাৱে বেলেগ। ই কর্মৰদ্বাৰা নিয়ন্ত্রিত হয়। ধর্মীয় মানসিকতা আবেগ- অনুভূতিৰদ্বাৰা বেছি পৰিমাণে আপ্লুত হয়, আৰু ই চূড়ান্ত সত্যতাৰ প্রতি দর্শনৰ লেহেমীয়া অগ্রগতিৰ সৈতে ধৈর্য্যশীল নহয়।

তথাপি কিছুমান দার্শনিকে মত প্রকাশ কৰে যে দর্শন আৰু ধর্ম হুবহু একে। এই মতটোৰ মূখ্য পৃষ্ঠপোষক হ'ল হেগেল। তেওঁৰ মতে, দর্শনৰ বিষয়বস্তু, প্রয়োজনীয়তা আৰু আগ্রহে এনে কোনো বস্তুক প্রকাশ কৰে যাৰ ধর্মৰ লগত মিল আছে আৰু এই ভিত্তিতেই দর্শন আৰু ধর্ম একে হ'ব পাৰে। আকৌ, ধর্ম আৰু দর্শনৰ বিষয়বস্তু একে, যেনে, সনাতন সত্যৰ বস্তুনিষ্ঠ ৰূপ, যি হ'ল ঈশ্বৰ।

কিন্তু আমি কব লাগিব যে, যদিও দর্শন আৰু ধর্মৰ মাজত বহুপৰিমাণে সাদৃশ্যতা আছে তথাপি সিহঁতক হুবহু একে বুলি গণ্য কৰিব পৰা নাযায়। প্রত্যেকটো বিকশিত ধর্মত এক সুগভীৰ দর্শন থাকিবই লাগিব যাল ওপৰত ধর্মৰ ব্যৱহাৰিক ভংগীমা নির্ভৰশীল হৈ থাকে, কিন্তু তথাপিও দুয়োটা হুবহু একে নহয়।

দর্শন আৰু ধর্মই প্রত্যেকে প্রত্যেকক অৱদান যোগাবৰ 'বাবে দুয়োটা বিষয়ৰে কিছুমান মূল্যবান বস্তু আছে। দর্শনে ধর্মক ই পাবলৈ বিচৰা শুভতাৰ সন্দর্ভত সূসমদর্শী হ'বলৈ শিকাব পাৰে। আনহাতে ধর্মই দার্শনিকক সোঁৱৰাই দিব পাৰে যে দার্শনিক হোৱাৰ আগত বা পিছতো তেওঁ হ'ল এজন দায়িত্বশীল নৈতিক ব্যক্তি।

এনেদৰে ওপৰৰ আলোচনাৰ পৰা সামৰণিত কব পৰা যায় যে ধর্ম আৰু দর্শন সম্পূর্ণৰূপে পৃথক নাইবা সম্পূর্ণৰূপে সদৃশ্যও নহয়। দর্শন ধর্মৰ লগত ঘনিষ্ঠভাৱে সম্পর্কিত।

## ২.৯ ধর্মৰ পৰিধি

ধর্মৰ পৰিধি বা পৰিসৰৰদ্বাৰা আমি ইয়াৰ বিষয়বস্তুৰ বিস্তৃতিক বুজো আৰু অন্য ভাষাৰে ক'বলৈ গ'লে ধর্মৰ লগত সম্বন্ধিত বিষয়সমূহক বুজা যায়।

এক সর্বোত্তম সত্তা, যি বিশ্বজগতৰ সৃষ্টিকর্তা, পালনকর্তা আৰু নৈতিক শাসনকর্তা তেওঁৰ প্রতি থকা মানুহৰ বিশ্বাস আৰু তাৰ লগতে তেওঁৰ প্রতি মানুহৰ মনত থকা বিস্ময়, শ্রদ্ধা,

বিশ্বাস, প্ৰেম আৰু স্বত: প্ৰণোদিত ভক্তি, উৎসৰ্গকৰণ আৰু উপাসনাৰ মাজত ধৰ্ম নিহিত হৈ থাকে। সেয়েহে ধৰ্মই মানুহৰ বিশ্বাস, ভাৰ, অনুভূতি আৰু ইচ্ছা আৰু ইয়াৰ লগত সম্বন্ধিত অন্য অন্য বিষয় যেনে মানুহৰ আচৰণ, ব্যৱহাৰ, ধৰ্মীয় সচেতনতা ইত্যাদিৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰে।

ধৰ্ম মূখ্যত সমীমতা অৰ্থাৎ মানৱ আৰু অসীমতা অৰ্থাৎ ঈশ্বৰৰ মাজত থকা ঐক্যতাৰ লগত জড়িত। ঈশ্বৰ আৰু মানুহৰ মাজত যথেষ্ট পৰিমাণে সাদৃশ্য আছে। যদিও ঈশ্বৰ আৰু মানুহৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক বিদ্যমান আৰু যোগাযোগৰহিত। ঈশ্বৰৰ ধাৰণাটো অসাধাৰণতা বা উৎকৃষ্টতা, মহানতা, অবৰ্ণনীয় মহিমা, পবিত্ৰতা ইত্যাদিৰ সৈতে জড়িত। সেয়েহে ধৰ্মই ঈশ্বৰৰ ধাৰণা আৰু প্ৰকৃতি, ঈশ্বৰৰ আলৌকিক আৰু নৈতিক গুণ আৰু তেওঁৰ কাৰ্য্যকলাপৰ বিষয়ে আলোচনা কৰে।

ঈশ্বৰৰ ধাৰণাই আমাক ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় প্ৰশ্নটোলৈ লৈ যায়। ধৰ্ম ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে আগবঢ়োৱা বিভিন্ন যুক্তি যেনে সত্তামূলক, বিশ্বতত্ত্বমূলক, উদ্দেশ্যমূলক, নৈতিক আৰু অন্য কিছুমান যুক্তিৰ লগত জড়িত।

ঈশ্বৰ উপলব্বিক সাধাৰণতে মানুহৰ উচ্চাকাংক্ষা বুলি গণ্য কৰা হয়। মানুহে ঈশ্বৰ প্ৰাপ্তিৰ বাবে বিভিন্ন উপায় বা পথ অনুসৰণ কৰে। এই পথসমূহ হ'ল ভক্তি, কৰ্ম বা দিব্য সেৱা, জ্ঞান বা বৌদ্ধিক জ্ঞান আৰু ৰহস্যময় অন্তঃপ্ৰজ্ঞা। ধৰ্মৰ কাম হ'ল এই পথসমূহক ব্যাখ্যা কৰা আৰু যি পথে মানুহক তেওঁৰ লক্ষ্যলৈ লৈ যায় সেই পথসমূহ ঈশ্বৰ প্ৰাপ্তিৰ বাবে বিশ্বাসযোগ্য পথ হিচাপে স্পষ্ট কৰা।

মানুহৰ মাজত সন্নিবিষ্ট হৈ থকা ধৰ্মীয় উপাদানসমূহ অনিবাৰ্য্যভাৱে একে কিন্তু মানুহে অনুসৰণ কৰা বিভিন্ন ধৰ্মীয় ক্ৰিয়াপদ্ধতি, ধৰ্মীয় সিদ্ধান্ত, উপাসনা পদ্ধতি, ধৰ্মমতসমূহ একে নহয়। সেয়েহে পৃথিৱীৰ বিভিন্ন মহান ধৰ্মসমূহ যেনে বৌদ্ধধৰ্ম, জৈনধৰ্ম, হিন্দুধৰ্ম, ইছলাম ধৰ্ম, খ্ৰীষ্টান ধৰ্ম, শিখধৰ্ম আদিৰ মাজত ধৰ্মীয় ক্ৰিয়া পদ্ধতি সম্বন্ধীয় পৰ্থক্যসমূহ অস্তিত্বশীল হৈ আছে। এই সকলোবোৰ মহান ধৰ্মই ধৰ্মৰ পৰিসৰৰ মাজত অন্তৰ্ভূক্ত হয় । এইদৰে ধৰ্মই পৃথিৱীৰ মহান ধৰ্মসমূহে প্ৰদান কৰা প্ৰধান মতবাদসমূহ, ধৰ্মমত, ধৰ্মীয় সিদ্ধান্ত, ধৰ্মীয় তত্ত্বসমূহৰ বিষয়ে আলোচনা কৰে। ধৰ্মৰ কিছুমান নিৰ্দিষ্ট মৌলিক স্বীকাৰ্য্য আছে যেনে, ব্যক্তিত্ব, যুক্তি বা বুদ্ধি, ইচ্ছাৰ স্বাধীনতা আৰু আত্মাৰ অমৰত্ব। ধৰ্মই সেয়েহে নিজকে এই মৌলিক স্বীকাৰ্য্যসমূহৰ আলোচনাৰ লগতে জড়িত কৰি ৰাখে। ধৰ্ম শব্দটো সাধাৰণতে মন্দিৰ, গীৰ্জা, মছজিদ, প্ৰাৰ্থনা, ধৰ্মীয় উপদেশ, উৎসৱ পাৰ্বন আদিৰদ্বাৰা গঠিত গোট এটাৰ লগত জড়িত আৰু এই সকলোবোৰ ধাৰণা ধৰ্মৰ পৰিধিৰ মাজত অন্তৰ্ভূক্ত হয়।

সাধু-সন্ত আৰু ধৰ্মপ্ৰচাৰকসকলে কোনো কোনো সময়ত ঈশ্বৰ সম্বন্ধীয় ধৰ্মীয় অভিজ্ঞতা লাভ কৰে। সেঅ অভিজ্ঞতাসমূহ কেতিয়াবা ভাষা আৰু প্ৰতীকৰদ্বাৰা প্ৰকাশিত হয়। ধৰ্মই বিভিন্ন ধৰণৰ ধৰ্মীয় অভিজ্ঞতা, ধৰ্মীয় প্ৰতীক আৰু সাধুপুৰুষ তথা ধৰ্মপ্ৰচাৰকসকলৰ ধৰ্মীয় বিবৃতিসমূহৰ

প্ৰকৃতি সম্বন্ধে আলোচনা কৰে।

মানৱ আত্মাই বন্ধনৰপৰা ৰেহাই পোৱাৰ অন্য এটা নাম হৈছে মুক্তি। আক্ষৰিকভাৱে ই জন্ম-মৃত্যুৰ অন্তহীন চক্ৰৰপৰা আঁতৰি অহাকে বুজায়। সমীম জীৱৰ চূড়ান্ত লক্ষ্য হ'ল মুক্তি লাভ বা ঈশ্বৰৰ আধ্যাত্মিক উপলব্ধি। সেয়েহে ধৰ্মই বিভিন্ন ধৰ্মই পোষকতা কৰা মুক্তি বা মোক্ষৰ প্ৰকৃতিৰ আলোচনাৰপৰা পৃথক হৈ থাকিব নোৱাৰে। ইয়াৰ উপৰিও ধৰ্ম অন্যান্য ধৰ্মীয় তত্ত্ব যেনে, অৱতাৰ তত্ত্ব অৰ্থাৎ পৃথিৱীলৈ ঈশ্বৰৰ অৱৰোহণ, অলৌকিক তত্ত্ব অৰ্থাৎ দুৰ্বোধ্য ঘটনা, জন্মান্তৰবাদ, আত্মাৰ দেহত্যাগ আৰু নতুন দেহত প্ৰৱেশ ইত্যাদিৰ লগত জড়িত।

যদিও ধৰ্মৰ নিৰ্দিষ্ট পৰিসৰৰ আলোচ্য বিষয়বস্তু আছে তথাপি ইয়াৰ মূল লক্ষ্য হ'ল ধৰ্মৰ উচ্চতম আদৰ্শৰ এক সূত্ৰ প্ৰদান কৰিবলৈ প্ৰচেষ্টা কৰা, যাৰদ্বাৰা সকলো ধৰ্মৰে মূল্যাংকণ কৰিব পৰা যায়। এই প্ৰচেষ্টাত ধৰ্মই পৰোক্ষভাৱে বিভিন্ন সমস্যাৰ সৈতে জড়িত হ'বলগীয়া হয় যিবোৰ সমস্যা প্ৰকৃতিগতভাৱে মনস্তাত্ত্বিক, দাৰ্শনিক, সমাজদাৰ্শনিক আৰু নৈতিক সমস্যা। ধৰ্মই জড়িত হৈ থকা মনস্তাত্ত্বিক সমস্যাসমূহ হ'ল বিশ্বাস, ভৰসা আৰু আস্থাৰ প্ৰকৃতি। দাৰ্শনিক সমস্যাসমূহ হ'ল মানুহৰ ব্যক্তিত্বৰ প্ৰকৃতি, পৰম সত্তাৰ সৈতে তেওঁৰ সম্বন্ধ। ধৰ্মৰ সৈতে সম্বন্ধৰ সৈতে জড়িত হৈ থাকে। নৈতিক সমস্যাসমূহ জীৱনৰ লগত জড়িত মানৱীয় মূল্যসমূহৰ লগত জড়িত।

এইদৰে কব পৰা যায় যে বিভিন্ন ধৰ্মীয় ধাৰণা আৰু অভিজ্ঞতাসমূহৰ উপৰিও ধৰ্ম অন্যান্য বহুতো সমস্যাৰ লগত জড়িত। সেয়েহে ইয়াৰ পৰিসৰ অতি ব্যাপক।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** 'নৈতিকতা' শব্দটোৰদ্বাৰা কি বুজা যায়?

.....

.....

.....

.....

**প্ৰশ্ন নং ৫ ঃ** 'ধৰ্ম' শব্দটোৱে কি বুজায়?

.....

.....

.....

.....

**প্ৰশ্ন নং ৬ ঃ** 'বিজ্ঞান'ৰ সাধাৰণভাৱে বোধগম্য অৰ্থ কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৭ ঃ** 'দৰ্শন' শব্দটোৰদ্বাৰা কি বুজা যায়?

.....

.....

.....

.....



## ২.১০ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- 'Religion' শব্দটো লেটিন শব্দ 'Religare' ৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল বান্ধি ৰখা।
- ধৰ্মৰ প্ৰকৃতিৰ ক্ষেত্ৰত কিছুমান দাৰ্শনিকে মানুহৰ প্ৰকৃতিৰ মাজত থকা বুদ্ধি বা যুক্তিৰ উপাদানটোৰ ওপৰত, কিছুমানে অনুভূতিৰ উপাদানটোৰ ওপৰত আৰু অন্য কিছুমানে ইচ্ছাৰ উপাদানটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কিন্তু ধৰ্মই মানুহৰ প্ৰকৃতিৰ বুদ্ধি, অনুভূতি আৰু ইচ্ছা, এই তিনিওটা উপাদানকেই সামৰি লয়।
- 'ধৰ্ম' শব্দটোক কোনো ধৰণৰ অসীমতা প্ৰাপ্তিৰ বাবে স্বতঃস্ফূৰ্ত্তভাৱে অনুভূত মানুহৰ সচেতন উচ্চাকাংক্ষাৰ অৰ্থত গ্ৰহণ কৰিব পৰা যায়। 'নৈতিকতা' শব্দটোক নীতি-নিয়মৰ এটা পদ্ধতিক বুজোৱা অৰ্থত গ্ৰহণ কৰিব পৰা যায় যাৰদ্বাৰা আমাৰ কাৰ্য্যসমূহক ভাল বা বেয়া, শুদ্ধ বা ভুল হিচাপে আমি বিচাৰ কৰো। ধৰ্ম আৰু নৈতিকতাৰ সম্বন্ধটোৰ ক্ষেত্ৰত ধৰ্ম নৈতিকতাৰ পূৰ্বৱৰ্তী নে নৈতিকতা ধৰ্মৰ পূৰ্বৱৰ্তী এই বিষয়ে একপ্ৰকাৰৰ মতবিৰোধ পৰিলক্ষিত হয়। আকৌ অন্য কিছুমানে কয় যে দুয়োটাই ভিন ভিন উৎসৰপৰা আহিছে। কিছুমানৰ মতে দুয়োটা একে। দৰাচলতে ধৰ্ম আৰু নৈতিকতা বহু ঘনিষ্ঠভাৱে জড়িত। ইহঁত জীৱনৰ আধ্যাত্মিক প্ৰেক্ষাপটত ইটো সিটোৰ সাৰথি।
- কলা হ'ল আদৰ্শ সম্বন্ধে, মূখ্যত 'সুন্দৰ' নামৰ আদৰ্শৰ বিষয়ে মানুহৰ অনুসন্ধানৰ অপূৰ্ব প্ৰকাশ। যদিও ধৰ্ম আৰু কলা- ইটোৰপৰা সিটো পৃথক ইহঁত প্ৰত্যেকে প্ৰত্যেকৰ পৰা স্বাধীন।

- সাধাৰণতে বিজ্ঞানক পৃথিৱীৰ কিছুমান বিশেষ বিভাগ বা শাখাৰ পদ্ধতিগত অনুসন্ধান ৰূপে বুজা যায়। ধর্ম আৰু বিজ্ঞানে মানুহৰ সত্ত্বা সম্পৰ্কীয় অনুসন্ধানক বুজায়। সত্ত্বাৰ ওচৰলৈ আগবাঢ়ি যাবৰ বাবে ইহঁত দুয়োটাৰে নির্দিষ্ট উপায় বা পদ্ধতি আছে।
- 'দর্শন' শব্দটোক সামগ্রিকভাৱে জগতখনৰ এক বৌদ্ধিক ব্যাখ্যা প্রদান কৰিবলৈ কৰা মানুহৰ প্রচেষ্টাৰ অর্থত গ্রহণ কৰিব পৰা যায়।

  কিছুমান দার্শনিকে কয় যে ধর্ম আৰু দর্শন ভিন্ন। আনহাতে অন্য কিছুমানে কয় যে দুয়োটা একেই। ধর্ম আৰু দর্শন ভিন্নও নহয় নাইবা অভিন্নও নহয়, কিন্তু ইহঁত প্রত্যেকে প্রত্যেকৰ লগত ঘনিষ্ঠভাৱে জড়িত।
- ধর্মৰ পৰিধি বা পৰিসৰৰদ্বাৰা আমি ইয়াৰ বিষয়বস্তুৰ বিস্তৃতিক বুজো অর্থাৎ ধর্মৰ লগত সম্বন্ধিত বিষয়সমূহক বুজা যায়।
- ঈশ্বৰ হ'ল ধর্মৰ বিষয়বস্তু অর্থাৎ ঈশ্বৰৰ প্রকৃতি আৰু ধাৰণা, ঈশ্বৰৰ অলৌকিক আৰু নৈতিক গুণ আদি ধর্মৰ বিষয়। ভক্তিমার্গ, কর্মমার্গ, জ্ঞানমার্গ, ৰহস্যবাদী অন্তঃপ্রজ্ঞা আদি বিভিন্ন পথসমূহ, যিসমূহক মানুহে ঈশ্বৰ প্রাপ্তিৰ বাবে অনুসৰণ কৰে সেইসমূহ পথৰ বিষয়েও ধর্মত আলোচনা কৰা হয়।
- পৃথিৱীৰ মহান ধর্মসমূহ যেনে, বৌদ্ধধর্ম, জৈনধর্ম, হিন্দুধর্ম, ইছলাম ধর্ম, খ্রীষ্ঠানধর্ম, শিখধর্ম আদি ধর্মৰ পৰিসৰৰ ভিতৰত পৰে।
- ধর্মই ইয়াৰ পৰিধিৰ ভিতৰত কিছুমান নির্দিষ্ট মৌলিক স্বীকার্য্যক অন্তর্ভূক্ত কৰে যেনে, ব্যক্তিত্ব, যুক্তি, ইচ্ছাৰ স্বাধীনতা আৰু আত্মাৰ অমৰত্ব।
- ধর্মীয় অভিজ্ঞতা, ধর্মীয় প্রতীক আৰু সাধুপুৰুষ আৰু ধর্মপ্রচাৰকসকলৰ ধর্মীয় বিবৃতিসমূহ ধর্মৰ পৰিসৰৰ ভিতৰলৈ আহে।
- ধর্মই পৰোক্ষ ভাৱে বহুতো সমস্যাৰ লগত জড়িত হ'বলগীয়া হয় যিবোৰ প্রকৃতিগতভাৱে মনস্তগত্ত্বিত, দার্শনিক, সমাজ দার্শনিক আৰু নৈতিক।



## ২.১১ অধিক জানিবলৈ

১) ডঃ গিৰিশ বৰুৱা — 'ধর্ম দর্শন', ভগৱতী প্রকাশন

২) ধর্ম দর্শন — পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ধর্ম দর্শন — ডঃ ৰামনাথ শর্ম্মা, কেদাৰনাথ ৰামনাথ প্রকাশন, দিল্লী।



## ২.১২ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** Religare

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** হেগেলৰ মতে ধৰ্ম হ'ল "সমীম আত্মাই পৰমাত্মা হিচাপে নিজৰ স্বৰূপ সম্পৰ্কে লাভ কৰা জ্ঞান।"

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** শ্লিয়াৰমেকাৰৰ মতে, " ধৰ্মৰ সাৰমৰ্ম নিহিত থাকে ঈশ্বৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীলতাৰ অনুভূতিত।"

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** "নৈতিকতা" শব্দটো নীতি-নিয়মৰ এক পদ্ধতিক বুজোৱা অৰ্থত গ্ৰহণ কৰিব পৰা যায়, যাৰদ্বাৰা আমাৰ কাৰ্য্যসমূহক ভাল বা বেয়া, শুদ্ধ বা ভুল হিচাপে আমি বিচাৰ কৰো।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** 'ধৰ্ম' শব্দটোক স্বতঃস্ফূৰ্ত্তভাৱে অনুভূত কোনোধৰণৰ অসীমতা প্ৰাপ্তিৰ বাবে মানুহৰ সচেতন আকাংক্ষাৰ অৰ্থত গ্ৰহণ কৰিব পৰা যায়।

(ঘ)অশুদ্ধ (ঙ) শুদ্ধ (চ) শুদ্ধ

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** সাধাৰণভাৱে বিজ্ঞানক পৃথিৱীৰ কিছুমান বিশেষ বিভাগ বা শাখাৰ পদ্ধতিগত অনুসন্ধান হিচাপে বুজা যায়।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** "দৰ্শন" শব্দটো সামগ্ৰিকভাৱে জগতখনৰ এক বৌদ্ধিক ব্যাখ্যা কৰিবলৈ কৰা মানুহৰ প্ৰচেষ্টাৰ অৰ্থত গ্ৰহণ কৰিব পৰা যায়।



## ২.১৩ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** লেটিন শব্দ Religare কি বুজায়?

**প্ৰশ্ন ২ ঃ** Religion ৰ সংস্কৃত সমাৰ্থক শব্দ কি?

**প্ৰশ্ন ৩ ঃ** 'ধৃ' যে কি বুজায়?

**প্ৰশ্ন ৪ ঃ** 'আবেগযুক্ত নৈতিকতাৰ বাদে ধৰ্ম আন একো নহয়'- ধৰ্মৰ এই সূত্ৰটো কাৰ?

**প্ৰশ্ন ৫ ঃ** 'কলা' কি?

**প্ৰশ্ন ৬ ঃ** ধৰ্ম আৰু দৰ্শন অভিন্ন- এই মতটোৰ মুখ্য প্ৰবক্তা কোন?

**প্ৰশ্ন ৭ ঃ** ধৰ্মই নৈতিকতাৰ পূৰ্ববৰ্তীতা কৰে- এই মতটো কোনসকল দাৰ্শনিকে আগবঢ়াইছিল?

**প্ৰশ্ন ৮ ঃ** ধৰ্ম আৰু নৈতিকতা অভিন্ন- এই মতটো কোনে আগবঢ়াইছে?

**প্ৰশ্ন ৯ ঃ** ধৰ্মৰ পৰিধি বা পৰিসৰৰদ্বাৰা কি বুজা যায়?

**প্ৰশ্ন ১০ ঃ** কিহক সাধাৰণতে মানুহৰ উচ্চতম আকাংক্ষা বুলি ধৰা হয়?

**প্ৰশ্ন ১১ ঃ** মানুহে ঈশ্বৰ প্ৰাপ্তিৰ বাবে অনুসৰণ কৰা বিভিন্ন পথসমূহ কি কি?

**(খ ) চুটি প্রশ্ন ( ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্রশ্ন ১** ঃ ধর্মৰ প্রকৃতিৰ বিষয়ে এটা টোকা লিখা।

**প্রশ্ন ২** ঃ নৈতিকতাই ধর্মৰ পূর্ববর্তীতা কৰেণে? চমুকৈ লিখক।

**প্রশ্ন ৩** ঃ বিজ্ঞান আৰু ধর্মৰ মাজত কিবা বিৰোধ আছেনে?

**প্রশ্ন ৪** ঃ ধর্ম অবিহনে কলাৰ উন্নতি সম্ভৱনে? আলোচনা কৰা।

**(গ ) ৰচনাধর্মী প্রশ্ন ( ৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্রশ্ন ১** ঃ ধর্ম আৰু নৈতিকতাৰ মাজৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা।

**প্রশ্ন ২** ঃ ধর্ম আৰু কলাৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা।

**প্রশ্ন ৩** ঃ ধর্ম আৰু দর্শনৰ সম্বন্ধৰ বিষয়ে ব্যাখ্য কৰা।

**প্রশ্ন ৪** ঃ 'ধর্ম আৰু বিজ্ঞানৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰা।

*** ***** ***

# অধ্যায় - ৩ ঃ ধর্ম, দর্শন আৰু বিজ্ঞান

## অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ ধর্ম আৰু দর্শন
৩.৪ ধর্মদর্শন আৰু দর্শন
৩.৫ ধর্ম আৰু বিজ্ঞান
৩.৬ ধর্ম বিজ্ঞান
৩.৭ ধর্মদর্শন আৰু ধর্ম বিজ্ঞান
৩.৮ ধর্ম, দর্শন আৰু বিজ্ঞান
৩.৯ ভাৰতত ধর্ম, দর্শন আৰু বিজ্ঞানৰ আন্তঃ সম্পর্ক
৩.১০ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৩.১১ অধিক জানিবলৈ
৩.১২ অগ্রগতিৰ খতিয়ান
৩.১৩ আৰ্হি প্রশ্ন

## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ——

- ধর্ম আৰু দর্শনৰ সম্বন্ধ বর্ণনা কৰিব পাৰিব।
- ধর্মদর্শন সম্পর্কে ব্যাখ্যা দাঙি ধৰিব পাৰিব।
- ধর্ম আৰু বিজ্ঞানৰ সম্বন্ধ বর্ণনা কৰিব পৰিব।
- ধর্মদর্শন আৰু ধর্মবিজ্ঞানৰ বিশ্লেষণ কৰিব পাৰিব।
- ধর্ম, ধর্শন আৰু বিজ্ঞানৰ মাজত থকা আন্তঃ সম্বন্ধ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত ধর্মদর্শন আৰু বিজ্ঞানৰ সম্বন্ধ আলোচনা কৰিব পাৰিব।

## ৩.২ পৰিচয়

এই অধ্যায়টিত ধর্ম, দর্শন আৰু বিজ্ঞানৰ পৰিচয়া দাঙি ধৰা হৈছে। লগতে ধর্ম, দর্শন আৰু বিজ্ঞানৰ মাজৰ আন্তঃ সম্বন্ধৰ সম্পর্কেও আলোচনা কৰা হৈছে। ইয়াৰ লগত জড়িত 'ধর্ম দর্শন' আৰু 'ধর্ম বিজ্ঞান' ধাৰণাও দাঙি ধৰা হৈছে। ইয়াৰ উপৰি ভাৰতীয় দৃষ্টিভঙ্গীৰে ধর্ম, দর্শন আৰু বিজ্ঞানৰ বিষয়ে আলোচনা কৰা হৈছে।

মানুহৰ জ্ঞানৰ তিনিটা ভিন্ন প্রশাখা হৈছে, ধর্ম, ধর্মদর্শন আৰু বিজ্ঞান। মানৱ জ্ঞানৰ

প্ৰত্যেকটো শাখাৰে একো একোটা নিজা কাৰণ, যোগ্যতা আৰু কৰ্মক্ষেত্ৰ আছে। এই অধ্যায়টিৰ যোগেদি আপুনি ধৰ্মক, দৰ্শন আৰু বিজ্ঞানৰ সম্পৰ্কৰ জৰিয়তে আলোচনা কৰিব পাৰিব। গতিকে 'ধৰ্মদৰ্শন', যি ধৰ্মৰ দাৰ্শনিক আলোচনা আৰু 'ধৰ্মবিজ্ঞান', যি ধৰ্মৰ বৈজ্ঞানিক বিশ্লেষণ দুয়োটাই আমাৰ আলোচনাৰ ভিতৰলৈ আহিব।

ধৰ্ম, দৰ্শন আৰু বিজ্ঞান সম্পৰ্কে ভাৰতীয় ধাৰণা আমাৰ আলোচনাৰ আন এক গুৰুত্বপূৰ্ণ দিশ। ভাৰতবৰ্ষত ধৰ্ম, দৰ্সন আৰু বিজ্ঞান তিনিওটা ধাৰণাই ওতঃপ্ৰোত ভাৰে সম্পৰ্কিত হৈ আছে।

## ৩.৩ ধৰ্ম আৰু দৰ্শন

ধৰ্ম আৰু দৰ্শনৰ মাজৰ সম্বন্ধ আলোচনা কৰাৰ আগতে আপুনি 'ধৰ্ম' কি আৰু 'দৰ্শন' কি জানি লব লাগিব।

মানৱ কৰ্মৰ আটাইতকৈ আদিম অৱস্থাটোৱে হৈছে ধৰ্ম। বুৎপত্তিগত অনুসৰি ধৰ্মৰ অৰ্থ হৈছে একেলগে বান্ধি ৰখা। মানুহ আৰু ঈশ্বৰ, সসীম আৰু অসীমৰ মাজত থকা আন্তৰিক ঐক্য বা সম্পৰ্কৰ ওপৰতেই ধৰ্ম প্ৰতিষ্ঠিত।

দৰ্শন হৈছে সমগ্ৰ জগত সম্পৰ্কে এক যৌক্তিক আৰু বিচাৰভিত্তিক অধ্যয়ন। এনে এধ্যয়নত জগত আৰু জীৱনৰ সামগ্ৰিকতাৰ পৰিপ্ৰেক্ষিততে মানুহৰ স্থান আৰু মূল্য নিৰ্ধাৰণ কৰাটোও এক অপৰিহাৰ্য অংগ।

ধৰ্ম আৰু দৰ্শনৰ উদ্দেশ্য, সমস্যা, দৃষ্টিভংগী, পদ্ধতি আৰু কৰ্মৰ ক্ষেত্ৰত পাৰ্থক্য আছে। ধৰ্ম অভিজ্ঞতাৰ বস্তু কিন্তু দৰ্শন সম্পূৰ্নৰূপে বৌদ্ধিক। ধৰ্মৰ উদ্দেশ্য হৈছে জগতৰ প্ৰমূল্য সমূহৰ সংৰক্ষণ, কিন্তু দৰ্শনৰ উদ্দেশ্য হৈছে জগতৰ বৌদ্ধিক ব্যাখ্যা দিয়া। ধৰ্মীয় সমস্যা সমূহ মূলতঃ তাত্ত্বিক। সাধাৰণতে ধৰ্মৰ পদ্ধতি অন্ত প্ৰজ্ঞাত্মক অভিজ্ঞতা বা অধিবৌদ্ধিক অভিজ্ঞতা। কিন্তু দৰ্শনৰ পদ্ধতি মূলতঃ অধিকাল্পনিক, সংশ্লেষণাত্মক, দ্বান্দ্বিক, নিগমনাত্মক। এই পদ্ধতিসমূহক বিচাৰৰিষ্ঠ বিদ্যা হিচাপে ধৰা হয়। ওপৰোক্ত পাৰ্থক্যখিনি থকাৰ উপৰিও ধৰ্ম আৰু দৰ্শনৰ মাজত সাদৃশ্যও নোহোৱা নহয়। এতিয়া দুয়োটাৰে মাজত থকা ওতঃপ্ৰোত সম্পৰ্ক সম্বন্ধে আলোচনা কৰা হ'ব।



সংশ্লেষণাত্মক বিভিন্ন ধাৰণা, বিশ্বাস আদিক সংযোগ কৰা দ্বন্দ্বাত্মক দৰ্শনৰ এক পদ্ধতি য'ত সত্যৰ ধাৰণা যুক্তি পূৰ্ণভাৱে আৰু বিপৰীত ধাৰণাৰ সহায়ত আৱিস্কাৰ কৰা হয়

দৰ্শন আৰু ধৰ্ম দুয়োটাই এটা আনটোৰ পৰিপূৰক। যদিও দৰ্শন তত্ত্বগত আৰু ধৰ্ম ব্যৱহাৰিক, তথাপিও দুয়োটাৰে মাজত এক ওচৰ সম্পৰ্ক আছে কাৰণ তত্ত্ব অবিহনে ব্যৱহাৰিক মূল্য এক গুৰুত্বপূৰ্ণ মানসিক অপৰাধ বুলি ধৰা যায়। আকৌ ব্যৱহাৰিক মূল্য অবিহনে তত্ত্বজ্ঞান এক অন্ধ প্ৰবৃত্তি। অৰ্থাৎ এটাৰ অবিহনে আনটো অৰ্থহীন। দৰ্শন আৰু ধৰ্ম দুয়োটাই এজন ব্যক্তি বা এখন সমাজক এক উচ্চ পৰ্য্যায়লৈ উন্নীত কৰে। ধৰ্মই মূল্য সংৰক্ষিত কৰে আৰু ধৰ্শনে মানুহৰ বাবে শুদ্ধ মূল্য নিৰ্ধাৰণ কৰে। তাৰোপৰি সৰ্বশ্ৰেষ্ঠ সত্য দৰ্শন আৰু ধৰ্ম দুয়োটাৰ সন্মিলিত প্ৰচেষ্টাৰেহে লাভ কৰিব পাৰি। মেক্স মূলাৰে (Max Muller) তেওঁৰ "ধৰ্মৰ উৎপত্তি আৰু বিকাশ" (The Origin and Growth) নামৰ গ্ৰন্থখনত কৈছে - "যদি আমি ধৰ্মক দৰ্শনৰ

পৰা পৃথক কৰোঁ তেন্তে ধর্মক নিপাতিত কৰিব লাগিব; আকৌ যদি দর্শনক ধর্মৰ পৰা পৃথক কৰো তেন্তে দর্শনক ধ্বংস কৰিব লাগিব"।

## ৩.৪ ধর্ম দর্শন আৰু দর্শন

ধর্মৰ দার্শনিক আলোচনাই হ'ল ধর্মদর্শন। ধর্ম দর্শনে ধর্মৰ ক্ষেত্রত দার্শনিক সূত্র আৰু পদ্ধতি সমূহ প্রয়োগ কৰে। সাধাৰণ অর্থত ধর্ম এক আবেগিক অভিজ্ঞতা। ধর্ম দর্শনে সেই আবেগিক অভিজ্ঞতাক এক অধিকাল্পনিক (Speculative) স্তৰত আলোচনা কৰে। জর্জ গেলোৱেই (George Galloway) কৈছে - "ধর্মদর্শন হৈছে সাধাৰণ অর্থ আৰু মূল্য নিৰূপনৰ বাবে দার্শনিক চিন্তাক অভিজ্ঞতাৰ এক নির্দিষ্ট স্তৰত কৰা প্রয়োগ।"

দর্শন হৈছে ঘটনা আৰু প্রমূল্য সম্পর্কীয় এক প্রণালীবদ্ধ যৌক্তিক অধ্যয়ন কিন্তু ধর্ম হৈছে ঈশ্বৰ সম্পর্কীয় উপলব্ধিৰ এক বিশ্বাস। ঈশ্বৰ হৈছে সর্বশ্রেষ্ঠ প্রমূল্য যি সকলোকে সামৰি লয়। গতিকে ধর্মদর্শনৰ উদ্দেশ্য হৈছে ধর্ম স্মপর্কীয় অভিজ্ঞতা, নিয়ম আৰু সত্যৰ যথাসম্ভৱ ব্যাখ্যা দাঙি ধৰা।

ধর্মীয় অভিজ্ঞতাৰ ই এক বেদ্ধিক ব্যাখ্যা আৰু বিচাৰমূলক বিশ্লেষণ। ধর্ম দর্শনৰ কর্তব্য হৈছে ধর্মৰ পৰা সকলোধৰণৰ নির্বিচাৰ মূলক ধাৰণা আৰু অযৌক্তিকতাক অপকৰণ কৰি ধর্মক সংহত কৰা। তথাপিও দর্শনে ধর্মৰ মাজত থকা অধিবৌদ্ধিক উপাদান সমূহ ভালকৈ পৰীক্ষা কৰি নাচায়। তাৰোপৰি, ধর্মীয় অভিজ্ঞতা কেতিয়াও ধর্মীয় প্রতীক, চিত্র, সাদৃশ্য আদিৰ সহায় নোলোৱাকৈ ব্যাখ্যা কৰিব নোৱাৰি। গতিকে দর্শনে ধর্মীয় ভাষা আয়ত্ব কৰিব পাৰিলেহে ধর্মৰ প্রকৃত দার্শনিক ব্যাখ্যা দাঙি ধৰিব পাৰিব।

কাৰণতা ঃ কিবা বস্তুৰ কাৰণৰ সম্পর্ক।
ঈশ্বৰতত্ত্ব ঃ ঈশ্বৰ সম্পর্কে ধর্মীয় বিশ্বাসৰ অধ্যয়ন।

সাদৃশ্য ঃ তুলনা, সমান্তৰাল মিল বা তুলনা



**চিন্তা চর্চা কৰক - ৩.১**

১। ধর্ম আৰু দর্শনৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

উত্তৰঃ- .....

.....

.....

.....

.....

২। **ধর্ম দর্শন বুলিলে কি বুজা যায়? আলোচনা কৰক।**

উত্তৰ ঃ- .....

.....

.....

.....

.....



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১** ঃ ধর্ম কিহৰ ওপৰত প্রতিষ্ঠিত?

.....

.....

.....

.....

**প্রশ্ন নং ২** ঃ ধর্ম আৰু ধর্শন কি?

.....

.....

.....

.....

**প্রশ্ন নং ৩** ঃ সত্য নে অসত্য বিচাৰ কৰকঃ

(ক) ধর্ম আৰু দর্শনৰ উদ্দেশ্য, সমস্যা, দৃষ্টিভংগী, পদ্ধতি আৰু কর্মৰ ক্ষেত্রত পার্থক্য আছে।

(খ) ধর্ম আবেগিক কিন্তু দর্শন বৌদ্ধিক।

(গ) ধর্ম আৰু দর্শনৰ মাজত ওতঃ প্রোত সম্পর্ক নাই।

## ৩.৫ ধর্ম আৰু বিজ্ঞান

ধর্ম আৰু বিজ্ঞান হৈছে মানৱ জীৱনৰ দুটা ভিন্ন দিশ। ধর্মই মানুহৰ আবেগ আৰু বিশ্বাসক তৃপ্ত কৰে আৰু বিজ্ঞানে মানুহৰ বুদ্ধিক তৃপ্ত কৰে। সাধাৰণতে উদ্দেশ্য আৰু পদ্ধতিৰ ফালৰ পৰা ধর্ম আৰু বিজ্ঞান সম্পূর্ণ বিপৰীত। বিজ্ঞানৰ উদ্দেশ্য জ্ঞানধর্মী ৰু পদ্ধতি পৰীক্ষণমূলক, যি মানুহৰ অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল। বৈজ্ঞানিক অভিজ্ঞতা বুলিলে নিৰীক্ষণ, পৰীক্ষণ আৰু সত্যাপনীয়তা বা প্রমাণযোগ্যতাকে বুজায়। বিজ্ঞান হৈছে ইন্দ্রিয় অভিজ্ঞতাৰ ভিত্তিত পৰিদৃশ্যমান জগতৰ অধ্যয়ন। গতিকে বৈজ্ঞানিক দৃষ্টিকোণৰ ফালৰ পৰা প্রকৃত কাৰণ ভৌতিক হব লাগিব কিয়নো ইন্দ্রিয় অভিজ্ঞতাই কেৱল ভৌতিক বস্তুৰহে জ্ঞান দিব পাৰে। বৈজ্ঞানিক ব্যাখ্যাৰ ক্ষেত্রত কোনো ঐশ্বৰিক শক্তিৰ কল্পনা কৰা নহয়। আনহাতে ধর্ম বহুপৰিমানে ব্যক্তিগত বিশ্বাস, যাৰ লক্ষ্য হৈছে মানুহক বস্তুগত জীৱনৰ পৰা মুক্তি দিয়া।

বিজ্ঞান কার্যকাৰণ ধ্যান ধাৰণাৰ ওপৰত নির্ভৰশীল। আনহাতে ধর্ম নির্ভৰশীল উদ্দেশ্যমূলক ধ্যান ধাৰণাৰ ওপৰত। ঘটনাবোৰৰ মাজত কার্যকাৰণ সম্পর্ক স্থাপন কৰাতেই বিজ্ঞানৰ কাম শেষ হৈ যায়। ধর্মই জগতৰ কাৰণিক সম্পর্কক অতিক্রম কৰি উদ্দেশ্যৰ জগতত বিচাৰ কৰে। ধর্মই নৈতিক আৰু আধ্যাত্মিক উদ্দেশ্যাৰ ওপৰত গুৰুত্ব দিয়ে, যিয়ে এই জগতক পৰিচালনা কৰে বুলি বিশ্বাস কৰা হয়। বিজ্ঞানে ধর্মীয় বিশ্বাস আৰু বস্তুৰ নৈতিক আৰু আধ্যাত্মিক প্রমূল্যক প্রমাণ কৰিব নোৱাৰে। নৈতিক আৰু আধ্যাত্মিক প্রমূল্যৰ ক্ষেত্রত বিজ্ঞান অর্থহীন। সেইদৰে বৈজ্ঞানিক ব্যাখ্যাৰ ক্ষেত্রতো ধর্মীয় বিশ্বাস অর্থহীন। কিন্তু যদিও বিজ্ঞানে ধর্মীয় বিশ্বাসক প্রমাণ কৰিব নোৱাৰে, ই ধর্মীয় বিশ্বাসক অপ্রমানিত কৰিব পৰা নাই। গতিকে কেৱল বৈজ্ঞানিক ব্যাখ্যা সম্ভৱ নহয় বুলিয়েই আমি নৈতিক আৰু আধ্যাত্মিক অভিজ্ঞতাক একাষৰিয়া কৰি থব নোৱাৰো। আনকি এজন বৈজ্ঞানিকো, এজন ধর্মিক ব্যক্তি হব পাৰে যদি তেওঁৰ ধর্মীয় বা আধ্যাত্মিক অভিজ্ঞতা থাকে।

কিছুমান মানুহে ভাৰে যে ঈশ্বৰতত্ব এক বিজ্ঞান, কিন্তু ই প্রাকৃতিক বিজ্ঞানতকৈ পৃথক। ঈশ্বৰতত্বক ৰহস্যবাদী বিজ্ঞান বুলি কব পৰা যায়। কিছুমানৰ মতে ধর্মৰ বিষয়বস্তুক বিচাৰ কৰাৰ স্বত্ব বিজ্ঞানৰ নাই। মেক (Mack), অষ্টৱাল্ড (Ostwald), পইনকাৰে (Poincare), পার্ছন (Pearson) আদি বিজ্ঞানীয়ে ভাবে যে ধর্মীয় ধাৰণাইহে বিজ্ঞানৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা উচিত, কাৰণ ধর্মীয় মানসিকতাৰ এক সার্বজনীন দৃষ্টিভংগী আছে। এওঁলোকৰ মতে বিজ্ঞান ধর্মৰ এক অংশহে।

আকৌ, আন কিছুমানৰ মতে বিজ্ঞানৰ অগ্রগতিয়ে ধর্মবো বিকাশ ঘটাইছে বৈজ্ঞানিক উন্নতিয়ে মানুহৰ মানসিকতাত প্রভাৱিত কৰে আৰু বৈজ্ঞানিক মানসিকতাই ধর্মৰ পৰিশোধন আৰু পৰিবর্তন সম্ভৱ কৰি তোলে। ধর্মৰ উৎপত্তি বিজ্ঞানতকৈ আগতে হৈছে। ই সৰল বিশ্বাসৰ পৰিণাম। পিছলৈ বিজ্ঞানে এনে বিশ্বাসৰ আসোঁৱাহ সমূহ উলিয়াই তাক উন্নীত কৰে। কিছুমানে ভাৰে যে বহুদেৱতাৰ ধাৰণাৰ পৰা একেশ্বৰবাদী ধাৰণালৈ মানুহৰ যি উত্তৰণ, সি বিজ্ঞানৰ দ্বাৰেই

বহুদেৱতাবাদ ঃ এজনতকৈ বেছি দেৱতাক বিশ্বাস, পূজা।
একেশ্বৰ বাদ ঃ এজন ঈশ্বৰত বিশ্বাস।

জন কেয়ার্ড ঃ
(ঈশ্বৰতত্ব বিদ)
ডিচেম্বৰ ১৫, ১৮২০
জুলাইত ১৮৯৮
উল্লেখযোগ্য কিতাপ
ধর্ম দর্শনৰ ভূমিকা

সম্ভৱ হ'ল। আইনষ্টাইনে কৈছিল "Science without religion is lame, religion without Science is blind" যাৰ অর্থ হ'ল ধর্মবিহীন বিজ্ঞান খোৱা, বিজ্ঞান বিহীন ধর্ম অন্ধ।

যদিও ভৱা যায় যে বিজ্ঞান আৰু ধর্ম সম্পূর্ণ বিপৰীত, প্রকৃততে উভয়ৰে মাজত বিৰোধ বা সংঘাটৰ কোনো থল নাই। কিয়নো উভয়ৰে বিষয়বস্তু আৰু পৰিসৰ অতিশয় সুস্পষ্ট। সংঘাটৰ সূচনা হয় যেতিয়া এটাই আনচোৰ বিষয়ক্ষেত্রত হস্তক্ষেপ কৰে। সেয়ে এ. এন হোৱাইটহেডে (A.N. Whitehead) কৈছে, "আমি কিমান দূৰ বিজ্ঞান আৰু ধর্মৰ শক্তিসমূহৰ সমতা বজাই ৰাখিম তাৰ ওপৰতেই মানব জাতিৰ সভ্যতাৰ ভবিষ্যত নির্ভৰ কৰে।"

## ৩.৬ ধর্ম বিজ্ঞান

পূর্বৰ খণ্ড সমূহত আমি ধর্ম, দর্শন আৰু বিজ্ঞান সম্পর্কে কিছু কথা জানিলো লগতে তিনিওৰে মাজত থকা আন্তঃ সম্পর্ক সম্বন্ধেও সম্যক জ্ঞান হ'ল। এই খণ্ডটিত ধর্ম বিজ্ঞান সম্পর্কে শিকিম। ধর্ম বিজ্ঞান সম্পর্কে মেক্সমপলাৰে আগবঢ়োৱা মতৰ বিষয়ে আলোচনা কৰা হ'ব। তেওঁৰ মতে মানুহৰ মনে ক্ষুদ্র আৰু ভীত অৱস্থাৰ পৰা বোধগম্যৰ বাহিৰত থকা বস্তুক বোধগম্য বুলি আৱিস্কাৰ কৰা বিষয়কে ধর্মবিজ্ঞানৰ উদ্দেশ্য বুলি চিহ্নিত কৰা যায়। ধর্মবিজ্ঞানক তেওঁ ভাষা বিজ্ঞানৰ সৈতে তুলনা কৰিছে।

বিজ্ঞানৰ উদ্দেশ্য যিহেতু কিছুমান সূত্র প্রণয়ন কৰা, এতেকে ধর্ম সম্পর্কে কিছুমান সার্বিক সূত্র প্রণয়ন কৰাত ধর্মবিজ্ঞান আগ্রহী। ধর্মবিজ্ঞানে আলোচনা কৰা প্রশ্নসমূহ হ'ল - ধর্ম কি? ধর্ম কেনেকৈ সম্ভৱ? ধর্মৰ ধাৰণা মানুহৰ মনলৈ কেনেকৈ আহিল আৰু বিস্তৰিত হ'ল? ধর্ম কেনেকৈ বিকশিত হৈ আজিৰ ৰূপ পালে? ইত্যাদি। এই প্রশ্নসমূহৰ উত্তৰ বিচাৰিবৰ কাৰণে ধর্মবিজ্ঞানে ধর্মৰ ইতিহাস অধ্যয়ন কৰিব লগীয়া হয়। ধর্ম বিজ্ঞানে বিভিন্ন ধর্মৰ উৎপত্তি আৰু বিকাশ, বিভিন্ন ধর্মত ঈশ্বৰৰ স্থান, কিছুমান ধর্মৰ বিলুপ্তিৰ কাৰণ আদি অধ্যয়ন কৰে। ই কোনো এটা বিশেষধর্ম সত্য নে অসত্য বিচাৰ নকৰে।

ধর্মবিজ্ঞানৰ অধ্যয়ন মনোবৈজ্ঞানিক সেয়ে ইয়াক ধর্মৰ মনোবিজ্ঞান বুলিও কব পৰা যায়। ধর্মবিজ্ঞানৰ পদ্ধতি অভিজ্ঞতাভিত্তিক আৰু আগমনাত্মক। যিহেতু ই নিৰীক্ষণৰ ওপৰত নির্ভৰশীল, ইয়াৰ সিদ্ধান্ত সমূহ সম্ভৱনামূলক। ধর্মবিজ্ঞানৰ অধ্যয়নৰ উৎস তিনিটা -

১) জীৱিত মানুহক ধর্ম সম্পর্কে কৰা নানা প্রশ্ন

২) নিজকে কৰা পৰীক্ষা

৩) ধর্মীয় পুৰুষৰ আত্মজীৱনী আৰু অন্যান্য লিখনি অধ্যয়ন।

তথাপিও দার্শনিক অনুসন্ধানৰ এক শাখা হিচাপে ধর্ম বিজ্ঞানৰ সম্ভাৱনীয়তাক লৈ প্রশ্ন উঠে। যিহেতু ধর্ম আৰু বিজ্ঞান মানৱজ্ঞানৰ দুটা ভিন্ন ভাগ, গতিকে বহুতো চিন্তবিদে ইয়াৰ সম্ভৱনা নুই কৰিছে। বিজ্ঞান ইন্দ্রিয় অভিজ্ঞতাৰ লগত জড়িত আনহাতে ধর্ম অতীন্দ্রিয় অভিজ্ঞতাৰ

লগত জড়িত। জন কেয়ার্ডে (John Caird) এই মত সমর্থন কৰিছে। কিন্তু তেওঁ এইটোও উল্লেখ কৰিছে যে ধর্মবিজ্ঞানৰ পৰা আমি এইখিনি বিচাৰো যাতে ই আমাক বিভিন্ন ধর্মই অধিকাৰ কৰা সত্যক পৰিমাপ কৰিবলৈ সামার্থ্য দিয়ে আৰু প্রতিটো ধর্মৰ অৱস্থান মূল্যক নিৰূপন কৰি, এটা ধর্মৰ লগত আন এটা ধর্মৰ সম্পর্কক নির্ধাৰণ কৰিব পাৰোঁ।



**চিন্তা চর্চা কৰক - ৩.২**

**১। ধর্ম আৰু বিজ্ঞানৰ মাজত সম্পর্ক আছেনে? আলোচনা কৰক।**

উত্তৰ ঃ- .....

.....

.....

**২। ধর্ম বিজ্ঞান সম্ভৱনে? আলোচনা কৰক।**

উত্তৰ ঃ- .....

.....

.....



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৪ ঃ** "বিজ্ঞানৰ অবিহনে ধর্ম খোৰা, ধর্ম অবিহনে বিজ্ঞান অন্ধ" - উক্তিটোৰ লগত জড়িত বৈজ্ঞানিক জনৰ নাম কি?

.....

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** কাৰ মতে বিজ্ঞান ধর্মৰ এক অংশ?

.....

.....

.....

.....

**প্ৰশ্ন নং ৬ ঃ** ধৰ্ম বিজ্ঞানৰ সিদ্ধান্ত নিৰীক্ষনৰ ওপৰত নিৰ্ভৰশীল - এইটো সত্যনে ?

.....

.....

.....

.....

## ৩.৭ ধৰ্ম দৰ্শন আৰু ধৰ্ম বিজ্ঞান

পূৰ্বৰ খণ্ড সমূহত ধৰ্ম আৰু ধৰ্ম বিজ্ঞান সম্পৰ্কে আলোচনা কৰাৰ পিছতে ধৰ্মদৰ্শন আৰু ধৰ্মবিজ্ঞানৰ পাৰ্থক্য সহজে উলিয়াব পৰা যাব। এই সম্পৰ্কে বহুলভাৱে আলোচনা কৰো আহক। আমি জানো যে সমাজত বাস কৰা মানুহৰ বাবে ধৰ্ম এক বিশ্বাস আৰু এই অৰ্থত ধৰ্মক এক সামাজিক প্ৰপঞ্চ হিচাপে ধৰা হয়। ধৰ্মবিজ্ঞানৰ কাম হৈছে মানৱ সমাজত ধৰ্মৰ উৎপত্তিৰ কাৰণ ব্যাখ্যা কৰা। ই ধৰ্ম আৰু ইয়াৰ প্ৰকৃতি, বিভিন্ন ধৰ্ম আৰু সমাজত প্ৰচলিত বিভিন্ন ধৰ্মৰ ভিন ভিন ধৰ্মীয় ৰীতি-নীতিৰ ব্যাখ্যা ডাঙি ধৰিবলৈ চেষ্টা কৰে। আকৌ ধৰ্ম দৰ্শন হৈছে ধৰ্মীয় অভিজ্ঞতাৰ যৌক্তিক আৰু সমালোচনামূলক বিশ্লেষণ। ই প্ৰচলিত ধৰ্মৰ মাজত থকা নিৰ্বিচাৰ মূলক আৰু অযৌক্তিক ধাৰণা সমূহ দূৰ কৰিবলৈ চেষ্টা কৰে। ইয়াৰ কৰ্তব্য হৈছে ধৰ্মক সংহত কৰা।

কেতিয়াবা ধৰ্মদৰ্শন আৰু ধৰ্ম বিজ্ঞানৰ সমাৰ্থক বুলি ধৰা হয়, কিন্তু ই সত্য নহয়, কাৰণ দুয়োটাই পৃথক ধাৰণা।

ধৰ্মবিজ্ঞান, আন বিজ্ঞানৰ দৰেই অভিজ্ঞতা ভিত্তিক আৰু আগমনাত্মক। ই জগতত প্ৰচলিত বিভিন্ন ধৰ্মক পৰীক্ষা কৰি ধৰ্ম সম্পৰ্কে এক সাধাৰণ ধাৰণা দিয়ে। ই এক বিশ্লেষাণাত্মক অধ্যয়ন। ই প্ৰতিস্থিত সকলো ধৰ্মকে আনকি জনজাতীয় ধৰ্মকো সাঙুৰি বিশ্লেষণ কৰে। ধৰ্মবিজ্ঞানে বিভিন্ন ধৰ্মৰ, বিভিন্ন ৰীতি-নীতি, ধৰ্মীয় বিশ্বাস, ধৰ্মীয় ভাষা আদি বিশ্লেষণাত্মক ব্যাখ্যা দাঙি ধৰে আৰু সেইবোৰৰ পৰা আকষ্মিক আৰু অপ্ৰাসংগিক উপাদানসমূহ অপসৰণ কৰিবলৈ চেষ্টা কৰে। গতিকে এনে বিশ্লেষণৰ বাবে ই ধৰ্মৰ ইতিহাস অধ্যয়ন কৰিবই লাগিব।

আনহাতে ধৰ্মদৰ্শনে আদৰ্শ ধৰ্ম কি হোৱা উচিত তাক আৱিস্কাৰ কৰিবলৈ চেষ্টা কৰে। ইয়াৰোপৰি ধৰ্মদৰ্শনৰ কিছমান বৈশিষ্ট্য আছে যিবোৰ আমি জনাৰ প্ৰয়োজন। ই ধৰ্মৰ পৰা, সাম্প্ৰদায়িকতা, গোড়ামি অন্ধবিশ্বাস আদি কেনেদৰে অপসৰণ কৰি এক সাৰ্বিক ধৰ্ম প্ৰতিষ্ঠা কৰিব পাৰি তাক অধ্যয়ন কৰে। সেইবাবে ধৰ্মদৰ্শনৰ অধ্যয়ন সমালোচনামূলক আৰু মূল্যায়ণমূলক হোৱা উচিত। ধৰ্মদৰ্শন এক সংশ্লেষমাত্মক অধ্যয়ন কিয়নো ই এই সকলো দৃষ্টিকোণ একলগে

সাঙুৰি অধ্যয়ন কৰে।

ধর্মবিজ্ঞানে ধর্ম যেনেদৰে আছে তেনেদৰেই অধ্যয়ন কৰে ধর্মদর্শনে ধর্মক এক আদর্শ ধর্ম হিচাপে অধ্যয়ন কৰে। গতিকে ধর্মবিজ্ঞানক সমাজ অধ্যয়ন আৰু ধর্মদর্শনক সমাজদর্শন বুলিব পাৰি। ধর্মদর্শনে, ধর্মবিজ্ঞানে দিয়া তথ্য সমূহৰ ওপৰত নির্ভৰ কৰে। উভয়ে পৰস্পৰ নির্ভৰশীল। ধর্মদর্শনে সংশ্লেষণাত্মকভাবে ধর্মৰ ধাৰণা আবিস্কাৰ কৰিবলৈ চেষ্টা কৰে।

## ৩.৮ ধর্ম, দর্শন আৰু বিজ্ঞান

আমি ইতিমধ্যে ধর্ম, দর্শন আৰু বিজ্ঞানক পৃথকভাবে আলোচনা কৰিলো। কিন্তু তিনিওটাৰে সাদৃশ্য আৰু পার্থক্য নির্ণয় কৰিবৰ বাবে তিনিওটা বিষয়কে এটা শিতানৰ অধীনত আলোচনা কৰা প্রয়োজন।

ধর্ম, দর্শন আৰু বিজ্ঞান মানৱ জ্ঞানৰ তিনিটা ভিন্ন দিশ। বিজ্ঞানক সাধাৰণতে ধর্মৰ সম্পূর্ণ বিপৰীত বুলি ধৰা হয়। বিজ্ঞানৰ উদ্দেশ্য হৈছে ভৌতিক জগত সম্বন্ধে আমাৰ জ্ঞান বৃদ্ধি কৰা, কিন্তু ধর্ম হৈছে বহুপৰিমানে ব্যক্তিগত বিশ্বাস। দর্শন, বিজ্ঞান আৰু ধর্ম উভয়েৰে পৰা পৃথক। সত্য উৎঘাটনৰ বাবে ই বিজ্ঞানৰ নিচিনাকৈ নিৰীক্ষণ আৰু বিশ্লেষণৰ ওপৰত বিশ্বাস নকৰে নাইবা ই ধর্মৰ দৰে ব্যক্তিগত বিশ্বাসো নহয়। ইয়াৰ উদ্দেশ্য হৈছে জীৱন আৰু জগত সম্বন্ধে সমালোচনাৰ জৰিয়তে শুদ্ধ বোধৰ বিকাশ ঘটোৱা। বিজ্ঞান আৰু দর্শনৰ মাজত সাদৃশ্য হ'ল উভয়েই মানুহৰ প্রকৃতি আৰু লক্ষ্যৰ লগত জড়িত।

বিজ্ঞান আৰু দর্শন উভয়েৰে সত্য অন্বেষণ বৌদ্ধিক, কিন্তু ধর্ম হৈছে জীৱনশৈলী। ভৌতিক জগতখনক জানিবলৈ বিজ্ঞান হৈছে এক বৌদ্ধিক প্রচেষ্টা; দর্শনো সত্তা আৰু অবভাসিক জগতৰ সম্পর্ক সম্বন্ধে জনাৰ এক প্রচেষ্টা। বিজ্ঞানে ভৌতিক জগত সম্বন্ধে আমাৰ ইন্দ্রিয় অভিজ্ঞতাৰ যুক্তি যুক্ততা বিচাৰ কৰে আনহাতে দর্শনে যর্থর্থতা সম্পর্কে আমাৰ অতীন্দ্রিয় অভিজ্ঞতাৰ যুক্তিযুক্ততা বিচাৰ কৰে। ধর্মই কিন্তু নির্দিষ্ট প্রকাৰৰ অতীন্দ্রিয় অভিজ্ঞতা আহৰণ কৰাৰ বাবে যিকোনো অভিজ্ঞতাৰেই যুক্তি যুক্ততা বিচাৰ কৰিবলৈ চেষ্টা নকৰে। ই মূলত অতীন্দ্রিয়ৰ অভিজ্ঞতা লাভ আৰু সেই অনুসৰি জীৱন ধাৰণ কৰাৰ মানুহৰ এক প্রচেষ্টা। ই মানুহৰ সমগ্র জীৱনৰ ওপৰত প্রভাৱ পেলায় আৰু পৰিৱর্তন সাধন কৰে। ই শৰীৰ আৰু মনৰ এনে এক প্রশিক্ষণ যাৰ দ্বাৰা জীৱ আৰু জগতৰ অতীন্দ্রিয় সত্বাক উপলব্ধি কৰিব পৰা যায়। আনহাতে বিজ্ঞান আৰু দর্শনে আমাক এক নির্দিষ্ট ধৰণেৰে চিন্তা কৰিবলৈ শিকায়। ধর্মইও আমাক এক নির্দিষ্ট ধৰণেৰে চিন্তা কৰিবলৈ লগতে অনুভৱ আৰু ইচ্ছা বা অভিপ্রায় কৰিবলৈও শিকায়।

আমাক যি কাৰণৰ বাবে ধর্মৰ প্রয়োজন, সেই একে কাৰণতে দর্শনৰো প্রয়োজন। দর্শন আমাক প্রয়োজন কাৰণ ই এই প্রত্যক্ষ জগতৰ অন্তৰালত থকা এক অতীন্দ্রিয় সত্বাৰ বিচাৰ কৰে। ধর্ম সত্বাক উপলব্ধি কৰিবৰ বাবে আমাৰ প্রয়োজন। আনহাতে বিজ্ঞানে আমাক ভৌতিক বস্তু বা ঘটানা সম্বন্ধে বিশ্বাসযোগ্য আৰু উপযোগী জ্ঞান দিয়ে। কিন্তু ই অতীন্দ্রিয় সত্তা লগতে

নৈতিক আৰু আধ্যাত্মিক মূলৰ অভিজ্ঞতা সম্বন্ধে জ্ঞান দিবলৈ সক্ষম নহয়। দর্শন আৰু ধর্ম উভয়ে অতীন্দ্রিয় সত্তাত কেন্দ্রীভূত যদিও দুয়োৰে মাজৰ পার্থক্য আছে। এই ক্ষেত্রত দর্শনৰ জ্ঞান তত্বগত কিন্তু ধর্মৰ জ্ঞান ব্যৱহাৰিক। দর্শনে তেনে জ্ঞানক উপলব্ধি কৰিবলৈ চেষ্টা কৰে কিন্তু ধর্মই তাক বিকশিত কৰে পূর্ণতা দিবলৈ চেষ্টা কৰে। বিজ্ঞানে অতীন্দ্রিয় সত্বা অথবা নৈতিক আৰু আধ্যাত্মিক মূল্য প্রমাণ কৰিব নোৱাৰে, কিয়নো ইয়াৰ প্রকৃতি অনুসৰি ই সীমাবদ্ধ। ই কেৱল ইন্দ্রিয় আৰু ভৌতিক জগতৰ লগতহে জড়িত। দর্শনেও এনে জ্ঞানক প্রমাণ কৰিব নোৱাৰে। কিন্তু যদিও দর্শনে চুড়ান্ত ভাবে অতীন্দ্রিয় অথবা নৈতিক আৰু ধর্মীয় মূল্যক প্রমাণ কৰিব নোৱাৰে, তথাপিও ই বিজ্ঞানৰ সহায়ত এনে জ্ঞানৰ নায্যতা বিচাৰ কৰিব পাৰে। ই আমাৰ সমগ্র জীৱন আৰু অভিজ্ঞতাৰ ব্যাখ্যা দিয়াৰ বাবে বৈজ্ঞানিক দৃষ্টিভংগী কেনেদৰে অপর্য্যাপ্ত তাক দেখুৱায়।

দর্শনৰ পৰিসৰ বিজ্ঞান আৰু ধর্মৰ পৰিসৰতকৈ বহল। ই চিন্তাৰ এক বিশেষ প্রকাৰ, জীৱন সম্পর্কে এক দৃষ্টিভঙ্গী আৰু সেয়ে মানুহৰ জীৱনত কোনো এটা দিশেই দর্শন অবিহনে সম্ভৱ নহয়। বিজ্ঞানে ইন্দ্রিয় অভিজ্ঞতাৰ জৰিয়তে ভৌতিক জগতৰ অনুসন্ধান কৰে। ধর্ম হৈছে অতীন্দ্রিয় সত্বাৰ প্রতি মানুহৰ প্রচেষ্টা। কিন্তু দর্শনে ধর্ম আৰু বিজ্ঞান উভয়ৰে কর্মক একত্রিত কৰি মূল্যায়ন কৰে। গতিকে ধর্ম, দর্শন আৰু বিজ্ঞান তিনিওৰে মাজত আন্তঃ সম্পর্ক আছে আৰু এটা আনটোৰ পৰিপূৰক। ধর্মৰ পৰম্পৰাগত মত, ৰীতি-নীতি আৰু ধর্মীয় গোড়ামীৰ এপৰত নির্ভৰশীল, গতিকে ই বিজ্ঞানৰ বিপৰীত। কিন্তু শুদ্ধ অর্থত ধর্ম হৈছে বাহ্যিক অনৈক্যৰ মাজত আন্তঃঐক্য। আকৌ দর্শনো ধার্মিক হব পাৰে যেতিয়া ই ঈশ্বৰক সকলো কর্মৰ মূল বুলি স্বীকাৰ কৰে।

মনৰ জ্ঞানৰ সকলো দিশৰেই একো একোটা কাৰণ, গুণ আৰু নিজা কর্মক্ষেত্র থাকে আৰু প্রত্যেকেই জ্ঞানৰ দ্বান্দ্বিক বিকাশৰ বাবে উপযোগী। উদাহৰণ স্বৰূপে দর্শনে যৌক্তিক ভাবে 'সত্য' বা অস্তিত্বৰ নিত্য ৰূপক ব্যাখ্যা কৰে। ধর্মই ব্যৱহাৰিক আৰু প্রয়োজনীয় ভাৱে 'সৎ'ৰ ব্যক্তিগত সম্পর্ক ব্যাখ্যা কৰে। বিজ্ঞানে 'সৎ'ৰ বিশেষ প্রকাৰ আৰু ৰূপক নিৰীক্ষন আৰু বিশ্লেষণৰ দ্বাৰা ব্যাখ্যা কৰে। দর্শন সমালোচনাত্মক বিশ্লেষনৰ এক প্রণালীবদ্ধ অধ্যয়ন; ধর্ম হৈছে ঐশ্বৰিক একাত্মবোধৰ এক বিশ্বাস আৰু বিজ্ঞানে হৈছে নিৰীক্ষন আৰু বিশ্লেষণৰ এক নিদিষ্ট প্রকাৰ। গতিকে তিনিওৰে মাজত আন্তঃ সম্পর্ক আছে। বিজ্ঞানে মূলত আমাৰ ব্যৱহাৰিক জীৱনৰ প্রয়োজন পুৰণ কৰে আৰু দর্শনে বৌদ্ধিক দিশ তৃপ্ত কৰে। ধর্মই আমাৰ নৈতিক আৰু আধ্যাত্মিক জীৱনক পূর্ণতা দিয়ে। এই প্রত্যেকটোৰেই প্রয়োজনীয় আৰু আমাৰ জীৱনত প্রত্যেককেই উপযুক্ত স্থান দিয়া উচিত।

যথার্থতা ঃ ইবাহ্য জগতক নির্দেশ দিয়ে বস্তুৰ মন বা আত্মা আৰু জড় বস্তু দুয়োকে সামৰি লয়। ইন্দ্রিয় অভিজ্ঞতা পঞ্চ ইন্দ্রিয় যেনে চকু, কাণ, নাক, ছাল আৰু জিভাৰ সহায়ত লাভ কৰা বাহ্য বস্তু সম্পর্কে জ্ঞান অতীন্দ্রিয় সংবেদনৰ এপৰত লাভ কৰা অভিজ্ঞতা যাৰ সহায়ত শৰীৰে বাহ্য জগত সম্বন্ধে সজাগ হয়।

## ৩.৯ ভাৰতত ধর্ম, দর্শন আ বিজ্ঞানৰ আন্তঃ সম্পর্ক

অতীত ভাৰতত, বিজ্ঞান সদায় সাধাৰণ বিশ্বাসৰ লগত জড়িত হৈ আছিল। কিছুমানে ভাবে যে ভাৰতীয় ধর্মপুথি সমূহত বহুতো বৈজ্ঞানিক তথ্য আছে। উদাহৰণ স্বৰূপে এইটো

কোৱা হয় যে মহাভাৰতত উল্লেখিত সঞ্জয়ে অন্ধ ধৃতৰাষ্ট্ৰৰ সমুখত কৰা যুদ্ধৰ বৰ্ণনা আধুনিক দুৰদৰ্শনৰ ধাৰণাৰ লগত সাদৃশ্য আছে। সেইদৰে ৰামায়ণত উল্লেখিত ৰাৱনৰ উৰণীয়া পুষ্পক ৰথক আধুনিক যুগৰ এৰোপ্লেন বুলিব পাৰি। কিন্তু আজিৰ বৈজ্ঞানিক ভাষা সমূহক কল্প বিজ্ঞান বুলি ধৰা হয়। তথাপিও ভাৰতীয় ন্যায় আৰু বৈশেষিক দৰ্শনৰ যথেষ্ট বৈজ্ঞানিক মূল্য আছে। কিন্তু উল্লিখিত দৰ্শনিক সম্প্ৰদায়সমূহ ধৰ্মীয় বিশ্বাসৰ লগত সন্মিলিত হৈ আছে।

ভাৰতত ধৰ্মীয় সত্যকেই দাৰ্শনিক অনুসন্ধানৰ মূল বুলি ধৰা হয়। 'বেদ' আৰু 'উপনিষদ'ৰ ওপৰতে ভাৰতীয় দৰ্শন প্ৰতিষ্ঠিত যিবোৰ কিছুমান মহান ঋষিৰ সৃষ্টি। দৰ্শনৰ কাম হৈছে সেইবোৰক ব্যাখ্যা কৰা। কিন্তু সকলো দাৰ্শনিক অনুসন্ধানেই তথাকথিত ধৰ্মপুথিৰ ওপৰত নিৰ্ভৰশীল নহয়। তথাপিও এইটো নুই কৰিব নোৱাৰি যে ভাৰতবৰ্ষত ধৰ্ম, দৰ্শন আৰু বিজ্ঞান অতি ঘনিষ্ঠ ভাবে জড়িত হৈ আছে আৰু সিহঁতক পৃথক ভাবে ব্যাখ্যা কৰিব নোৱাৰি।



**চিন্তা চৰ্চা কৰক - ৩.৩**

১। ধৰ্ম দৰ্শন আৰু বিজ্ঞানৰ মাজত কিবা সংযোগ বিন্দু আছেনে?
সম্পৰ্ক ব্যাখ্যা কৰক।

উত্তৰ ঃ- .....

.....

.....

.....

২। ধৰ্ম দৰ্শন আৰু বিজ্ঞান সম্বন্ধীয় ভাৰতীয় ধাৰণাৰ ওপৰত আপোনাৰ মত লিখক?

উত্তৰ ঃ- .....

.....

.....

.....



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৭ ঃ** ধর্ম দর্শন আৰু ধর্ম বিজ্ঞান সমার্থক - (সত্য / অসত্য)

**প্রশ্ন নং ৮ ঃ** ধর্ম দর্শন, ধর্ম বিজ্ঞানে দিয়া তথ্যৰ ওপৰত নির্ভৰ কৰে - (সত্য / অসত্য)

**প্রশ্ন নং ৯ ঃ** ধর্ম, দর্শন আৰু বিজ্ঞান তিনিওটাই এটা আনটোৰ পৰিপূৰক - (সত্য / অসত্য)



## ৩.১০ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ধর্মই মূল্য সংৰক্ষণ কৰে আৰু দর্শনে মানুহৰ বাবে সঠিক মূল্য নিৰূপন কৰে। সর্বশ্রেষ্ঠ পৰমসত্যক ধর্ম আৰু দর্শনৰ যুটীয়া প্রচেষ্টাৰ দ্বাৰাহে উপলব্ধি সম্ভৱ হ'ব পাৰে।
- ধর্মীয় অভিজ্ঞতাক বৌদ্ধিক ব্যাখ্যা আৰু সমালোচনামূলক বিশ্লেষনেই হৈছে ধর্ম দর্শন।
- ধর্ম আবেগ আৰু বিশ্বাস ওপৰত নির্ভৰশীল কিন্তু বিজ্ঞান যুক্তিৰ ওপৰত নির্ভৰশীল।
- ধর্ম বিজ্ঞানে বিভিন্ন প্রতিষ্ঠিত ধর্মৰ বিশ্লেষণাত্মক অধ্যয়ণৰ দ্বাৰা ধর্ম সম্বন্ধে সার্বিক সূত্র প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰে।
- ধর্মবিজ্ঞানে যেনেদৰে আছে তেনেদৰেই অধ্যয়ন কৰে কিন্তু ধর্মদর্শনে ধর্মক এক আদর্শ ধর্ম ৰূপে আলোচনা কৰে।
- বিজ্ঞান আৰু দর্শনে আমাক বিশেষকৈ এক নির্দিষ্ট ধৰণেৰে চিন্তা কৰিবলৈ শিকায় কিন্তু ধর্মই আমাক নির্দিষ্ট ধৰণেৰে চিন্তা, অনুভৱ আৰু ইচ্ছা কৰিবলৈ শিকায়।
- ভাৰতত ধর্ম, দর্শন আৰু বিজ্ঞান এনে নিবিড়ভাৱে জড়িত হৈ আছে যে এটাক আনটোৰ পৰা পৃথক কৰা কঠিন।



## ৩.১১ অধিক জানিবলৈ

১) **ডঃ গিৰিশ বৰুৱা** — 'ধর্ম দর্শন', ভগৱতী প্রকাশন

২) **ধর্ম দর্শন** — পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) **ধর্ম দর্শন** — ডঃ ৰামনাথ শর্ম্মা, কেদাৰনাথ ৰামনাথ প্রকাশন, দিল্লী।



## ৩.১২ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ** মানুহ আৰু ঈশ্বৰৰ মাজত সৰ্ব্বশ্রেষ্ঠ ঐক্য।

**২ নং প্রশ্নৰ উত্তৰ ঃ** ধর্মৰ দার্শনিক আলোচনা

**৩ নং প্রশ্নৰ উত্তৰ ঃ** (ক) উত্তৰ ঃ সত্য

(খ) উত্তৰ ঃ সত্য

(গ) উত্তৰঃ অসত্য



## ৩.১৩ আৰ্হিপ্রশ্ন

**(ক) বস্তুধর্মী প্রশ্ন**

**প্রশ্ন ১ ঃ** Religion (ধর্মৰ) ভাষিক অর্থটো কি?

**প্রশ্ন ২ ঃ** ধর্ম আৰু বিজ্ঞানৰ মাজৰ পার্থক্য সমূহ লিখক।

**প্রশ্ন ৩ ঃ** 'The Origion and Growth of religion' নামৰ গ্রন্থখনৰ লেখক কোন?

**প্রশ্ন ৪ ঃ** ধর্মৰ বিজ্ঞান কি?

**(খ) চুটি প্রশ্ন ঃ-**

**প্রশ্ন ১ ঃ** ধর্ম আৰু দর্শনৰ মাজৰ সম্পর্কটো চমুকৈ ব্যাখ্যা কৰক।

**প্রশ্ন ২ ঃ** দর্শন আৰু বিজ্ঞানৰ মাজৰ পার্থক্য সমূহ কি কি? চমুকৈ ব্যাখ্যা কৰক।

**প্রশ্ন ৩ ঃ** চমু টোকা লিখক।

**প্রশ্ন ৪ ঃ**ধর্ম আৰু বিজ্ঞান

**প্রশ্ন ৫ ঃ** ধর্মৰ দর্শন

**প্রশ্ন ৬ ঃ** ধর্মৰ বিজ্ঞান।

**(গ) ৰচনাধর্মী প্রশ্ন ঃ**

**প্রশ্ন ১ ঃ** ধর্ম আৰু দর্শনৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

**প্রশ্ন ২ ঃ** ধর্ম দর্শন বুলিলে কি বুজা? আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** ধর্ম আৰু দর্শনৰ মাজত সংঘাট আছেনে? আলোচনা কৰক।

**প্রশ্ন ৪ ঃ** ধর্ম বিজ্ঞান বুলিলে কি বুজা? আলোচনা কৰক।

# অধ্যায়- ৪ ঃ ধর্মীয় চেতনা

## অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ চেতনাৰ সাধাৰণ অর্থ
৪.৩.১ চেতনাৰ লক্ষণ
৪.৪ ধর্মীয় চেতনা
৪.৪.১ ৰ'ডলফ্ অট'ৰ ধর্মীয় চেতনা
৪.৫ ধর্ম, চেতনা আৰু ধর্মীয় চেতনাৰ মাজত পার্থক্য
৪.৬ অধ্যায়টিৰ পৰপা আমি কি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ানৰ উত্তৰ
৪.৯ আৰ্হি প্রশ্ন

## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- দর্শনত চেতনাৰ সংজ্ঞা দিবলৈ সমর্থ হ'ব।
- ধর্মীয় চেতনা কি তাক বর্ণনা কৰিব পাৰিব।
- ধর্মীয় চেতনাৰ মৌলিক ভিত্তি চিনাক্ত কৰিব পাৰিব।
- ধর্ম, চেতনা আৰু ধর্মীয় চেতনাৰ মাজৰ পার্থক্য নির্ণয় কৰিবলৈ সক্ষম হ'ব।

## ৪.২ পৰিচয়

এই অধ্যায়টোৰ জৰিয়তে আপোনালোকে ধর্মীয় চেতনা সম্পর্কে প্রাথমিক ধাৰণা লাভ কৰিব।

ধর্মীয় জ্ঞানৰ উদয় হয় মানুহৰ মনত থকা ধর্মৰ চেতনাৰ জৰিয়তে। ইয়াত কিছুমান এনেধৰণৰ চিন্তা জড়িত আছে যাৰ দ্বাৰা আমি কোনো যে সম্পূর্ণ নহয় তাক অনুভৱ কৰিব পাৰোঁ। এই জগতৰ আঁৰত কোনোবা আছে যিজন সম্পূর্ণ, সর্বশক্তিমান আৰু সর্বজ্ঞ। এজন ব্যক্তিৰ অসম্পূর্ণতাই বুজায় যে নিশ্চয় এনে কোনোবা আছে যিজন সকলোৰে উর্দ্ধত। এই সম্পূর্ণতাৰ অনুভূতিক উপলব্ধিহে কৰিব পাৰি। ধর্ম আৰু দার্শনিক পৰিসীমাতে এই 'উর্দ্ধতাৰ' প্রকৃতি বিভিন্ন ধৰণে নির্ণয় কৰা হয়। কিছুমান দার্শনিকৰ মতে ধর্মীয় চেতনাক উপলব্ধি কৰিব

নোৱাৰাৰ দৰে কোনো ঘটনা থাকিব নোৱাৰে। যেতিয়া আমি কওঁ "কিবা এটা মোৰপৰা উৰ্দ্ধত" তেতিয়া আমি ইয়াক উপলব্ধি কৰা বা প্রত্যক্ষ কৰাটো অসম্ভৱ বুলি মানি লওঁ। এই ৰহস্যাত্মক জটিল স্থিতিক ব্যাখ্যা কৰিবলৈ ধর্মৰ দার্শনিক সকলে অহোপুৰুষার্থ কৰিছে। যি কি নহওঁক একে সময়তে, ই ৰহস্যাত্মক যদিও অতি দৰকাৰী। ইয়াত নিশ্চয় কিবা এটা আছে যিটোক উপলব্ধি কৰিবৰ বাবে আমি হাবাথুৰি খাঁও। ইয়াত বিভিন্ন প্রকাৰৰ যুক্তি আছে যিবোৰক ঈশ্বৰৰ অস্তিত্ব প্রমাণৰ যুক্তি বুলি কোৱা হয়। মানুহে এই 'সত্তাৰ' প্রকৃতি ব্যাখ্যা কৰিবলৈ কোনো ৰসযুক্ত সুন্দৰ শব্দ বিচাৰি পোৱা নাই। ই মানুহৰ ব্যক্তিগত অপৰিপূর্ণতাৰ প্রশ্নৰ এক সম্পূর্ণ উত্তৰ হিচাবে অস্তিত্বশীল হৈ আছে। পৰিপূর্ণতা বা পৰিপক্কতা হ'ল এক সত্য, কাৰণ ইয়াৰ অস্তিত্ব আছে। কিন্তু প্রকৃত বা ব্যৱহাৰিক সত্যটো হ'ল যে ঈশ্বৰৰ অস্তিত্ব প্রমাণ কৰাটো অতিশয় টান কাম। একেসময়তে ঈশ্বৰৰ অস্তিত্ব নাই বুলি প্রমাণ কৰোটো আৰু জটিল। ঈশ্বৰ অবিহনে ধর্মৰ বিষয়ে আলোচনা কৰাটোও অতিশয় টান। আমি যেতিয়া ভগবান বা ঈশ্বৰৰ কথা কওঁ তেতিয়া নিশ্চয় আমাৰ মনলৈ ধর্মীয় চেতনাৰ ধাৰণা আহে। গতিকে এইটো স্পষ্ট হৈ পৰিছে যে ধর্মৰ ক্ষেত্রত ধর্মীয় চেতনা এক গুৰুত্বপূর্ণ বিষয় যাৰ অবিহনে ধর্মৰ অস্তিত্ব নাথাকে। আমি এইটোও ক'ব পাৰোঁ যে ধর্মৰ বিকাশ ধর্মীয় চেতনাৰ অবিহনে স্তব্ধ হৈ পৰিব। এই অধ্যায়ত ধর্মীয় চেতনাৰ সাধাৰণ ধাৰণা সম্পর্কীয় আলোচনাৰ লগতে ধর্ম, চেতনা আৰু ধর্মীয় চেতনাৰ মাজত প্রভেদ বিচাৰ কৰাটোও প্রয়োজনীয়। এই অধ্যায়ত আমি ধর্মীয় চেতনাৰ কিছমান প্রধান বা মূলতত্বৰ বিচাৰ কৰিবলৈ যত্ন কৰিম।

## ৪.৩ চেতনাৰ সাধাৰণ অর্থ

চেতনা হ'ল এক বিষয়নিষ্ঠ অনুভূতি বাসত্তা সম্পর্কীয় সচেতনতা। এই চেতনা শব্দটো লেটিন 'Con' (লগত) আৰু 'Scire' (জনা) ৰ পৰা আহিছে। বর্তমান মানসিক দর্শনত 'চেতনা'ক প্রধান বিষয় হিচাপে ধৰা হয়। তদুপৰি ই গুৰুত্বপূর্ণভাবে তত্ববিদ্যাৰ ঐচ্ছিক পৰম্পৰাগত বিষয়সমূহৰ লগতো সম্পর্কযুক্ত, যেনে-ধর্মীয় চেতনা ইত্যাদি। যেতিয়া আমি কোনো এক নির্দিষ্ট বিষয় বা বস্তু সম্পর্কে জ্ঞাত হ'ম তেতিয়াহে চেতনাৰ অর্থ জানিব পাৰিম।

আমি ক'ব পাৰোঁ যে চেতনাই কেৱল কোনো বিষয় সম্পর্কে সচেতনতাকে নুবুজায়। কিন্তু চেতনাৰ আচল অর্থটো তেতিয়াহে স্পষ্ট হ'ব যেতিয়া আমি চেতনাৰ সংজ্ঞা দিম "চেতনা হ'ল কোনোবস্তু সম্পর্কীয় সচেতনতা আৰু ই কোনো বিষয়ৰ প্রতি দেখুওৱা সন্মান প্রদর্শন।" যেতিয়া কোনো ব্যক্তি কোনো বস্তুৰ ক্ষেত্রত সচেতন হয় তেতিয়া আমি নিশ্চিতভাৱেই তেওঁৰ চেতনা সম্পর্কে অৱগত/ বা জ্ঞাত হওঁ। কিন্তু এইখিনিতে এটা প্রশ্ন উদয় হয়- আমি কেনেকৈ কাৰোবাৰ সচেতনাতাক জানিব পাৰোঁ? অৱশ্যে অতি নিয়াৰিকৈ তেওঁলোকক উত্তৰ দিব পাৰি যে যদি কোনোৱে সন্মতি জনায় কেৱল আমি তেতিয়াহে তেওঁযে সচেতন বা চেতন তাক

জানিব পাৰোঁ। চেতনাৰ অর্থসম্পর্কত বহুতো সংশয় আছে আৰু সেয়েহে বহুতো প্রশ্নও উত্থাপিত হয়, যেনে- ই বিষয়নিষ্ঠ হয় নে নহয়? কেনেকৈ চেতনাৰ মানসিক স্তৰ দেহৰ লগত জড়িত আদি। কিন্তু ইয়াত অন্য এটা প্রশ্নও উত্থাপিত হয়। যদিহে মানুহৰ প্রত্যক্ষৰ বাহিৰত কিবা থাকিব পাৰে বুলি গ্রহণ কৰাটো অসম্ভৱ তেন্তে প্রশ্ন হয়, এইধাৰণাটো কেনেকৈ উদয় হ'ল? এইটো এটা বৰ গুৰুত্বপূর্ণ প্রশ্ন যিটো জার্মান দার্শনিক ইমানুৱেল কাণ্টে উত্থাপন কৰিছিল। তেওঁৰ বিখ্যাত গ্রন্থ 'Critique of Pure Reason'ত এই বিষয়ৰ ওপৰত মন্তব্য প্রকাশ কৰিছে। তেওঁ এনেকৈ সামৰণি মাৰিছে যে এই ধাৰণাটো যাক তেওঁ এক সম্পূর্ণ সত্তাৰ ধাৰণা বুলিছে সি হ'ল এক যুক্তিৰ ধাৰণা। ইয়াক এই সীমাৰ দ্বাৰা চিন্‌ক্ত কৰিব নোৱাৰি যিটো মানুহৰ বোধগম্যতা আৰু জ্ঞানেন্দ্রিয়ৰ প্রত্যক্ষৰ দ্বাৰা আবৃত হৈ আছে। ফ্রান্স দার্শনিক ৰেনে ডেকার্টে আমাক কৈছে যে সসীমৰ বিবেচনা শক্তিয়েই অসীমৰ অস্তিত্বক প্রতিষ্ঠা কৰে। আমি আমাৰ সীমাবদ্ধতাৰ সম্পর্কে জ্ঞাত নহওঁ। আনহাতে একে সময়তে এনে এক বস্তু সর্ম্পকে জ্ঞাত হওঁ যি অসীম, যাৰ কোনো সীমা নাই। ডেকাটৰ মুখ্য উক্তি (dictum) "মই চিন্তা কৰোঁ, সেয়েহে মোৰ অস্তিত্ব আছে ( I think, therefore I am) "cogito ergo sum" আমাৰ চিন্তা বা আমাৰ সসীম বা সীমাবদ্ধতাৰ সচেতন সত্তা, ই নিজৰ সীমাবদ্ধতাক অতিক্রম কৰাৰ সম্ভাৱনাৰ লগত একেলগে সম্পর্কযুক্ত হৈ থাকে। ইয়াকে চেতনাৰ উদ্দেশ্য বুলি ধৰা হয়। গতিকে অসীমৰ প্রকৃতি, ই নিশ্চিতভাৱেই অস্তিস্বশীল। সেয়েহে অসীমৰ প্রকৃতি বুলিলে শুদ্ধ চৈতন্য বা চেতনাক বুজায়।

আমি ক'ব পাৰোঁ যে হুছার্লে (Husserl) দেখুৱাৰ দৰে সকলোবোৰ বিবেচনাশক্তি কিছুমানবস্তুৰহে বিবেচনা শক্তি। এই বিবেচনাশক্তিক বিষয় অভিমুখিতাৰ দ্বাৰা ব্যাখ্যা কৰা হয়। সকলোবোৰ বিবেচনা শক্তিয়ে কিছুমান বস্তুৰ সহজাত প্রজ্ঞাবুদ্ধিক প্রকাশ কৰে। হুছার্লৰ বিষয় অভিমুখিতা (intentionality) তত্বক ছার্টৰ দর্শনত সংশোধন কৰা হৈছে। যিহেতু হুছার্লৰ মতে বিষয় অভিমুখিতা হ'ল প্রত্যেক বিবেচনাশক্তিৰ এক অতি আৱশ্যকীয় লক্ষণ। আনহাতে ছার্টৰ মতে বিষয় অভিমুখিতা হ'ল বিবেচনাশক্তি বা জ্ঞান শক্তি। এই জ্ঞানশক্তি স্ব-আবৃত নহয়, ই বিষয়অভিমুখি বা বিষয় অভিপ্রেত।

প্রথমতে চেতনাৰ বিষয় অভিমুখিতাই চেতনাৰ সূচীপত্র নথকা, খালী আৰু ফটফটীয়া লক্ষণ কিছুমান প্রতিষ্ঠা কৰিছে। (চেতনাৰ কোনো 'ভিতৰ বা অন্তঃ ভাগ' তথা কোনো 'সাৰবস্তু' নাই) আৰু দ্বিতীয়তে, সভ্যতাৰ ওপৰত চেতনাৰ নির্ভৰশীলতা। ছার্টৰ ক্ষেত্রত যেতিয়া চেতনাই কোনো বস্তুৰ চেতন অৱস্থাটোকে বুজায়, তেতিয়া ই স্বয়ং অসন্দিগ্ধ বা সৰল চৈতন্য- সেই বস্তুৰ সত্তা বা অস্তিত্ব নহয়। নিজস্ব বিবেচনা শক্তিৰদ্বাৰা চৈতন্য স্বয়ং জ্ঞাত হয় যেনেকৈ অন্যান্য বস্তুৰ অস্তিত্ব নথকাটোও জ্ঞাত হয়।

## জানি থোৱা ভাল



**হুছার্ল ঃ** (১৮৫৯-১৯৩৮) বিংশ শতিকাৰ মুখ্য প্ৰভাৱশালী দার্শনিকসকলৰ ভিতৰত হুৰ্ছালও এজন। তেওঁ দর্শনৰ ক্ষেত্রখনত বহুতো গুৰুত্বপূর্ণ অনদান আগবঢ়াই থৈ গৈছে। সর্বপ্রথমে দর্শনৰ এটা শাখা বিচাবে এডমাণ্ড হুজার্লে প্রকাশ বিজ্ঞান বা ফেন'মেন'ল'জি (phenomenology) প্রতিষ্ঠা কৰে যিটো ফ্রেঞ্জ ব্রেণ্টানো (Franze Brentano) ই প্রতিষ্ঠা কৰা বিষয় অভিমুখিতা তত্বৰদ্বাৰা বিশেষভাৱে প্রভাৱান্বিত হৈছিল। প্রকাশ বিজ্ঞানৰ মূল লক্ষ্য হ'ল নিজস্ব- জ্ঞাতশক্তিৰ অধ্যয়ন আৰু জাগতিক বস্তুবিলাকত যিদৰে মানুহৰ চৈতন্যশক্তিত উপস্থিত হয় তাক বর্ণনা কৰা। প্রকাশ বিজ্ঞান আৰু দর্শনৰ অর্ন্তনিহিত তত্বক বা তীক্ষ্নদৃষ্টিক মেক্স ছেলাৰ (Max Scheler), ৰ'ডলফ্ অট' (Rudolf otto), ভেণ্ডাৰ লীউ (Vander Leeuw) আদিয়ে ধর্মত প্রয়োগ কৰিছিল।

**ছার্ট ঃ** (১৯০৫-১৯৮০) জাঁ প'ল ছার্ট আছিল বিংশ শতিকাৰ এজন প্রধান চিন্তবিদ তথা ফ্রান্স সমকালীন দার্শনিকসকলৰ ভিতৰত তেওঁ নিঃসন্দেহ বিখ্যাত আছিল। সাহিত্যৰ প্রতিভাশালী পণ্ডিত তথা অস্তিত্ববাদী দার্শনিক জাঁ প'ল ছার্টে কিছুমান পদ যেনে- মানুহৰ প্রকৃত গুণ নির্ধাৰণ কৰিবলৈ মানুহে নিজৰ অস্তিত্বৰ ভিন্ন ক্ষেত্রখনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে, আৰু সেই ক্ষেত্রৰ জৰিয়তে তেওঁ মানুহৰ সংজ্ঞা সম্পর্কীয় প্রকৃত বিচাৰত তেওঁ মাজে মাজে অস্তিত্ববাদ আৰু প্রকাশ বিজ্ঞান, নীতিশাস্ত্র আৰু সৌন্দর্যবিজ্ঞান, সাহিত্য আৰু ৰাজনীতিৰ মাজত লৰি ওলোমৰ দৰে সোমাই পৰে।

### ৪.৩.১ চেতনাৰ লক্ষণ

চেতনাৰ লক্ষণ চাৰি প্রকাৰৰ। সেইবিলাক হ'ল-

(ক) বিষয়নিষ্ঠতা,

(খ) পৰিবর্তন,

(গ) অবিছিন্নতা আৰু

(ঘ) নির্বাচনীয়তা

চেতনাৰ আটাইতকৈ গুৰুত্বপূর্ণ লক্ষণ হ'ল চেতনা বিষয়নিষ্ঠ। দ্বিতীয়তে, আমি পৰিবর্তনক চেতনাৰ এক প্রধান গুণ বুলিও বর্ণনা কৰিব পাৰোঁ। যদিহে তাত কোনো পৰিবর্তন নাথাকে তেনেহ'লে ইয়াৰ অর্থ হ'ব বস্তুনিষ্ঠ, গতিকে সকলোৰে বাবে চেতনাৰ পৰিবর্তন থাকিবই লাগিব। অবিছিন্নতা হ'ল চেতনাৰ আন এক লক্ষণ। একেদৰে, বিষয়মূলক চিন্তাও চেতনাৰ অন্যান্য লক্ষণৰ নিচিনা। কাৰণ আমাৰ মনে সদায় চেতনাৰ বাবে কিছুমান বস্তু নির্বাচন কৰে। 'চেতনা' আৰু 'অস্তিত্ব'ৰ এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। যেতিয়া আমি কওঁ "মই ইয়াত আছো" প্রকৃততে আমি কওঁ "মই মোৰ

অস্তিত্ব সম্পর্কে জ্ঞাত"। আমাৰ চেতনা আমাৰ অস্তিত্বৰ পৰা পৃথক নহয়। যেতিয়া আমি কওঁ অসীম অস্তিত্বশীল, ঈশ্বৰ অস্তিত্বশীল, এই অসীম সম্পৰ্কীয় জ্ঞানেই হৈছে ধৰ্মীয় চেতনা।



**চিন্তাচৰ্চা কৰক ৪.১**

১। ধৰ্ম আৰু চেতনাৰ মাজত কিবা সাদৃশ্য আছেনে?

উত্তৰ ঃ.....

.....

.....

.....

২। 'চেতনা' আৰু 'ধৰ্মীয় চেতনা'ক আপুনি দুটা বেলেগ বেলেগ বিষয় বুলি গ্ৰহণ কৰেনে? বৰ্ণনা কৰক।

উত্তৰ ঃ.....

.....

.....

.....



**অগ্ৰগতি নিৰীক্ষন**

**প্ৰশ্ন নং ১** ঃ 'Conciousness' শব্দটো ক'ৰ পৰা লোৱা হৈছে?

উত্তৰ ঃ.....

.....

.....

.....

**প্ৰশ্ন নং ২** ঃ 'চেতনা'ক 'সত্তা'ৰ পৰা পৃথক কৰিব পাৰিনে? (৪০ টা শব্দৰ ভিতৰত লিখা)

উত্তৰ ঃ.....

.....

.....

.....

**প্রশ্ন নং ৩** ঃ ধর্মীয় চেতনা কি?

উত্তৰ ঃ.....

.....

.....

.....

**প্রশ্ন নং ৪** ঃ চেতনাৰ চাৰিটা বৈশিষ্ট্য কি কি?

উত্তৰ ঃ.....

.....

.....

.....

**প্রশ্ন নং ৫** ঃ হুৰ্চালৰ মতে 'চেতনা' কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

উত্তৰ ঃ.....

.....

.....

.....

**প্রশ্ন নং ৬** ঃ সত্য বা অসত্য কওঁক .....

(ক) চেতনাৰ প্রধান লক্ষণ হ'ল বস্তুনিষ্ঠ। (সত্য / অসত্য)

(খ) আমাৰ চেতনা আমাৰ অস্তিত্বৰ পৰা পৃথক। (সত্য / অসত্য)

## ৪.৪ ধর্মীয় চেতনা

এই পৃথিৱীত বহুতো ধর্ম আছে। আপোনালোক সকলোৱে ধর্মসমূহৰ শ্রেণীবিভাজনৰ বিষয়ে জানে। পৃথিৱীত আমি লক্ষ্য কৰা বিভিন্ন প্রকাৰৰ ধর্মৰ উৎপত্তিৰ মূলতে হ'ল মানুহৰ আঁৰত থকা ভৌগলিক, সাংস্কৃতিক, জাতিগত আৰু নৃতত্ববিদ্যা সম্ৰকীয় বিভিন্ন উপাদানবোৰ।

চেতনা সদায় মনৰ অধীন। ধর্ম আৰু ধর্মীয় চেতনাৰ মাজত এক সীমা নির্দ্ধাৰণ কৰা আছে। ধর্মীয় চেতনা হ'ল ঐশ্বৰিক শক্তিৰ বিষয়। আকৌ আমি ক'ব পাৰোঁ যে, চেতনাৰ বাবে আমাক মনোযোগৰ প্রয়োজন। আমি জানো যে যদি আমাৰ মনোযোগ থাকে কেৱল তেতিয়াহে আমি কোনো বস্তুৰ বিষয়ে জ্ঞাত হওঁ। ধর্মীয় চেতনা বিশ্বাস, চিন্তা, ইচ্ছা আৰু অনুভূতিৰ লগত জড়িত। আমি ইতিমধ্যে আলোচনা কৰি আহিছো যে ধর্মীয় চেতনাই প্রত্যেককে উপলব্ধি কৰায় যে কোনো সম্পূর্ণ নহয় আৰু এই অসম্পূর্ণতাই ঈশ্বৰ আৰু ধর্মৰ বিষয়লৈ আগবঢ়ায় লৈ যায়। সিৰবিজ্ঞানীসকলে মানুহৰ অস্তিস্কৰ ধর্মীয় অনুভূতিৰ লগত থকা সম্বন্ধক চিনাক্ত কৰিছে। এই

আৰিস্কাৰে সন্দেহাতীতভাৱে প্ৰতিষ্ঠা কৰিছে যে ধৰ্মৰ স্বাভাৱিক জ্ঞান হৈছে একপ্ৰকাৰৰ জন্মগত প্ৰাকৃতিক লক্ষণ যি কেৱল মানুহৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ধৰ্মীয় নীতি-নিয়মবোৰক মানুহৰ চিন্তা, ভাবনা আৰু আচৰণৰ উৎকৰ্ষ সাধনাৰ বাবে প্ৰধান কাৰ্যকৰী উপায় বিচাৰে গ্ৰহণ কৰা হয়। চেতনা আৰু জীৱনীশক্তি, মন আৰু মগজুৰ লগত নিবিড় ভাবে সম্পৰ্কযুক্ত। ধৰ্মীয় চেতনাৰ গাঢ়তত্বক আধুনিক বিজ্ঞানসন্মত কৌশলৰদ্বাৰা সম্পূৰ্ণৰূপে গুৰুত্বহীন বুলি উপেক্ষা কৰিব নোৱাৰি। সিৰবিজ্ঞানীসকলে কেৱল ধৰ্মীয় সহজাত প্ৰবৃত্তিৰ উৎসৰ এটা নক্সা তৈয়াৰ কৰাতহে সফল হৈছে কিন্তু ধৰ্মীয় চেতনাৰ গূঢ়তত্বৰ সমাধান কৰিব পৰা নাই।

শেষত, আমি ইয়াকে ক'ব পাৰো যে, চিন্তা, অনুভূতি আৰু ইচ্ছা হ'ল ধৰ্মীয় চেতনাৰ মৌলিক বা মূল তত্ব। যেতিয়া আমি ভাৱোঁ, চিন্তা কৰোঁ আৰু আমাৰ হৃদয়ত ধৰ্মৰ বাবে ইচ্ছা থাকে কেৱল তেতিয়াহে আমি ধৰ্মীয়ভাৱে সচেতন হওঁ।

## ৪.৪.১ ৰ'ডলফ্ অ'টৰ ধৰ্মীয় চেতনা

আগৰ শাখাকেইটীত আমি ধৰ্মীয় চেতনা সম্পৰ্কে আলোচনা কৰিলোঁ। এই সংক্ৰান্তত ৰ'ডলফ্ অট'ৰ (১৮৬৯-১৯৩৭) বিষয়ে জনাটো ফলদায়ক হ'ব। অট হ'ল এজন প্ৰখ্যাত জাৰ্মান ঈশ্বৰতত্ববিদ আৰু তুলনামূলক ধৰ্মৰ এজন প্ৰধান পুৰুধা ব্যক্তি। প্ৰায়ে অট'ক অতিন্দ্ৰীয়বাদৰ তত্ববিদ সকলৰ শাৰীৰে এজন বুলি গণ্য কৰা হয়। বিশেষকৈ তেওঁ ধৰ্মীয় চেতনাৰ প্ৰকাশ বিজ্ঞানৰ ক্ষেত্ৰতহে আগবঢ়াইছে।

অট'ৰ প্ৰধান বিখ্যাত গ্ৰন্থ হ'ল ১৯৭১ চনত প্ৰকাশ পোৱা দি অইদিয়া অফ দিহ'লি 'The Idea of the Holy' (দাছহেইলিগ্), যিখন বিংশ শতিকাৰ আটাইতকৈ বেছি সফলতা অৰ্জন কৰা জাৰ্মান ঈশ্বৰসম্পৰ্কীয় গ্ৰন্থ সমূহৰ ভিতৰত এখন। এই গ্ৰন্থখনে পৱিত্ৰ ধাৰণাৰ সংজ্ঞা দিছে যাক দিব্যানুভূতি বুলি কোৱা হয় (Numinous)। এই নতুন পদটোৰ ভিত্তি হ'ল লেটিন শব্দ 'নিউমেন' যাৰ অৰ্থ হ'ল দেবতা বা ঈশ্বৰ। অট'ই দিব্যানুভূতিক ব্যাখ্যা কৰিছে যে ই অবৌদ্ধিক, অতীন্দ্ৰিগত অনুভূতি যিটো প্ৰধান আৰু অব্যৱহৃত উদ্দেশ্য হিচাবে আত্মাৰ বা নিজৰ পৰিসৰৰ বাহিৰত থাকে। তেওঁ আমাৰ পবিত্ৰৰ ধাৰণাৰ লগত সংলগ্ন হৈ থকা আন আন প্ৰয়োজনীয় উপাদানবোৰক একাত্ম কৰাৰ প্ৰয়াস কৰিছে। তেওঁ দিব্যানুভূতিৰ ধাৰণাৰ পৰিচয়ৰদ্বাৰা এইটো উনুকিয়াবলৈ বিচৰা নাই যে ঐশ্বৰতত্বত এক গোপন, অবৌদ্ধিক উপাদান আছে। কিন্তু তেওঁ এইটো প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে যে এক অ- বৌদ্ধিক বা দিব্যানুভূতিৰ উপাদানৰ অবিহনে আমাৰ মনে পবিত্ৰতাক গ্ৰহন নকৰে। সকলো মানুহৰ ঈশ্বৰসম্পৰ্কীয় অনুভূতি আছে। অট'ৰ মতে, ধৰ্মীয় অভিজ্ঞতা হ'ল অতুলনীয় অভিজ্ঞতা যাক বৌদ্ধিক ভাষাৰে প্ৰকাশ কৰাটো অসম্ভৱ। ইয়াক কেৱল ধাৰণা জ্ঞাপক চিহ্ন বা প্ৰতীকৰ অনুৰূপ শব্দৰ জৰিয়তেহে ব্যাখ্যা কৰিব পাৰি। কিছুমানৰ মতে, নিগূঢ় অনুভূতি আমাৰ পবিত্ৰৰ ধাৰনাত আছে যি

যুক্তি আৰু বুদ্ধি সকলোৰে ওপৰত। এই ধৰণৰ জ্ঞানকে 'দিব্যানুভূকি' বোলা হয়। ৰ'ডলফ্ অট'ৰ মতে এইবিধ জ্ঞান বৰ অদ্ভুত। সেয়েহে তেওঁ এই ঐশ্বৰিক অনুভূতিক অদ্ভুত তথা বিস্ময়কৰ বুলি প্ৰকাশ কৰিছে। কিছুমান ভিতৰুৱা আশঙ্কা এই ধৰণৰ অনুভূতিৰ লগত জড়িত হৈ থাকে, সেয়েহে মানুহে সদায় ঈশ্বৰৰ গতিক ভয় কৰে। প্ৰত্যেক অনুশীলনকাৰীয়েই ধৰ্মৰ কিছুমান বস্তুক 'পবিত্ৰ' বা 'শুদ্ধ' বুলি আৰু আন কিছুমানক 'অশুদ্ধ' বা 'দূষিত বুলি বিবেচনা কৰে। অট'ই অনুভৱ কৰে যে ধৰ্মীয় অভিজ্ঞতাত তিনিটা উপাদান থাকে- ৰহস্য, ভয় আৰু আকৰ্ষণ, যিবোৰ ঘনিষ্ঠভাবে সম্পৰ্কিত। অট'ৰ মতে, উপাসকৰ পবিত্ৰ অনুভূতিত বাধা প্ৰদান নকৰাটোৱেই হ'ল ধৰ্মীয় চেতনাৰ মূল গুণ। মানুহৰ বুদ্ধি এই নিয়ম ভংগ কৰিবলৈ অসমৰ্থ, সেইকাৰণে দিব্যানুভূতিও ৰহস্যৰ ৰূপত দেখা দিয়ে। যিকি নহওক, অট'ৰ মতে পবিত্ৰতাৰ বিষয়বস্তু বা সত্তা সহজে উপলব্ধি কৰিব পৰা সৰল ধাৰণা নহয়।



**অগ্ৰগতি নিৰীক্ষন**

**প্ৰশ্ন নং ৭** ঃ চেতনাৰ মৌলিক বিষয়বস্তুবোৰ কি কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৮** ঃ ধৰ্মীয় প্ৰৱক্তাকৰ ওপৰত বৰৱণী আগবঢ়োৱা এজন দাৰ্শনিকৰ নাম লিখক।

.....

.....

.....

.....

**প্ৰশ্ন নং ৯** ঃ অট'ৰ মতে ধৰ্মীয় অভিজ্ঞতাৰ তিনিটা উপাদান কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ১০** ঃ লেটিন শব্দ 'numan' ৰ অৰ্থ কি?

.....

.....

.....

.....

## ৪.৫ ধর্ম, চেতনা আৰু ধর্মীয় চেতনাৰ মাজত পার্থক্য

প্রত্যেক ধর্মই ইয়াৰ জন্মসূত্রে কিছুমান উপাদানৰ লগত জড়িত যিবোৰ সংস্কৃতি, কাল আৰু বুৰঞ্জীৰ ঘটনাৰ পৰা পৃথক। সেই বাবে প্রত্যেক ধর্মতে বিধ বিধ ধর্ম - কর্ম, পদ্ধতি আৰু ঈশ্বৰ সম্পর্কীয় বিশ্বাসে ইয়াৰ অতুলনীয় চৰিত্রত অৱশ্যেই ক্রিয়া কৰিব আৰু এটা আনটোৰ পৰা পৃথক হৈ পৰিব। ধর্ম আৰু চেতনা দুয়োটা বেলেগ বেলেগ শব্দ আৰু দুয়ো অর্থৰ দিশৰ পৰাও পৃথক। কিন্তু চেতনাৰ অবিহনে ধর্মই কেতিয়াও প্রকৃত ৰূপত প্রকাশ পাব নোৱাৰে। একে সময়তে আমি ইয়াকো ক'ব পাৰোঁ যে আমি ধর্মৰ অবিহনেও চেতনাৰ সংজ্ঞা নির্ণয় কৰিব পাৰোঁ। এইটোও আৱশ্যকীয় নহয় যে ধর্ম সদায় চেতনাৰ লগতে আৰির্ভাৱ হ'ব। কিন্তু যেতিয়া আমি ধর্ম আৰু চেতনাক একেলগে কৰোঁ তেতিয়া এটা আনটোৰ অবিচ্ছেদ্য অংগ হৈ পৰে। ওপৰৰ আলোচনাৰপৰা আমি ক'ব পাৰো যে সাধাৰণতে চেতনা কিছুমান বিষয়ৰ সৈতে জড়িত হ'ব পাৰে। কিন্তু সহজভাৱে কবলৈ হ'লে ধর্মীয় চেতনা কেৱল ধর্ম বিষয়ক চেতনাৰ সৈতেহে জড়িত।



**অগ্রগতি নিৰীক্ষন ঃ ৩**

**প্রশ্ন নং ১১** ঃ বিভিন্ন ধর্মৰ মাজত বিভিন্ন পার্থক্যৰ সৃষ্টি হয় কিছুমান উপাদানৰ বাবে। সেইবোৰ কি?

.....

.....

.....

.....

**প্রশ্ন নং ১২** ঃ আমি চেতনাৰ সংজ্ঞা ধর্ম অবিহনে আগবঢ়াব পাৰুনে?

.....

.....

.....

.....

**প্রশ্ন নং ১৩** ঃ সত্য নে অসত্য কওক -

(ক) এইটো প্রয়োজনীয় নহয় যে চেতনাৰ লগত সদায় ধর্মৰ আৰ্বিভাব হ'ব। (সত্য/অসত্য)

(খ) ধর্মীয় চেতনা হ'ল সহজভাৱে বিজ্ঞান সম্পর্কীয় চেতনা। (সত্য/অসত্য)



## ৪.৬ অধ্যায়টোৰপৰা আমি কি কি শিকিলোঁ

এই যুগটো বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ যুগ তথাপি আমি ধর্মৰ অবিহনে জীয়াই থাকিব নোৱাৰোঁ। ঈশ্বৰবিহীন এখন পৃথিৱী কল্পনা কৰাটো ঈৱৰবাদীসকলৰ বাবে বৰ জটিল। ইয়াত ধর্মৰ বহুতো সংজ্ঞা পোৱা যায়। ইতিমধ্যে বিজ্ঞানী আৰু দার্শনিক সকলে তেওঁলোকৰ ভাৱভঙ্গী অনুসৰি চেতনাৰ অর্থ ব্যাখ্যা কৰিছে। ধর্ম, ধর্মীয় চেতনা অসম্পূর্ণ কাৰণ ই বিশ্বাস, চিন্তা ইচ্ছা আৰু অনুভূতিৰ ওপৰত নির্ভৰশীল।



## ৪.৭ অধিক জানিবলৈ

১) ডঃ গিৰিশ বৰুৱা - 'ধর্ম দর্শন', ভগৱতী প্রকাশন।

২) ধর্ম দর্শন - পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়।

৩) ডঃ ৰামনাথ শর্মা, 'দর্ম দর্শা' - কেদাৰনাথ প্রকাশন, দিল্লী।



## ৪.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ** ঃ 'consciousness' শব্দটো লেটিন শব্দ 'con' আৰু 'sciro'ৰ পৰা লোৱা হৈছে।

**২ নং প্রশ্নৰ উত্তৰ** ঃ চেতনাক সত্তাৰ পৰা পৃথক কৰিব নোৱাৰি। আমি যেতিয়া কওঁ 'মই ইয়াত আছু', দৰাচলতে আমি কওঁ যে 'মোৰ সত্তাৰ ইয়াত থকাৰ চেতনা মোৰ আছে'।

**৩ নং প্রশ্নৰ উত্তৰ** ঃ মানুহৰ ঈশ্বৰ বা অসীমৰ প্রতি থকা সচেতনাতাকেই ধর্মীয় চেতনা বুলি

কোৱা হয়।

**৪ নং প্রশ্নৰ উত্তৰ ঃ** চেতনাৰ চাৰিটা বৈশিষ্ট্য হৈছে - বিষয়নিষ্ঠতা, পৰিৱর্তন, অবিছিন্নতা আৰু নির্বাচনীয়তা।

**৫ নং প্রশ্নৰ উত্তৰ ঃ** হুচার্লৰ মতে চেতনাৰ অর্ত হ'ল কোনোবা এটা বস্তুৰ প্রতি থকা চেতনা। চেতনাৰ সংজ্ঞা অভিমুখিতা বুলিও দিব পৰা যায়, আটাইবোৰ চেতনাই হৈছে কোনোবা এটা বস্তুৰ অন্তঃ প্রজ্ঞাৰ প্রকাশ।

**৬ নং প্রশ্নৰ উত্তৰ ঃ** (ক) অশুদ্ধ (খ) অশুদ্ধ

**৭ নং প্রশ্নৰ উত্তৰ ঃ** অনুভুতি, চিন্তা আৰু ইচ্ছা।

**৮ নং প্রশ্নৰ উত্তৰ ঃ** ৰুডালফ্ অট'

**৯ নং প্রশ্নৰ উত্তৰ ঃ** ৰহস্য, ভয় আৰু আকর্ষন

**১০ নং প্রশ্নৰ উত্তৰ ঃ** পৰমেশ্বৰ।



## ৫.১৬ আৰ্হি প্রশ্ন

**(ক) বস্তুধর্মী প্রশ্ন ঃ**

**প্রশ্ন ১ ঃ** Consciousness (চেতনা) শব্দটো কোনটো লেটিন শব্দৰ পৰা লোৱা হৈছে?

**প্রশ্ন ২ ঃ** 'Critique of Pure Reason' নামৰ গ্রন্থখনৰ লেখক কোন?

**প্রশ্ন ৩ ঃ** চেতনাৰ চাৰিটা বৈশিষ্ট্য কি কি?

**প্রশ্ন ৪ ঃ** ধর্মীয় চেতনাৰ ভিত্তি সমূহ কি কি?

**প্রশ্ন ৫ ঃ** 'Idea of Holy' নামৰ গ্রন্থখনৰ লেখক কোন?

**প্রশ্ন ৬ ঃ** ধর্মীয় অভিজ্ঞতাৰ গুৰুত্বপূর্ণ উপাদান তিনিটা কি কি?

**(খ) চুটি প্রশ্নঃ**

**প্রশ্ন ১ ঃ** হুচার্লে আৰু ডেকার্টে আগবঢ়োৱা 'চেতনাৰ' ধাৰণাৰ ওপৰত চমুকৈ মন্তব্য দিয়ক।

**প্রশ্ন ২ ঃ** চেতনাৰ চাৰিটা বৈশিষ্ট্য চমুকৈ আলোচনা কৰক

**প্রশ্ন ৩ ঃ** চমু টোকা লিখক।

(ক) চেতনা

(খ) ধর্মীয় চেতনা

**(গ) ৰচনাধর্মী প্রশ্ন**

**প্রশ্ন ১ ঃ** ধর্মীয় চেতনাৰ বিভিন্ন স্থিতিৰ বিশ্লেষণ কৰক।

**প্রশ্ন ২ ঃ** 'ধর্মীয় চেতনাৰ অবিহনে ধর্ম অস্তিত্বশীল' কথাষাৰৰ আপুনি একমত হয়নে?

**প্রশ্ন ৩ ঃ** কেনেকৈ ধর্ম আৰু চেতনা ইটো সিটোৰ লগত সম্পর্কিত ব্যাখ্যা কৰক।

**প্রশ্ন ৪ ঃ** ধর্মীয় চেতনা কি? ৰুডালফ্ অ্যটৰ মতামতটো ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ৫ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদ

## অধ্যায় গাঁথনি


৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ নৃত্বাত্ত্বিক মতবাদৰ প্ৰয়োজনীয়তা

৫.৪ ই.বি. টেইলৰৰ সৰ্বপ্ৰাণবাদ

৫.৫ হাবাৰ্ট স্পেনচাৰৰ কুলপূজা বা প্ৰেত পূজা

৫.৬ কুলচিহ্ন বা প্ৰতীক পূজাবাদ

৫.৭ যাদুশক্তিবাদ বা আদ্যাশক্তিবাদ

৫.৮ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় আটাইতকৈ সন্তোষজনক মতবাদ

৫.৯ ধৰ্ম বিষয়ক নিষেধ

৫.১০ মনস্তাত্ত্বিক মতবাদ

৫.১১ ধৰ্মীয় প্ৰবৃত্তি মতবাদ

৫.১২ একক উপাদান সম্পৰ্কীয় আবেগিক মতবাদ

৫.১৩ ধৰ্মীয় শক্তি বা বৃত্তি

৫.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১৫ অধিক জানিবলৈ

৫.১৬ অগ্ৰগতিৰ খতিয়ান

৫.১৭ আৰ্হি প্ৰশ্ন


## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সমস্যা সমূহৰ বিশ্লেষণ কৰিব পাৰিব।
- ধৰ্ম উৎপত্তি সম্পৰ্কীয় অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ব্যাখ্যা কৰিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিকোনৰ ফালৰ পৰা ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সমস্যাৰ বৰ্ণনা কৰিব পাৰিব।
- ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় নৃত্বাত্ত্বিক মতবাদৰ বিভিন্ন ভাগ সমূহৰ চিনাক্তকৰণ কৰিব পাৰিব।
- প্ৰাচীন মানৱে কেনেদৰে ভয়ৰ মনোবৃত্তিটো বিকাশ কৰিছিল তাৰ ব্যাখ্যা কৰিব পাৰিব।
- ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সন্তোষজনক মতবাদৰ ব্যাখ্যা কৰিব পাৰিব।
- ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মনোবৈজ্ঞানিক মতবাদৰ বিভিন্ন ভাগ সমূহ চিনাক্তকৰণ কৰিব পাৰিব।
- ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় বিভিন্ন মনোবৈজ্ঞানিক মতবাদৰ সমালোচনা মূলক আলোচনা কৰিব পাৰিব।

## ৫.২ পৰিচয়

আদিম ধর্মৰ বিভিন্ন দিশ অধ্যয়নৰ ক্ষেত্রত ধর্মদর্শনে নৃতত্ত্ববিদ আৰু পুৰাতত্ত্ববিদ সকলৰ দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছে। ধর্মৰ ক্ষেত্রখনৰ ওপৰত কাম কৰা ছাত্র ছাত্রীৰ বাবে নৃতত্ত্ববিদ আৰু পূৰাতত্ত্ববিদ সকলে যথেষ্ট অৰিহণা যোগাই আহিছে। ধর্ম সম্পর্কীয় অধ্যয়ন কৰিবলৈ যাওঁতে ছাত্র ছাত্রীয়ে ধর্মৰ আদিম অৱস্থা আৰু উৎপত্তি সম্পর্কীয় মূল প্রশ্ন সমূহৰ আতিগুৰি জানিবলৈ বিচাৰে। এই অধ্যায়টিত ধর্মৰ উৎপত্তি সম্পর্কীয় বিভিন্ন মতবাদৰ ব্যাখ্যা দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

অর্থাৎ ঈশ্বৰৰ সৈতে সমন্বয়। কিন্তু সকলো প্রকাৰৰ কর্মৰ দ্বাৰা ই হৈছে নিষ্কাম- কর্ম, যিয়ে এজন ব্যক্তিক পৰম আত্মা বা ব্রহ্মাৰ সৈতে সংযোগ কৰাব পাৰে।

## ৫.৩ নৃত্বাত্ত্বিক মতবাদৰ প্রয়োজনীয়তা

ধর্ম সম্পর্কীয় আলোচনা কৰিবলৈ যাওঁতে ছাত্র ছাত্রীৰ মনলৈ অহা মূল প্রশ্নবোৰ হৈছে- ধর্মৰ উৎপত্তি কেনেদৰে হ'ল? ধর্মৰ উৎস ক'ত? ধর্মৰ আটাইতকৈ আদিম অৱস্থা কি? ইত্যাদি। এই প্রশ্নসমূহৰ উত্তৰ বিচৰাটো অতি কঠিন। কিয়নো ইয়াৰ বাবে প্রয়োজনীয় তথ্য বিচাৰিবলৈ ইতিহাসৰ পৃষ্ঠা লুটিয়াব লাগিব যিটো অতিকৈ কঠিন। এইখিনিতে নৃতত্ত্ববিদ আৰু পূৰাতত্ত্ববিদ সকলে সংগ্রহ কৰা তথ্যৰ প্রয়োজনীয়তা আহি পৰে। ধর্মৰ আটাইতকৈ আদিম অৱস্থা কি? এই প্রশ্নটোৰ উত্তৰ দিবলৈ যাওঁতে নৃতত্ত্ববিদ সকলে ডাৰউইনৰ ( Darwin) বিবর্ত্তন বাদ সমর্থন কৰিছে। আকৌ বিবর্ত্তনৰ ক্ষেত্রত ডাৰউইনৰ বিখ্যাত মতবাদটো "জীয়াই থকাৰ বাবে উপযুপক্ততা (Survival for fitters) অর্থাৎ জীয়াই থাকিবলৈ হ'লে পৰিবেশৰ লগত খাপ খুৱাই নিজকে উপযুক্ত কৰি গঢ়ি তুলিব লাগিব।

নৃতত্ত্ববিদ সকলে আদিম ধর্ম অনুসন্ধান কৰিছে। তেওঁলোকৰ অনুসন্ধানত ওলাইছে যে যদিও আমি আমাৰ পূর্ব্ব পুৰুষৰ পৰা বহুত পৃথক তথাপিও কিছুমান শাৰিৰীক, সামাজিক আৰু মানসিক সাদৃশ্য ধাৰাবাহিক ভাৱে আমাৰ পূর্ব্বপুৰুষৰ পৰা আমাৰ মাজলৈ আহিছে। এইটোকে সূত্র হিচাপে ধৰি নৃতত্ত্ববিদ সকলে পর্য্যবেক্ষণ কৰিছে যে ধর্মৰ উৎস সম্পর্কীয় প্রশ্নটো ধর্মসম্পর্কীয় আন প্রশ্ন সমূহতকৈ পৃথক।

তাৰোপৰি নৃতত্ত্ববিদ সকলে পৃথিৱীত এইপর্যন্ত বসবাস কৰা আদিম মানৱৰ, যি সকলে এতিয়াও আধুনিক কলা কৌশলৰ দ্বাৰা প্র ভাৱিত হোৱা নাই, সেই সকলৰ আচৰণ বিধি আদিও অধ্যয়ন কৰে। এই অধ্যয়ন বোৰে ছাত্র-ছাত্রীক ধর্মৰ উৎপত্তি সম্পর্কীয় মতবাদ সমূহ অধ্যয়ন কৰাত সহায় কৰে। ধর্মৰ উৎপত্তি সম্পর্কীয় মতবাদ সমূহ হ'ল-

## ৫.৪ ই.বি টেইলৰৰ সৰ্বপ্ৰাণবাদ মতবাদ

ই. বি. টেইলৰে পোন প্ৰথমবাৰৰ বাবে বৈজ্ঞানিক দৃষ্টিকোণেৰে ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সমস্যা সমূহ আলোচনা কৰিছিল। তেওঁ বৈজ্ঞানিক দৃষ্টিকোনেৰে পুংখানুপুংখ ৰূপে আদিম পূৰ্বপুৰুষ সকলৰ আচৰণ অধ্যয়ন কৰিছিল। তেওঁৰ প্ৰিমিটিভ কালচাৰ (Primitive Culture) নামৰ কিতাপখনত এই সম্পৰ্কে লিখিছে যে সংস্কৃতিৰ এটা নিৰ্দিষ্ট স্তৰলৈ মানুহে ভাবিছিল যে মানুহৰ দৰে প্ৰকৃতিৰ অন্যান্য প্ৰপঞ্চবোৰবো যেনে, গছ, কিতাপ, পাহাৰ, ডাৱৰ, শিল, তৰা আদি সকলোৰে প্ৰাণ আছে। তেওঁ সৰ্বপ্ৰাণবাদকে ধৰ্মৰ ৰূপ হিচাপে গণ্য কৰিছিল। আমাৰ পূৰ্বপুৰুষ সকলে প্ৰকৃতিৰ বিভিন্ন পদাৰ্থতে এক প্ৰকাৰ আত্মা থকা বুলি বিশ্বাস কৰিছিল। আমাৰ পূৰ্বপুৰুষ সকলে প্ৰকৃতিৰ বিভিন্ন পদাৰ্থতে এক প্ৰকাৰ আত্মা থকা বুলি বিশ্বাস কৰিছিল। টেইলৰৰ মতে আদিম মানৱে নিজৰ প্ৰকৃতিৰ লগত তুলনা কৰি কিছুমান শাৰিৰীক ক্ৰিয়া কৰ্ম প্ৰকৃতিৰ সকলো বস্তুতে আৰোপ কৰিছিল আৰু ধৰ্মৰ উৎপত্তিত ইয়াৰ পৰাই হৈছিল। টেইলৰে যুক্তি দৰ্শাইছিল যে আদিম মানৱে প্ৰাকৃতিক বস্তুত আত্মা আবিস্কাৰ কৰিছিল আৰু আবিস্কৃত আত্মা আৰু বস্তুৰ মাজত এক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। তাৰ পিছত ইয়াৰে কিছুমানক সন্তুষ্ট কৰিবলৈ তেওঁলোকে চেষ্টা কৰিছিল। টেইলৰে কৈছে যে সম্বৰতঃ এই ভাবাদৰ্শই আদিম ধৰ্মৰ মূল উৎস। এই ধাৰণাৰ বশৱৰ্তী হৈয়েই তেওঁলোকে দেহাতীত প্ৰাণৰ কথা ভাবে আৰু পূৰ্বপুৰুষক পূজা কৰে। ই. বি. টেইলৰৰ সৰ্বপ্ৰাণবাদে উত্থাপন কৰে যে "অসমখ্যা আত্মাৰে সৈতে প্ৰকৃতিৰ সকলো জীৱিত" গতিকে প্ৰকৃতি সম্পৰ্কে এই বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ সৰ্বপ্ৰাণ বাদক ধৰ্মৰ উৎস হিচাপে নিৰ্ণয় কৰিছে।

সমালোচক সকলে মত পোষণ কৰিছে যে আদিম সভ্যতাৰ এক নিৰ্দিষ্ট স্তৰলৈকেহে সৰ্বপ্ৰাণবাদ সামগ্ৰিকভাৱে গ্ৰহণযোগ্য। ধৰ্মৰ উৎপত্তি সম্পৰ্কে এই মতবাদ সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। টেইলৰৰ এই মতবাদ বিভিন্নজনে সমালোচনা কৰিছে।

হফডিংয়ে (Hoffding) কৈছে যে সৰ্বপ্ৰাণবাদ ধৰ্মৰ আদিম ৰূপ নহয়, দৰ্শনৰহে আদিম ৰূপ। হফডিঙে সৰ্বপ্ৰাণবাদ সম্পৰ্কে কয় যে ই "মানৱ দৰ্শনৰ প্ৰাথমিক ৰূপ।" সৰ্বপ্ৰাণবাদ একেবাৰে সৰল মতবাদ। কিন্তু যেতিয়া টেইলৰে আদিম মানৱে প্ৰকৃতিৰ সকলো বস্তুতে আত্মাৰ ধাৰণা আৰোপ কৰা বুলি মন্তব্য কৰিলে তেতিয়াই ই বিভিন্ন সমস্যাৰ সন্মুখীন হয়।

ইয়াত উৎপত্তি হোৱা সমস্যাটো হ'ল- কেনেদৰে 'আত্মাৰ' ধাৰণা আদিম মানৱৰ মনলৈ আহিল? এই সমস্যাৰ সমাধান স্বৰূপে টেইলৰে "সপোন তত্ত্ব" আগবঢ়াইছে। সপোনৰ সংজ্ঞ তেওঁ ৰহস্যময় প্ৰপঞ্চ ৰূপে আগবঢ়াইছে। সপোনৰ প্ৰতিমূৰ্ত্তি এক প্ৰাণৰ "অস্থায়ী ভৌতিকতা"- "প্ৰতিমূৰ্ত্তি" আহে আৰু যায়, সত্য যেন বোধ হয় আৰু যেতিয়া স্পষ্ট কৰা হয়, শূন্য হৈ অন্তধ্যান হয়। গতিকে তেনেকুৱা প্ৰতিমূত্তিৰ পৰা আদিম মানৱে শৰীৰৰ বাহিৰত আত্মাৰ ধাৰণা বিকাশ কৰিব পাৰে।

সমালোচকে আকৌ মত পোষণ কৰে যে এটা নির্দিষ্ট স্তৰলৈকে আদিম সংস্কৃতিত "আদিম মানৱৰ ধর্মীয় অভিজ্ঞতাৰ মূখ্য বৈশিষ্ট্য হিচাবে কিছুমান দৃশ্যমান আকৃতিত মনোনিবেশ" কৰাটো সম্ভৱ। কিন্তু এইটো এতিয়াও প্রশ্ন হৈয়ে থাকিল যে ইয়াক ধর্মীয় বিকাশৰ প্রাৰম্ভিক বিশ্বাস বুলিব পাৰিনে?

গতিকে সর্বপ্রাণবাদ ধর্মৰ উৎপত্তি সম্পর্কীয় সন্তোষজনক মতবাদ হিচাপে সফল নহল। আদিম মানৱৰ বাবে আত্মা অতি বৌদ্ধিক বা জটিল ধাৰণা হিচাপে প্রতি ফলিত হ'ল। জেমচ্ (James)ৰ মতে আদিম মানৱক বৌদ্ধিক বিচাৰবিদ বুলি ভাবিলে তেওঁলোকক পূর্ব যৌক্তিক ৰহস্যধর্মীতাৰ স্তৰলৈ নিয়াটোকে বুজায়। আকৌ মেৰেট ( Marett) কোৱাৰ দৰে এই ধাৰণাটোও "সি (আদিম মানৱ) মূলতঃ সীমা নির্ধাৰণ আৰু পার্থক্য আহৰণ কৰাৰ লগত জড়িত যেতিয়া বাস্তৱত উপস্থাপন কৰা হয়।"

## ৫.৫ হার্বাট স্পেনচাৰৰ কুলপূজা বা প্রেত পূজা মতবাদ

হার্বাট স্পেনচাৰে কুলপূজা বা প্রেত পূজাক আদিম ধর্ম হিচাপে ব্যখ্যা কৰিছে। তেওঁৰ মতে ধর্মৰ উৎপত্তি বিচাৰি পোৱা যায় মৃত পূর্বপুৰুষৰ কাৰণে কৰা পূজা আৰু পূজা যিয়ে প্রেত হিচাপে পুণঃ আবির্ভাৱ হয়। সর্বপ্রাণবাদ কূলপূজা বা প্রেতপূজাবাদৰ এক ভিন্ন প্রকাৰ। প্রেত পূজাৰ পৰা আদিম মানৱে আত্মা পূজাৰ ধাৰণা বিকাশ কৰিব পাৰে।

হার্বাট স্পেইচাৰৰ মতবাদ ইমানেই সৰল যে ইয়াক ধর্মৰ উৎপত্তি মতবাদ বুলি মানি লব নোৱাৰি। ধর্ম এক জটিল বিষয়। এনে জটিল বিষয়ক কেতিয়াও পূর্ব পুৰুষৰ প্রেত পূজাৰ দৰে ঠেক ভেটিৰ ওপৰত প্রতিষ্ঠিত হ'ব নোৱাৰে। সেইবাবে বহুতো চিন্তাবিদে স্পেনচাৰৰ মতবাদক আদিম দর্শন বুলিহে অভিহিত কৰে।

আকৌ স্পেনচাৰৰ পূর্বপুৰুষৰ বা প্রেত পূজা মতবাদৰ অর্থ হৈছে কিছু অতিপ্রাকৃতিক সত্তা যেনে- ঈশ্বৰক পূজা কৰা। সেইবাবে আমি কব পাৰো যে অতি প্রাকৃতিক সত্তাই ধর্মৰ পথাৰখন উৎপত্তিৰ পৰা আৰম্ভ কৰি পূর্ণতা প্রাপ্তিৰ অৱস্থালৈকে অধিকাৰ কৰি আছে। সামৰণিত আমি ইয়াকে কব পাৰো যে হার্বাট স্পেনচাৰৰ প্রেত পূজাবাদ বা কূলপুজাবাদ ধর্মৰ উৎপত্তি সম্পর্কীয় সঠিক মতবাদ নহয়।



অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১** ঃ চমু উত্তৰ দিয়ক।

(ক) ধর্মৰ উৎপত্তি সম্বন্ধে প্রেত পূজাবাদ মতবাদৰ কোনে প্রৱর্তন কৰিছিল?

.....

.....

.....

.....

(খ) "জীয়াই থকাৰ বাবে উপযুক্ততা" কোনে কৈছিল?

.....

.....

.....

.....

(গ) ধর্মৰ প্রাৰম্ভকি ৰূপ কি?

.....

.....

.....

.....

**প্রশ্ন নং ২ ঃ** সত্য অসত্য বিচাৰ কৰক।

(ক) হফডিঙে কৈছে "মানুহৰ দর্শনৰ আটাইতকৈ প্রাথমিক হৈছে সর্বপ্রাণবাদ"

(খ) টেইলৰ সপোন মতবাদৰ প্রবর্ত্তক।

(গ) হার্বাট স্পেনচাৰে প্রেতপূজাবাদ বা কূলপূজাবাদক ধর্মৰ প্রাৰম্ভিক প্রকাৰ বুলি ব্যাখ্যা কৰে।

## ৫.৬ কুলচিহ্ন বা প্রতীক পূজাবাদ

বহুতো নৃতত্ত্ববিদৰ মতে কুলচিহ্নবাদ বা প্রতীক পূজাবাদ ধর্মৰ প্রাৰম্ভিক ৰূপ। ইয়াৰ প্রেতপূজাবাদে বা কূলপুজাবাদৰ লগত সম্বন্ধ আছে। প্রতীক পূজাবাদ বিশেষকৈ উত্তৰ আমেৰিকা, আফ্রিকা আৰু অষ্ট্রেলিয়াৰ কিছুমান ঠাইত বিচাৰি পোৱা যায়।

জে. বি. জেভন্স এই মতবাদৰ প্রৱর্তক। তেওঁৰ মতে প্রতীক পূজাবাদৰ মৌলিক বৈশিষ্ট হৈছে 'জন্তু বা গছ বা আন প্রকৃতি বস্তুৰ প্রজাতিৰ সৈতে সমগোষ্ঠীয় মৈত্রী'। তেওঁৰ ( "Introduction of History of Religion" ত এইটো পোৱা যায়। তাৰোপৰি কিছুমান নৃতত্ত্ববিদে প্রতীক পূজাবাদক সৰল আৰু আদিম ধর্ম বুলি অভিহিত কৰিছে। 'টোটেম' শব্দটোৱে আচলতে কোনো প্রতীকক সূচায়। কোনো প্রাণী বা গছ-গছনিৰ প্রজাতিক প্রতীক হিচাপে লৈ ইয়াক কোনো বংশ বা কুলক প্রতিনিধিত্ব কৰাৰ অর্থত লোৱা হয়।

'টোটেম'ক কোনো গোষ্ঠীৰ পূর্বপূৰুষ হিচাপে বিশ্বাস কৰা হয়। প্রতীক ঈশ্বৰ নহয়। ই ঈশ্বৰ সদৃশ। সেয়ে ইয়াক সন্মান কৰা হয়। প্রতীকক কেতিয়াও সাধাৰণ উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা নহয়। ই সদায় সন্মান পূর্বকভাৱে শুভ অনুষ্ঠানতহে ব্যৱহাৰ কৰা হয়। কোনো ব্যক্তিগত জন্তু

বা গছক টোটেম হিচাপে গন্য কৰা নহয় সেইবাবে ই এক প্ৰজাতি যাক 'টোটেম' হিচাপে প্ৰতিনিধিত্ব কৰা হয়।

ডব্লিও ৰ্বাটচন স্মিথে লিখা "Religion of the Senites" (১৮৮৫) নামৰ কিতাপখনত প্ৰতীক পূজা বাদ আৰু তাৰ বিকাশৰ বিষয়ে উল্লেখ আছে। তেওঁৰ মতক পিছত এফ বি জেভন্স এ তেওঁৰ "Introduction to History of Religion" (১৮৯৬) নামৰ কিতাপত বিকাশ কৰিছে।

সকলো সামাজিক অনুষ্ঠানতে প্ৰতীক পূজাবাদ বিচাৰি পোৱা যায়। ই এক সামাজিক বিষয়। প্ৰতীক পূজাবাদীয়ে বিশ্বাস কৰে যে তেওঁলোকৰ মাজত এক তেজৰ সম্পৰ্ক আছে, যাৰবাবে সিহঁতৰ মাজত এক পৰস্পৰ সোহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ় লয়। প্ৰতীক পূজাবাদীৰ বাবে প্ৰতীক অতি ব্যক্তিগত কিন্তু বাকীসকলৰ বাবে কুলচিহ্ন কেৱল অ-মানবাকৃতিক, কুলচিহ্নবাদে প্ৰতিকীবাদ, কল্পাৱলী আৰু বহুল কৰ্মকাণ্ডবাদৰ উদ্ভৱ কৰে।

সমালোচক সকলে মত পোষণ কৰে যে কুলচিহ্নবাদক সামাজিক সংগঠনৰ আৰু ধৰ্মৰ প্ৰাৰম্ভিক ৰূপ বুলিব পাৰি। ৰবাৰ্টচন স্মিথে তেওঁৰ "Religion of the Semites" কিতাপখনত কৈছে যে আমাৰ ধৰ্মীয় বিশ্বাসত যিটো বলি প্ৰথা আছে সি কুলচিহ্নবাদৰ পৰাই আহিছে। তাৰোপৰি ফলাচী সমাজবিদ এমিলি ডাৰখিমে তেওঁৰ "Philosophy of Religion" নামৰ কিতাপত কুলচিহ্নবাদক ধৰ্মীয় আৰু সামাজিক সংগঠনৰ প্ৰাৰম্ভিক ৰূপ বুলি কৈছে। কিন্তু তেওঁৰ এই মতক সামান্যীকৰণ কৰিব নোৱাৰি। আদিম মানুহে জনজাতীয় বা গোষ্ঠীগত পৰম্পৰা সুদৃঢ় কৰিবৰ বাবে কুলচিহ্ন পূজা কৰিছিল।

আধুনিক নৃতত্ত্ববিদসকলে গৱেষণাত উল্লেখ কৰিছে যে কুলপূজাবাদ প্ৰাচীন সময়ত কেৱল "সাৰ্বজনীনভাবে ব্যৱহৃত ধৰ্মীয় ব্যৱস্থা" হে আছিল। ইয়াক ধৰ্মৰ প্ৰাৰম্ভিক ৰূপ বুলি কব নোৱাৰি। কাৰণ বহুতো মানুহৰ বাবে যেনে চেইলৰ (Ceylor) ৰ বেদা (Vedda) সকল, আন্দামান দ্বীপ আৰু ব্ৰাজিলৰ লোক এই সম্পৰ্কে অজ্ঞাত আছিল। ধৰ্ম এক সামাজিক দিশ আছে (যিয়ে বান্ধি ৰাখে) আৰু কুলচিহ্ন বাদে সামাজিক দিশত গুৰুত্ব আৰোপ কৰে। সকলো ধৰ্মতে পূজা আৰু প্ৰাৰ্থনাৰ বাবে এক সৰ্বশ্ৰেষ্ঠ দ্ৰব্য থাকে। কিন্তু বহু ঠাইত প্ৰানী প্ৰতীকৰ অতি প্ৰাকৃতিক শক্তি থাকিলেও পূজা অৰ্চনাৰ বাবে ব্যৱহৃত নহয়। আকৌ এইটোও দেখা যায় যে কুলচিহ্নৰ আচাৰ-ৰীতি সমূহ ধৰ্মীয় গুৰুত্বতকৈ যাদুকৰী গুৰুত্বৰ লগতহে বেচি জড়িত।

## ৫.৭ যাদুশক্তি বাদ বা আদ্যাশক্তি বাদ

নৃতত্ত্ববিদ সকলে মত পোষণ কৰে যে আদিম মানৱে শক্তিশালী দৃষ্টিমান বস্তুক সংশয় বশতঃ শ্ৰদ্ধাকৰে। পলিনেচীয় দ্বীপ পুঞ্জৰ আদিম অধিবাসী সকলে এই শক্তিক 'মানা' বা যাদুশক্তি বুলি অভিহিত কৰিছে। বিভিন্ন জনজাতিয়ে ব্যৱহাৰ কৰা অৱেণ্ড (Orenda) ওকাণ্ডা (Wokanda) আদি শব্দইও একে অৰ্থকে নিৰ্দেশ দিয়ে। নৃতত্ত্ববিদ আৰু ধৰ্মৰ তুলনামূলক অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীয়ে 'মানা' বা 'যাদুশক্তি' শব্দটো আদিম ধৰ্মীয় অনুভূতিক ব্যাখ্যাৰ বাবে ব্যৱহাৰ কৰে।

'মানা' বা 'যাদুশক্তি' শব্দটো শক্তি সম্পন্ন ধাৰ্মিক বা পবিত্ৰ ব্যক্তি বা বস্তুক বুজায়। এইদৰে আদিম মানুহে তেওঁলোকৰ ধৰ্মীয় ভাৱধাৰাৰ প্ৰকাশ কৰিছিল। বিচপ কডৰিংটন (Bishop Codrington) এ তেওঁৰ "The Melanesess" নামৰগ্ৰন্থত প্ৰথম বাৰৰ বাবে 'মানা' শব্দটো ব্যৱহাৰ কৰিছিল। মানা বা যাদুশক্তি "সৰ্বব্যাপক অতীন্দ্ৰিয় শক্তি' বুলি বিশ্বাস কৰা হয়। ই অপ্ৰত্যাশিত, ধৰণেৰে কাম কৰে। প্ৰাকৃতিক বস্তুত অতি অসাধাৰণ ধৰণেৰে যাদুশক্তি প্ৰকাশিত হয়। "মানা' ৰহস্যময় আৰু যাদুকৰি। 'যাদুশক্তি' যিহেতু অতিপ্ৰাকৃতিক গতিকে প্ৰাকৃতিক বস্তুতকৈ ই পৃথক। ই বেছি পৰিমানে মানসিক শক্তিৰ লগতহে জড়িত। এই পৃথিৱীখনত ইয়াক অসীম শক্তিৰ সঞ্চিত ভড়াল বুলি ধৰা হয়। এই শক্তিত ভাল আৰু বেয়া দুয়োটাই আছে। 'মানা' বা যাদুশক্তি এনে অপৰিমিত শক্তি যি অসাধাৰণ ৰূপত বস্তু বা ব্যক্তি বা অপ্ৰত্যাশিত ঘটনাত প্ৰকাশিত হয়। কডৰিংটনে তেওঁৰ ১৮৯১ চনত প্ৰকাশিত "The Mehansians" গ্ৰন্থ মতপোষণ কৰে যে মানুহৰ সকলো প্ৰকাশ্য সাফল্যই যাদুশক্তিৰ অস্তিত্ব প্ৰমান কৰে। মানুহৰ যিকোনো সামাজিক, ৰাজনৈতিক বা অন্য ধৰণৰ শক্তিয়েই হৈছে যাদুশক্তি।

গতিকে যাদুশক্তি কোনো বাহ্যজগতৰ বাহ্যিক শক্তি নহয়। এইটোও বিশ্বাস কৰা হয় যে যুদ্ধশক্তি আহৰণ কৰে। 'যাদুশক্তি' বা 'মানা' হৈছে এক অভ্যন্তৰীণ শক্তি যি শাৰিৰীক শক্তি জাগ্ৰত কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৩ঃ** চমু উত্তৰ দিয়ক।

(ক) কূলচিহ্নবাদ কোনে প্ৰৱৰ্তন কৰিছিল?

.....

.....

.....

.....

(খ) 'টোটেম বা কূলচিহ্ন' কি?

.....

.....

.....

.....

(গ) কোনে 'মানা' শব্দটো পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল?

.....

.....

.....

.....

**প্ৰশ্ন নং ৮** ঃ সত্য অসত্য বিচাৰ কৰক।

(ক) ধৰ্ম অতি গভীৰভাৱে মানুহৰ প্ৰকৃতিত সোমাই আছে।

(খ) বৃত্তিগত মনোবিজ্ঞানক কৃত্ৰিম বিজ্ঞান বুলি মনোনীত কৰিব পাৰি।

(গ) গ্ৰীচৰ এপিকিউৰিয়ানসকলে মানুহৰ মনোবিজ্ঞানত একমাত্ৰ আবেগৰ মুখ্য পৃষ্ঠপোষক নহয়।

## ৫.৮ ধৰ্ম বিষয়ক বিষেধ

ড° মাৰেটৰ মতে "মানা" বা "যুদুশক্তি" আৰু 'ধৰ্মীয় নিষেধ' বা 'টাবু' এ আমাক সৰ্বপ্ৰাণবাদ সম্পৰ্কীয় ধৰ্মৰ প্ৰাথমিক ধাৰণা দিয়ে। যাদুশক্তিবাদক অতি প্ৰাকৃতিক ঘটনাৰ সদৰ্থক দিশ হিচাপে বুজা যায়। আনহাতে ধৰ্মীয় নিষেধ বা 'টাবুক' ধৰ্মৰ নঞৰ্থক দিশ হিচাপে বুজা যায়। নৃতত্ত্ববিদ সকলে অৱশেষত ধৰ্মৰ উপৰিও মনস্তত্ত্বকে মূল বুলি বিবেচনা কৰিছে।

## ৫.৯ মনস্তাত্ত্বিক মতবাদ

ক্ৰমাগতভাৱে ধৰ্মৰ উৎপত্তি আৰু বিকাশৰ ক্ষেত্ৰত মনস্তাত্ত্বিক উপাদান বিকশিত হৈছিল। এই সম্পৰ্কীয় প্ৰথম মতবাদে 'অনুভৱ'ক ধৰ্মৰ উৎপত্তিৰ কাৰণ হিচাপে বিবেচনা কৰে। দ্বিতীয় মতবাদে 'আবেগক' ধৰ্মৰ উৎসৰ কাৰণ ৰূপে গন্য কৰে আৰু তৃতীয় মতবাদে ধৰ্মীয় শক্তি বা সক্ষমতাৰ ওপৰত ধৰ্মৰ উৎপত্তি নিৰ্ভৰ কৰে বুলি বিবেচনা কৰে। গতিকে আমি ধৰ্মৰ উৎপত্তি বিষয়ক মনস্তাত্ত্বিক মতবাদ তিনিটা পাওঁ। সেইকেইটা হ'ল- প্ৰবৃত্তি মতবাদ (Instinct theory), বৃত্তিগত মতবাদ (faculty theory) আৰু একক মৌলিক আবেগ মতবাদ (Single elemental emotion theory)।

## ৫.১০ ধৰ্মীয় প্ৰবৃত্তি মতবাদ

এই মতবাদে ধৰ্মৰ উৎপত্তি ধৰ্মীয় প্ৰবৃত্তিৰ পৰা হোৱা বুলি কয়। 'প্ৰবৃত্তি' শব্দটো ইয়াৰ কঠোৰ অৰ্থত ব্যৱহাৰ কৰা নহয়। ইয়াত 'প্ৰবৃত্তি' মানে হ'ল ধৰ্মৰ কিছুমান স্বভাৱজাত উপাদান আছে। চমুকৈ কবলৈ হ'লে আমি কব পাৰো যে প্ৰবৃত্তি মানে হ'ল কিছুমান কৰ্মৰ শৃংখলা যি উৎপত্তি হয় জৈৱিক চাহিদা আৰু সেইবোৰক তৃপ্ত কৰাৰ লক্ষ্যৰ পৰা। প্ৰবৃত্তিগত শক্তি জন্মগত, প্ৰাকৃতিক, আৰু স্বভাৱজাত"। মাৰ্চেলে (Marshall) প্ৰবৃত্তিগত মতবাদক বেলেগ ধৰণেৰে ব্যাখ্যা দাঙি ধৰিছে। তেওঁৰ মতে ধৰ্মীয় প্ৰবৃত্তি গোষ্ঠী বা শ্ৰেণীৰ উপযোগী কৰ্মৰ পৰাহে বিকশিত হয়।

তেওঁ কৈছে যে মানুহে সাধাৰণতে স্বইচ্ছাৰ বিৰুদ্ধেও কিছু মান কাম কৰে। ধৰ্মীয় প্ৰবৃত্তি ইয়াত বৈজ্ঞানিক ধৰণেৰে ব্যৱহাৰ হৈছে। কিন্তু এই মতবাদ সন্তোষজনক নহয়। মানুহ মুলতঃ ধাৰ্মিক কিন্তু ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সমস্যা ধৰ্মীয় প্ৰবৃত্তিয়ে নিষ্পত্তি কৰিব পাৰে বুলি ক'ব নোৱাৰি। তেনেক্ষেত্ৰত আৰু বেছি ব্যাখ্যাৰ প্ৰয়োজন হ'ব। আমি ইয়াকে কব পাৰো যে মানুহে এক নিৰ্দিষ্ট ধৰণেৰে কাম কৰে কিয়নো মানুহৰ কিছুমান স্বভাৱজাত স্পৃহা আছে বুলি কোৱাটো স্বতঃ সত্য হ'ব।

দ্বিতীয়তে প্ৰবৃত্তিগত মতবাদ কৃতকাৰ্য্য নহল কাৰণ ধৰ্ম বিশেষ সৰল প্ৰতিবিম্বৰ প্ৰতি বিশেষ সৰল প্ৰতিক্ৰিয়া নহয়। ই বহুতো প্ৰবৃত্তিৰ সম্মিলিত এক জটিল ফল, যি এক নহয় (বিজাতীয় প্ৰকৃতিৰ) গতিকে ধৰ্মক প্ৰবৃত্তিৰ লগত আৰোপ কৰিলে এক জটিল প্ৰপঞ্চক সৰলীকৰণ কৰা হব। এই মতবাদৰ একমাত্ৰ সুবিধা হ'ল ইয়াত সত্যৰ উপাদান আছে। সেইটো হৈছে ধৰ্ম গভীৰভাবে মানুহৰ প্ৰকৃতিৰ মাজত সোমাই আছে। তাৰোপৰি এইমতবাদে নিৰ্দেশ দিয়ে যে ধৰ্ম মানুহৰ বাবে স্বাভাৱিক আৰু প্ৰাকৃতিক।

## ৫.১১ একক উপাদান সম্পৰ্কীয় আবেগিক মতবাদ

বহুতো মনোবৈজ্ঞানিকৰ মতে ধৰ্মৰ উৎপত্তি এক আবেগিক উপাদানৰ পৰা হৈছে। কিছুমানৰ মতে "বুদ্ধি" আন কিছুমানৰ মতে "অনুভৱ" আৰু কিছুমানৰ মতে "ইচ্ছা" মূখ্য ধৰ্মীয় শক্তি। আকৌ কিছুমান 'ভয়' বা 'সংশয়'ক সকলো ধৰ্মত উপস্থিত থকা সাধাৰণ আবেগ বুলি কৈছে। গ্ৰীচৰ ইপিকিউৰিয়ান (Epicurean) সকল এইমতৰ মূখ্য প্ৰৱৰ্ত্তক। ডেভিদ হিউমেও এই মতক সমৰ্থক কৰে। কিন্তু তেওঁ ভাবে ভয় বা সংশয় আশাৰ লগত সংলগ্ন হৈ আছে। ঈশ্বৰৰ প্ৰতি থকা ভয় ভাবেই ধৰ্মৰ উৎপত্তিৰ কাৰণ আৰু ঈশ্বৰৰ শুভেচ্ছা লাভ কৰাৰ প্ৰসংগতেই ধৰ্মৰ উৎপত্তিৰ বিষয় জড়িত।

কিন্তু এই মতবাদো সমালোচনা কৰা হৈছে। এইটো কেতিয়াও অবিশ্বাস কৰিব নোৱাৰি যে বিশেষকৈ সাধাৰণ শ্ৰেণীৰ ধৰ্মৰ ক্ষেত্ৰতহে ধৰ্মৰ প্ৰসংগত থকা আবেগৰ ভূমিকাটোৰ সন্দেহ কৰিব নোৱাৰি। প্ৰাকৃতিক শক্তিৰ প্ৰতি অনিৰ্দিষ্ট ভয়ে আদিম মানৱৰ জীৱন ব্যাপ্ত হৈ আছিল। আদিম মানৱে এই শক্তিক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। কিছুক্ষেত্ৰত বেয়া শক্তিৰ প্ৰতি সংশয়েও ধৰ্মীয় কৰ্মৰ সূত্ৰপাত ঘটায়। কিন্তু ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সংশয়ৰ আবেগ কেতিয়াও সন্তোষজনক ব্যাক্যা হ'ব নোৱাৰে।

## ৫.১২ ধৰ্মীয় শক্তি বা বৃত্তি

এই মতবাদ অনুসৰি ধৰ্ম এক প্ৰকাৰৰ আচৰণ। ধৰ্ম এক আভ্যন্তৰীণ অনুভৱ আৰু মনস্তাত্বিক সকলে বিশ্বাস কৰে যে ধৰ্মীয় বৃত্তি বা শক্তি বিভিন্ন ধৰ্মীয় কৰ্ম নিৰূপন কৰাত এক

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কৰ্ম হিচাপে ধৰ্ম বিভিন্ন উদ্দেশ্যৰ দ্বাৰা নিয়ন্ত্রিত হয়। মানুহ প্রকৃতিগতভাৱে ধাৰ্মিক বুলি বিশ্বাস কৰা হয় কাৰণ মানুহৰ কিছুমান ধৰ্মীয় শক্তি বা বৃত্তি থাকে। পুৰণি বৃত্তিগত মনস্তত্বৰ দিন এতিয়া নাই। বৃত্তিগত মনোবিজ্ঞান এতিয়া কৃত্রিম বিজ্ঞান হিচাপে প্রমাণিত হৈছে। ই অপ্রয়োজনীয় মতবাদ পুঞ্জৰ লগত সংযোজিত হৈছে। এক পৃথক ধৰ্মীয় বৃত্তি কল্পনা কৰাটো মানৱ মনৰ মৌলিক ঐক্যৰ উ পেক্ষা কৰা হ'ব। বৃত্তিগত মনোবিজ্ঞান মনৰ বিভাগীয় মতৰ ওপৰত নির্ভৰ কৰে আৰু এই মতবাদ সম্পূৰ্ণ অবৈজ্ঞানিক। মানুহৰ মনস্তত্ত্বত এনে কোনো ভাগ নাই যাক ধৰ্মীয় বুলিব পাৰি এই কাৰণেই যে সি মানুহৰ ধৰ্মীয় জীৱন সক্রিয় কৰে। ধৰ্মীয় অভিজ্ঞতা কিছুমান উপাদানৰ সমষ্টি যাৰ দ্বাৰা মানুহৰ চেতন জীৱন সমগ্রভাৱে সংগঠিত হয়। ধৰ্মৰ উৎপত্তি সম্পৰ্কে সম্যকভাবে মনস্তাত্ত্বিক মতবাদ অধ্যয়ন কৰিলে দেখা যায় যে ই নঞৰ্থক পৰিনামৰ হে নির্দেশ দিয়ে। মানুহৰ মনস্তাত্ত্বিক মতবাদ অধ্যয়ন কৰিলে দেখা যায় যে ই নঞৰ্থক পৰিনামৰ হে নির্দেশ দিয়ে। মানুহৰ মনস্তাত্ত্বিক প্রকৃতিত কোনো পৃথক ধৰ্মীয় উপাদান নাই। এনে কোনো বৃত্তি বা প্রবৃত্তি বা আবেগ নাই যাক ধৰ্মীয় বুলিব পাৰি কিয়নো সেইবোৰ অধাৰ্মিক জনগোষ্ঠীয় সত্ত্বাত বিচাৰি পোৱা নাযায়। আনকি আমি যদি ধৰ্মক ভয়ৰ বা সংশয়ৰ পৰা উৎপত্তি হোৱা বুলিও কওঁ তেতিয়াও এইটো নিশ্চিত যে সংশয় বা ভয় ধৰ্মীয় অনুভূতি নহয়। সংশয় মানে কেতিয়াও ধৰ্মীয় সংশয় নহয়। অথবা আমি এইটোও ক'ব নোৱাৰো যে ধৰ্মীয় চেতনা কিছুমান মনস্তাত্ত্বিক উপাদানৰ সমষ্টি। ই এক সংগঠিত সমগ্রতা যি ইয়াৰ অংশসমূহতকৈ ডাঙৰ। মানুহৰ প্রকৃতিৰ চূড়ান্ত উপাদানসমূহ এজন মহাত্মা আৰু এজন পাপীৰ ক্ষেত্রত একে হয়, পাৰ্থক্য আছে কেবল সাংগঠনিক নীতি বা উদ্দেশ্যৰ পৰিচালনাৰ ক্ষেত্রত।

ধৰ্মৰ উৎপত্তি সম্পৰ্কে মনস্তাত্ত্বিক সমস্যা সমূহ মনক খণ্ড কৰি সমাধান কৰিব নোৱাৰি। কিন্তু মনৰ মাজত থকা ধৰ্মীয় চেতনাৰ সামগ্রিকভাৱে উপলব্ধি কৰি ইয়াৰ সমাধান কৰিব পাৰি।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৫ ঃ** চমু উত্তৰ দিয়ক।

(ক) মনস্তাত্ত্বিক দৃষ্টিকোণৰ পৰা ধৰ্মৰ উৎপত্তি সম্পৰ্কী মতবাদ কেইটা কি কি?

.....

.....

.....

.....

(খ) বৃত্তিগত মতবাদ কি?

.....

.....

.....

.....

(গ) একক উপাদান আবেগ মতবাদৰ প্ৰৱৰ্তক কোন?

.....

.....

.....

.....

**প্ৰশ্ন নং ৬ ঃ** খালী ঠাই পূৰণ কৰক।

(ক) হিউমে ভাবে যে ধৰ্মৰ উৎপত্তি..... ভয় বা সংশয়ৰ পৰা হৈছে।

(খ) মানুহৰ প্ৰকৃতিৰ চূড়ান্ত উপাদানসমূহ..... আৰু.....কাৰণে হয়।

(গ) আদিম মানুহৰ মনত.....আৰু .....মাজত পাৰ্থক্য অহা নাছিল।



## ৫.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় বিভিন্ন মতবাদ সম্পৰ্কে আলোচনা কৰিলো। ইয়াত আলোচিত মূল কথাসমূহ হ'ল-

- ই.বি. টেইলৰে পোন প্ৰথমবাৰৰ বাবে বৈজ্ঞনিক দৃষ্টিভংগীৰে ধৰ্মৰ সম্পৰ্কীয় সমস্যাসমূহ অধ্যয়ন কৰিছিল।
- হাৰ্বাট স্পেনচাৰে প্ৰেত পূজা বা কূল পূজাক ধৰ্মৰ প্ৰাৰম্ভিক ৰূপ হিচাপে ব্যাখ্যা কৰিছিল।
- কূলচিহ্ন বা প্ৰতীক পূজাবাদ বিশেষকৈ উত্তৰ আমেৰিকা, আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ কিছুমান ঠাইত বিচাৰি পোৱা যায়।
- 'মানা' বা 'যাদুশক্তি' শব্দটোৱে শক্তি সম্পন্ন ধাৰ্মিক পবিত্ৰ ব্যক্তি বা বস্তুক বুজায়।
- নৃতত্ত্ববিদ আৰু তুলনামূলক ধৰ্মৰ ছাত্ৰ-ছাত্ৰীয়ে যাদুশক্তিবাদকে ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় সন্তোষজনক মতবাদ আখ্যা দিছে।
- যাদুশক্তিবাদে সৰ্বপ্ৰাণবাদ, প্ৰেতপূজাবাদ আৰু প্ৰতীক পূজাবাদ বা কূলপবজাবাদ সগলোৰে ব্যাখ্যা দিব পাৰে।
- মনস্তাত্ত্বিক দৃষ্টিকোণৰ পৰা ধৰ্মৰ তিনিটা মতবাদ আছে। সেই কেইটা হ'ল প্ৰবৃত্তি মতবাদ, বৃত্তিগত মতবাদ, একক মৌলিক আবেগ মতবাদ।



## ৫.১৪ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধর্ম দর্শন', ভগৱতী প্রকাশন

২) ধর্ম দর্শন— পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ড° ৰামনাথ শর্ম্মা, কেদাৰনাথ ৰামনাথ প্রকাশন, দিল্লী।



## ৫.১৫ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰঃ ই.বি. টেইলৰ

(খ ) উত্তৰঃ ডাৰউইন

(গ) উত্তৰঃ সর্বপ্রাণ বাদ

**২ নং প্রশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰ ঃ সত্য

(খ) উত্তৰ ঃ সত্য

**৩ নং প্রশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰঃ জে বি জেভঞ্চ

(খ ) উত্তৰঃ 'টোটেম' হৈছে কোনো জন্তু বা গছৰ প্রজাতি

(গ) উত্তৰঃ বিচপ কড্রিংটন

(ঘ) উত্তৰ ঃ 'মানা' বা 'যাদুশক্তি'য়ে শক্তি সম্পন্ন পবিত্র ব্যক্তি বা বস্তুক বজায়।

**৪ নং প্রশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰঃ সত্য

(খ ) উত্তৰঃ সত্য

(গ) উত্তৰঃ সত্য

**৫ নং প্রশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰঃ প্রবৃত্তি মতবাদ, বৃত্তিগত মতবাদ, আৰু একক আবেগ মতবাদ

(খ ) উত্তৰঃ এই মতবাদ ধর্মৰ উৎপত্তি এক প্রকাৰ কর্ম, বা আচৰণৰ ওপৰত আৰোপ কৰে।

(গ) উত্তৰঃ গ্রীচৰ এপিকিউৰিয়ান

**৬ নং প্রশ্নৰ উত্তৰ ঃ**

(ক) উত্তৰঃ ঈশ্বৰ

(খ ) উত্তৰঃ মহাত্মা আৰু পাপী

(গ) উত্তৰঃ ব্যক্তিগত আৰু নৈব্যক্তিক



## ৫.১৬ আৰ্হি প্ৰশ্ন

### (ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কুলচিহ্ন বা প্ৰতীক পূজাবাদ কি?

প্ৰশ্ন ২ ঃ ধৰ্ম বিষয়ক নিষেধ কি?

প্ৰশ্ন ৩ ঃ বৃত্তিগত মতবাদ কি?

প্ৰশ্ন ৪ ঃ যাদুশক্তিবাদ কি?

প্ৰশ্ন ৫ ঃ ধৰ্মৰ উৎপত্তি বিষয়ক মনস্তাত্ত্বিক মতবাদ তিনিটা কি?

প্ৰশ্ন ৬ ঃ 'Mana' শব্দচাৰ অৰ্থ কি?

প্ৰশ্ন ৭ ঃ একক মৌলিক আবেগ মতবাদৰ সমৰ্থক কোন কোন?

প্ৰশ্ন ৮ ঃ কুলচিহ্ন বা প্ৰতীক পূজাবাদৰ প্ৰৱৰ্ত্তক কোন?

### (খ) চমুটোকা লিখক? (১০০-১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ প্ৰবৃত্তি মতবাদ কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ধৰ্মৰ বৃত্তিগতটো আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক-

(ক) ধৰ্মীয় নিষেধ

(খ) প্ৰতীক পূজাবাদ

(গ) ধৰ্মী প্ৰবৃত্তি মতবাদ

(ঘ) ধৰ্মীয় বৃত্তি মতবাদ

(ঙ) যাদুশক্তিবাদ

প্ৰশ্ন ৪ ঃ যাদুশক্তিবাদ কি? চমুকৈ ব্যাখ্যা কৰক।

### (গ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় নৃতাত্ত্বিক মতবাদ সমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ধৰ্মৰ উৎপত্তি সম্পৰ্কে কুলচিহ্নবাদ ব্যাখ্যা কৰক। ইয়াক এটি সন্তোষজনক মতবাদ বুলি কব পাৰিনে?

প্ৰশ্ন ৩ ঃ সমালোচনামূলক ভাবে যাদুশক্তি মতবাদ ব্যাখ্যা কৰক। ই সন্তোষজনক বুলি ভাবেনে?

প্ৰশ্ন ৪ ঃ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মনস্তাত্ত্বিক মতবাদসমূহ কি কি? যিকোনো এটা ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায়- ৬ ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদ

## অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ফ্ৰয়েডৰ জীৱন আৰু কৰ্ম ঃ সাধাৰণ পটভূমি

৬.৪ মনোবিশ্লেষণ আৰু ধৰ্ম

৬.৫ (a) ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদ

(b) অ'ডিপাছ্ কমপ্লেক্স

৬.৬ সমালোচনা

৬.৭ পাঠৰ মূলকথা

৬.৮ আনুষংগিক পুথিসমূহ

৬.৯ অগ্ৰগতি খতিয়ানৰ সমাধান

৬.১০ আৰ্হি প্ৰশ্ন

## ৬.১ উদ্দেশ্য

এই অধ্যায়টা অধ্যয়ন কৰাৰ পিছত তোমালোক সক্ষম হ'বা—

- ফ্ৰয়েডৰ সাধাৰণ পটভূমি বুজিবলৈ
- মনোবিশ্লেষণৰ অর্থ জানিবলৈ
- ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ ব্যাখ্যা কৰিবলৈ
- অডিপাছ্ কমপ্লেক্স বৰ্ণনা কৰিবলৈ
- ধৰ্ম সম্পৰ্কে ফ্ৰয়েডৰ সাধাৰণ মত জানিবলৈ
- ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ সমালোচনা বৰ্ণনা কৰিবলৈ

## ৬.২ পৰিচয়

এই গোটটোৱে তোমালোকক ছিগমাণ্ড ফ্ৰয়েডৰ (1856-1939) ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ লগত পৰিচয় কৰাই দিবা। ফ্ৰয়েড হ'ল মনোবিশ্লেষণাত্মক সম্প্ৰদায়ৰ পথ প্ৰদৰ্শক। তেওঁ আছিল ভিয়েনা, অষ্ট্ৰিয়াৰ মনঃস্তত্ববিদ। ফ্ৰয়েড আছিল তুলনামূলকভাৱে গেলিলিঅ', ডাৰউইন আৰু আইনষ্টাইনতকৈ বেছি গুৰুত্বপূৰ্ণ। ফ্ৰয়েডে ধৰ্মৰ উৎপত্তি আৰু প্ৰকৃতিবিষয়ক

প্ৰশ্নটোত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ ধৰ্মৰ আটাইতকৈ বিতৰ্কমূলক স্বভাৱজাত ইতিহাস উপস্থাপন কৰিছিল। বিংশ শতিকাৰ শেষৰ সময়ছোৱাত ফ্ৰয়েডে তেওঁৰ মানুহৰ ব্যক্তিত্ব সম্পৰ্কীয় আকস্মিক নতুন বিশ্লেষণৰ জৰিয়তে কেৱল ঔষধৰ ক্ষেত্ৰখনতেই নহয় বহুলভাৱে সমাজৰ ক্ষেত্ৰতো ভয় খাইছিল।

## ৬.৩ ফ্ৰয়েডৰ জীৱন আৰু কৰ্ম ঃ সাধাৰণ পটভূমি

ফ্ৰয়েডৰ জন্ম হৈছিল 1856 চনত ম'ৰা ভিয়া নামৰ ইউৰোপৰ কেন্দ্ৰভাগৰ এটা জিউইছ অৰ্থাৎ ইহুদী পৰিয়ালত। ফ্ৰয়েড যেতিয়া সৰু হৈ আছিল তেতিয়াই পৰিয়ালৰ লগত ভিয়েনা সাম্ৰাজ্যলৈ গুচি গৈছিল, য'ত তেওঁ জীৱনৰ শেষৰ সময়খিনি অতিবাহিত কৰিছিল।

মাধ্যমিক বিদ্যালয়ত, ফ্ৰয়েড এজন বিশেষ গুণসম্পন্ন ছাত্ৰ আছিল (Gifted Student), যিজনে গ্ৰীক, লেটিন আৰু হেব্ৰিউ আদি বিষয়সমূহ অধ্যয়ন কৰিছিল আৰু পাৰদৰ্শিতা তথা শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল। 1873 চনত, যেতিয়া ফ্ৰয়েডৰ বয়স মাত্ৰ 17 বছৰ তেতিয়াই তেওঁ ভিয়েনা বিশ্ববিদ্যালয়ৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰ আছিল আৰু ইয়াত তেওঁ এনাটমি বা শৰীৰ গঠন বিজ্ঞান (Anatomy) আৰু শৰীৰ বিজ্ঞান (Physiology)ৰ ওপৰত গৱেষণা আৰম্ভ কৰিছিল। 1881 চনত, মেডিচিনৰ এজন ডাক্টৰ হিচাপে গ্ৰেজুৱেট হোৱাৰ পিছত ফ্ৰয়েডে ভিয়েনা জেনেৰেল হস্পিটেলত কৰ্ম-জীৱনৰ পাতনি মেলে, য'ত তেওঁ মানুহৰ মগজুৰ ওপৰত কৰা গৱেষণা আগবঢ়াই নিয়ে।

1885 চনত ফ্ৰয়েডে স্নায়বিক বিশৃঙ্খলাৰ বিষয়ে অধ্যয়ন কৰিবলৈ পেৰিছলৈ যায়। এই যাত্ৰা একপ্ৰকাৰ দিশ নিৰ্দেশক হৈ পৰে যিয়ে ফ্ৰয়েডক মনৰ মনোবিজ্ঞানমূলক অধ্যয়নতকৈ মগজু বিশুদ্ধ শৰীৰতত্বমূলক গৱেষণাত মনোনিবেশ কৰিবলৈ উদগনি জনায়। পেৰিছৰ পিছত তেওঁ ভিয়েনালৈ ঘূৰি আহে আৰু মানসিক ৰোগীসকলৰ সৈতে অবিৰতভাৱে কাম কৰি গৈ থাকে। তদুপৰি ফ্ৰয়েডে স্নায়ুৰোগীসকলকো সফলভাৱে চিকিৎসা প্ৰদান কৰিছিল য'ত তেওঁ সম্মোহনী বিদ্যা প্ৰয়োগ কৰি বা সহজভাৱে এই ৰোগীসকলৰ লগত তেওঁলোকৰ ৰোগৰ বিষয়ে আলোচনীৰ মাধ্যমেৰে মানসিকভাৱে বিকাৰগ্ৰস্ত মানুহবিলাকৰ বিবেচনাহীন ব্যৱহাৰৰ চিকিৎসা কৰিছিল। এই প্ৰক্ৰিয়াটোত ফ্ৰয়েডে মানুহৰ মানসিক চিকিৎসাৰ ক্ষেত্ৰত এটা উপায় উদ্ভাৱন কৰিছিল যাক তেওঁ 'মনোবিশ্লেষণাত্মক পদ্ধতি' হিচাবে নামাকৰণ কৰিছিল। যেতিয়া তেওঁ মনোবিশ্লেষণৰ বুনিয়াদী ধাৰণাসমূহৰ ক্ৰমবিকাশ কৰিছিল তেতিয়া ফ্ৰয়েডে উদ্ভাৱন কৰিছিল যে ধৰ্ম হ'ল অধ্যয়নৰ বিশেষ আশাপ্ৰদ বিষয়।

যদ্যপি ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰত তেওঁৰ ব্যক্তিগত ধাৰণাক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰা হয়। ফ্ৰয়েডৰ আত্মজীৱনীখনৰ জীৱনীকাৰ জ'নছ্ (Johns)এ মতামত ব্যক্ত কৰিছিল ".....জীৱনৰ আৰম্ভণিৰপৰা শেষলৈকে তেওঁ এজন স্বভাৱজাত নাস্তিক হৈয়ে থাকে।" [.....he went through life from beginning to end a natural atheist."] (Life and work of

Frend, P. 3:351)

ফ্ৰয়েডে ভগৱানৰ ওপৰত বিশ্বাসৰ কোনো কাৰণ বিচাৰি পোৱা নাছিল আৰু সেইকাৰণে ধৰ্মীয় জীৱনৰ ৰীতি-নীতিবিলাকক কোনো মূল্য দিয়া নাছিল অৰ্থাৎ ব্যক্তিগতভাৱে ফ্ৰয়েডে এজন নাস্তিক আছিল।

ছিগমাণ্ড ফ্ৰয়েডৰ বিশিষ্ট কৰ্মৰাজিৰ ভিতৰত প্ৰধান তথা উল্লেখযোগ্য তিনিটা বিষয় হ'ল—

1. Totem and Taboo (1913)
2. The Future of an Illusion (1927)
3. Moses and Monotheism (1938)

## ৬.৪ মনোবিশ্লেষণ আৰু ধৰ্ম

মনোবিশ্লেষণ হৈছে ছিগমাণ্ড ফ্ৰয়েডৰ দ্বাৰা বিকশিত মানুহৰ মানসিক চিকিৎসাৰ বাবে উদ্ভাৱন কৰা এটা উপায়। ফ্ৰয়েডে মনোবিশ্লেষণ পদ্ধতিক মনোবিজ্ঞানৰ এটা সম্প্ৰদায় ৰূপে প্ৰতিষ্ঠা কৰিছিল।

ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় ফ্ৰয়েডৰ মতবাদটো তেওঁৰ বিশেষ মনোবিশ্লেষণাত্মক জ্ঞানৰদ্বাৰা গঠিত তথা বিকশিত। ফ্ৰয়েডে কৈছে যে, ব্যক্তিত্বৰ দৃঢ় অলক্ষণীয় উপাদানসমূহে মানুহৰ ধৰ্মীয় বিশ্বাস গঠন কৰে। ফ্ৰয়েডে অচেতনৰ ভূমিকা কি তাক প্ৰদৰ্শন কৰিছিল। কাৰ্ল য়ুঙ (Karl Jung 1875-1961) হৈছে মনোবিশ্লেষণমূলক সম্প্ৰদায়ৰ আন এজন বিশিষ্ট ব্যক্তি তথা ফ্ৰয়েডৰ এজন অনুসৰণকাৰী ব্যক্তি।



### জানি থোৱাঁ ভাল

- স্নায়ুৰোগ হৈছে একপ্ৰকাৰ মনঃস্তত্বমূলক পীড়া বা অশান্তি যিটো জৈৱিক বিকাৰৰ কাৰণ নহয়; ইয়াত মানসিক চাপ, বিষাদ, উদ্বেগ, মন অধিকৃত ব্যৱহাৰ আদি লক্ষণবোৰ অন্তৰ্ভুক্ত কৰা হয়।
- মনোবিশ্লেষণ হৈছে অচেতন মনৰ অধ্যয়নৰ লগত জড়িত থকা কিছুমান মতবাদৰ সমষ্টি আৰু চিকিৎসাবিদ্যাৰ কৌশল যি একেলগে মানসিক তথা শাৰীৰিক অশান্তি বা পীড়াৰ চিকিৎসাৰ এটা পদ্ধতি গঠন কৰে।



**অগ্ৰগতিৰ নিৰীক্ষণ**

**প্ৰশ্ন নং ১** ঃ খালী ঠাই পূৰ কৰা ঃ

(a) ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ ক্ৰমবিকাশ হৈছিল তেওঁৰ _____ বিশেষ জ্ঞানৰদ্বাৰা।

(b) ব্যক্তিগত জীৱনত, ফ্ৰয়েড আছিল এজন _____।

**প্ৰশ্ন নং ২** ঃ চমু উত্তৰ দিয়া ঃ

(a) ছিগমাণ্ড ফ্ৰয়েডৰ দ্বাৰা ৰচিত তিনিখন গ্ৰন্থৰ নাম লিখা।

.....

.....

.....

.....

(b) মনঃস্তত্বমূলক বিশ্লেষণ আৰু ফ্ৰয়েডৰ অনুসৰণকাৰী আন এজন গুৰুত্বপূৰ্ণ ব্যক্তিৰ নাম উল্লেখ কৰা।

.....

.....

.....

.....

## ৬.৫ (a) ধৰ্মৰ উৎপত্তি সম্পৰ্কে ফ্ৰয়েডৰ ব্যাখ্যা

ফ্ৰয়েডে তেওঁৰ মনোবিশ্লেষণমূলক দৃষ্টিভঙ্গী তথা ধৰ্ম সম্পৰ্কীয় একান্ত ব্যক্তিগত মনোভাৱৰ জৰিয়তে ধৰ্মৰ উৎপত্তি আৰু প্ৰকৃতি সম্পৰ্কীয় সমস্যাটোৰ ওপৰত বিশেষভাৱে মনোনিবেশ কৰিছিল।

"The Future of an Illusion" নামৰ গ্ৰন্থখনত ফ্ৰয়েডে ধৰ্মীয় বিশ্বাসক "ইচ্ছা পূৰণৰ ভ্ৰম" হিচাপে উপস্থাপন কৰিছিল। তেওঁৰ মতে ধৰ্মীয় বিশ্বাস হ'ল— "আটাইতকৈ পুৰণি, আটাইতকৈ শক্তিশালী আৰু মানুহৰ আটাইতকৈ জেদি ইচ্ছাসমূহক কাৰ্যত পৰিণত কৰাৰ ভ্ৰম বা ভ্ৰান্ত ধাৰণা।" এই শব্দবিলাকৰদ্বাৰা ফ্ৰয়েডে ইয়াকে বুজাব বিচাৰিছে যে মানুহে তেওঁলোকৰ মাজতে এনেকুৱা এখন পৃথিৱী বিচাৰি ফুৰে যিখন তেওঁলোকৰ সুখৰ অনুকূল নহয়। তেওঁলোকে অসুস্থতা, খং বা ঘৃণা, ব্যৰ্থতা আৰু অৱশেষত মৃত্যুপৰ্যন্ত কষ্ট ভোগ কৰিবলগীয়া হয়। ধৰ্মই এই

সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত ৰক্ষাকবচ হিচাপে কাম কৰে। প্ৰকৃতিৰ অতি ভয়ংকৰ অৱস্থাসমূহ যেনে ঃ ভূমিকম্প, বানপানী, মহামাৰী আৰু অনাকাংক্ষিত মৃত্যু আদিৰ বিৰুদ্ধে এক মানসিক ৰক্ষাকবচ। ফ্ৰয়েডৰ মতে, এই শক্তিসমূহৰ জৰিয়তে প্ৰকৃতিয়ে আমাৰ বিৰুদ্ধে গা-কৰি উঠে; সেয়েহে মানুহৰ কল্পনাশক্তিয়ে এই শক্তিসমূহক ব্যক্তিবিশেষৰ ৰহস্যযুক্ত ক্ষমতা বা শক্তিলৈ ৰূপান্তৰিত কৰে। এইবোৰ কাৰণতে ফ্ৰয়েডে ধৰ্মীয় বিশ্বাসক ভ্ৰান্ত ধাৰণা বুলি অভিহিত কৰিছে। যদ্যপি, ফ্ৰয়েডে কৈছে যে "Illusion" বা ভ্ৰান্ত ধাৰণা পাপ বা ভুল নহয়; সেয়েহে সাংসাৰিক দুঃখ-কষ্টবোৰৰ ক্ষতি-পূৰণৰ উপায় হিচাপে ধৰ্মৰ উৎপত্তি হৈছিল।

পিছলৈ ফ্ৰয়েডে মত প্ৰকাশ কৰে যে যেতিয়া ধৰ্মবিশ্বাসীসকলে এই প্ৰাকৃতিক দুৰ্যোগবোৰক ব্যক্তিবিশেষৰ ওপৰত আৰোপ কৰে তেতিয়া ই তেওঁক বা তাইক ঘটনাসমূহৰ ক্ৰমোন্নতিত পৰিচালনা কৰা অপ্ৰকৃত সম্ভাৱনীয়তাক সূচায়। এই শক্তিসমূহক ভগবানৰ (God) ওপৰত আৰোপ কৰা হয় আৰু ইয়াকো বিশ্বাস কৰা হয় যে আমি প্ৰাৰ্থনা, ধৰ্মীয় ৰীতি-নীতি আৰু ত্যাগৰ জৰিয়তে এই শক্তিসমূহক পৰিচালনা আৰু পূৰ্ণ বিবেচনা কৰিব পাৰোঁ।

ফ্ৰয়েডে ধৰ্মীয় বিশ্বাসৰ ফলাফলসমূহক টোপনিদায়ক ঔষধৰ লগত তুলনা কৰিছে। তেওঁৰ ৰচিত প্ৰবন্ধ "Obsessive Actions and Religious Practices" (1907) ফ্ৰয়েডে লক্ষ্য কৰিছে যে টোপনিদায়ক ঔষধ সেৱনকাৰী ব্যক্তিৰ ব্যৱহাৰ আৰু ধৰ্মবিশ্বাসী ব্যক্তিৰ কাম-কাজৰ মাজত এক অতি ওচৰ সম্পৰ্ক আছে। উদাহৰণস্বৰূপে— দুয়োটা বিষয়েই উৎসৱ বা শিষ্টাচাৰ সম্বন্ধীয় ৰীতি-নীতিৰ দৃষ্টান্তৰ জৰিয়তে কৰ্ম কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।

## ৬.৫ (b) অ'ডিপাছ কমপ্লেক্স

ফ্ৰয়েডে তেওঁৰ 'Totem and Taboo' নামৰ গ্ৰন্থখনত 'Oedipus Complex'-এই নিৰ্দিষ্ট ধাৰণাটো ব্যৱহাৰ কৰি ধৰ্মীয় জীৱনৰ আৱেগিক আতিশৰ্যতা আৰু লগতে দেৱ-দেৱীৰ আদেশ পালনৰ ক্ষেত্ৰত অনুতপ্ততা আৰু পৰোপকাৰৰ সংযুক্ত অনুভৱক বুজাইছিল। অ'ডিপাছ হ'ল পৌৰাণিক গ্ৰীক আখ্যানৰ এক বিশিষ্ট ব্যক্তি যিজনে অজ্ঞাতবশতঃ নিজৰ দেউতাকক হত্যা কৰে আৰু নিজৰ মাককে বিয়া কৰায়। ফ্ৰয়েডৰ মতবাদৰ 'অ'ডিপাছ কমপ্লেক্সে' সন্তানৰ দেউতাকৰ প্ৰতি অজ্ঞাত বা অচেতন ঈৰ্ষা তথা নিজৰ মাকক উপভোগ কৰাৰ যি হাবিয়াস তাক ব্যাখ্যা কৰিছিল। ফ্ৰয়েডে একপ্ৰকাৰৰ প্ৰাগঐতিহাসিক মানৱীয় স্থিতিৰ যুক্তি আগবঢ়াইছিল য'ত দেউতাক, মাক আৰু সতি-সন্ততিৰে গঠিত পৰিয়ালৰ গোটটো আছিল মৌলিক দল। শাসনকাৰী পুৰুষ হিচাপে দেউতাকে মহিলাৰ ওপৰত অধিকাৰসমূহ ধৰি ৰাখিছিল আৰু তেওঁৰ এই অৱস্থাটোক যিজন পুত্ৰই প্ৰত্যাহ্বান জনাইছিল তেওঁক মাৰি পেলাইছিল। নিঃসন্দেহে পুত্ৰই তেওঁক হত্যা কৰিবলৈ আৰু লগতে খাবলৈও বাধ্য আছিল। এই পিতৃবধ আছিল প্ৰধান অপৰাধ যিয়ে মানৱমনত চিন্তাৰ উদ্ৰেক ঘটায় আৰু য'ৰপৰা ধৰ্মৰ অন্যান্য বিষয়বোৰ আৰু নৈতিক অৱবোধসমূহৰ ক্ৰমবিকাশ হয়। মনৰ দুঃখত হৰতাল কৰা সহোদৰসকল নিশ্চিত হ'ল যে সিহঁতে তেওঁৰ স্থিতিত সম্পূৰ্ণৰূপে

সফল নহ'ল আৰু সেয়েহে তাৰবাবে আত্মনিয়ন্ত্ৰণৰ প্ৰয়োজন। মূৰ্ত পিতৃৰ বৰ্জনে এটা নতুন নৈতিক অধিকাৰৰ গঢ় লয় কাৰণ সামাজিক বা ধৰ্মীয় নীতি (Taboo) সিহঁতৰ বিৰুদ্ধে। এই অ'ডিপাছ কমপ্লেক্সৰ সৈতে ধৰ্মৰ সম্পৰ্ক গঠন হয় মানুহৰ মনত ভগৱানৰ ৰহস্যময় অধিকাৰৰ মূল্য নিৰ্ধাৰণৰ কাৰণে আৰু শক্তিশালী অনুশোচনামূলক উপলব্ধিৰ কাৰণে যিয়ে এক কল্পনাযুক্ত কাৰ্যক স্বীকাৰ কৰে। গতিকে ধৰ্ম হ'ল এক প্ৰকাৰৰ পুনঃ পুনঃ কষ্ট বা পীড়াৰ উভটনি যাত্ৰা।"

ফ্ৰয়েডৰ মতে, ভগৱান এজন 'অত্যন্ত দৃঢ় অভিভূত পিতৃ'ৰ বাহিৰে আন একো নহয়। সেয়েহে ফ্ৰয়েডে সামৰণিত কৈছে যে, "ধৰ্ম হৈছে মানৱীয়তাৰ সাৰ্বজনীন মন অধিকৃত মানসিক বিকাৰ।"



### অগ্ৰগতি নিৰীক্ষণ

**চমু উত্তৰ দিয়া ঃ**

**প্ৰশ্ন নং ৩** ঃ ফ্ৰয়েডে কি অৰ্থত ধৰ্মক "ইচ্ছা পূৰণৰ ভ্ৰান্ত ধাৰণা" বুলি বৰ্ণনা কৰিছিল?

.....

.....

.....

.....

**প্ৰশ্ন নং ৪** ঃ ফ্ৰয়েডে য'ত এজন স্নায়ুৰোগীৰ লগত ধৰ্মীয় বিশ্বাসৰ ফলৰোৰক তুলনা কৰিছিল সেই প্ৰবন্ধটোৰ নাম কি?

.....

.....

.....

**প্ৰশ্ন নং ৫** ঃ ফ্ৰয়েডে কিয় ধৰ্মীয় বিশ্বাসৰ ফলাফলক এজন স্নায়ুৰোগীৰ লগত তুলনা কৰিছিল?

.....

.....

.....

.....

**প্ৰশ্ন নং ৬** ঃ কোনখন গ্ৰন্থত ফ্ৰয়েডে তেওঁৰ বিশিষ্ট ধাৰণা "অ'ডিপাছ্ কমপ্লেক্স" (Oedipus Complex)ৰ কথা উল্লেখ কৰিছে?

.....

.....

.....

.....

**প্ৰশ্ন নং ৭** ঃ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদত ফ্ৰয়েডে কিয় তেওঁৰ বিশিষ্ট ধাৰণা "অ'ডিপাছ্ কমপ্লেক্স" (Odedipus Complex) ব্যৱহাৰ কৰিছে বৰ্ণনা কৰা।

.....

.....

.....

.....

## ৬.৬ সমালোচনা

ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদটোৰ সঠিক মূল্যায়নৰ বাবে সমালোচনাৰ দৰকাৰ। লগতে এই মতবাদটোক বিশদভাৱে পক্ষপাতিত্ব কৰা ফ্ৰয়েডৰ মনোবিশ্লেষণাত্মক বিজ্ঞানৰো সমালোচনাৰ প্ৰয়োজন। ইয়াত ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদৰ বিস্তৃত সাহিত্যিক বিৱৰণ শক্তিশালী সমালোচনাৰে সৈতে আগবঢ়োৱা হৈছে।

১) নিৰীক্ষণ কৰি পোৱা গৈছে যে ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদটো সাধাৰণভাৱে কেৱল ধৰ্মীয় মতবাদ নহয় কাৰণ ই এটা জুডিঅ'-খ্ৰীষ্টীয়ান মতবাদ বা কমেও এটা বিশেষ একেশ্বৰবাদী ধৰ্ম। ফ্ৰয়েডৰ তিনিওখন উৎকৃষ্ট গ্ৰন্থতে অ'ডিপাছ কমপ্লেক্সৰ ধাৰণাসমূহ আৰু পিতৃ প্ৰতিমূৰ্ত্তিৰ আৱশ্যকতা হৈছে তেওঁৰ মতবাদৰ প্ৰধান কেন্দ্ৰ, য'ৰপৰা এইটো লক্ষ্য কৰা কঠিন যে কেনেকৈ ফ্ৰয়েডৰ যুক্তিবোৰ কোনো ধৰ্মৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা যাব যিটো একেশ্বৰবাদী নহয়। আন কথাত তেওঁৰ মতবাদটো কোনো একেশ্বৰবাদবিহীন ধৰ্মৰ ক্ষেত্ৰটো প্ৰযোজ্য নহয়। তেওঁৰ অধিক সংখ্যক মতবাদেই বিশেষভাৱে সেইবোৰ ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত যি কেৱল এজন, মাত্ৰ এজন সৰ্বশক্তিমান, পিতৃস্বৰূপ ভগৱানকহে স্বীকাৰ কৰে। আনবিলাকক অগ্ৰাহ্য কৰে।

২) "The Future of an Illusion"-গ্ৰন্থখনত ফ্ৰয়েডে যুক্তি আগবঢ়াইছে যে ধৰ্ম আৰু এজন মানসিক ৰোগীৰ সাদৃশ্য আছে। যিদৰে মানসিক বিকাৰগ্ৰস্ত ব্যক্তিয়ে যুক্তিবিহীন কৰ্ম কৰে আৰু সেইবোৰক বিশ্বাস কৰে ঠিক সেইদৰে ধৰ্মানুৰাগীসকলেও যুক্তিবিহীন কৰ্ম-কাণ্ডক বিশ্বাস কৰে তথা সেইবোৰ কামেই কৰে। ফ্ৰয়েডৰ বাবে এগৰাকী নান্ (Nun) যিয়ে জপমালা লৈ

প্ৰাৰ্থনা কৰি ঘণ্টাৰ পিছত ঘণ্টা ভক্তিৰসত ডুব গৈ থাকে আৰু এজন মানসিক ৰোগী যিয়ে তেওঁৰ ছাৰ্টৰ বুটাম গণনা কৰি কৰি সময় অতিবাহিত কৰে; দুয়োজনেই একে আচৰণযুক্ত, অৰ্থাৎ মাত্ৰ এটাই যে মানসিক বাধাগ্ৰস্ত। ইয়াত ফ্ৰয়েডৰ যুক্তি দোষযুক্ত। তেওঁ ধাৰণা কৰি লৈছে যে প্ৰাৰ্থনা একপ্ৰকাৰৰ অস্বাভাৱিক ব্যৱহাৰ। সেইকাৰণে তেওঁ দাবী কৰিছে যে ধৰ্মানুৰাগী ব্যক্তি আৰু এজন মানসিক ৰোগীৰ আচৰণ অচেতনভাৱে সঞ্চিত হৈ থকা যুক্তিবিহীন কাৰণৰপৰা উদয় হয়। ইয়াত, তেওঁৰ যুক্তিটো হৈছে পৰিপত্ৰ কাৰণ তেওঁ প্ৰমাণ কৰিবলৈ স্থিৰ কৰা বাস্তৱ বিষয়ক ধাৰণা কৰি লৈছে।

৩) সমালোচকসকলে, মনোবিশ্লেষণক নিজকে বিজ্ঞানৰ এটা ৰূপ বোলা কথাষাৰৰ সমালোচনা কৰিছে। আধুনিক যুগত মনোবিশ্লেষণ সংঘাতিকভাৱে বৈজ্ঞানীক আক্ৰমণৰ সন্মুখীন হৈছে। বিস্তৃতভাৱে যোৱা বিশবছৰ ধৰি, সমালোচকসকলে মনোবিশ্লেষণৰ সমগ্ৰ কাৰ্যক্ৰমণিকাক কঠোৰতম আৰু পুনৰ মূল্যায়নৰ অন্বেষণৰ কাৰণ বা বিষয় বুলি অভিহিত কৰিছে। তেওঁলোকৰ সাৰ্বজনীন সিদ্ধান্তক দুটা বাক্যত সংক্ষেপে এনেদৰে ক'ব পাৰি ঃ যোগ্যতা থাকিলেও ফ্ৰয়েড এজন বৈজ্ঞানীক হ'ব নোৱাৰে আৰু যিমানেই দাবী কৰিলেও মনোবিশ্লেষণ একপ্ৰকাৰৰ বিজ্ঞান হ'ব নোৱাৰে।

৪) ফ্ৰয়েডে ডাৰউইন আৰু ৰবাৰ্টছন স্মিথৰ পৰা গ্ৰহণ কৰা প্ৰকল্প "মৌলিক দল" বা "The Primal horde"ক বৰ্তমান নৃ-তত্ত্ববিদসকলে সাধাৰণভাৱে অগ্ৰাহ্য কৰিছে। ফ্ৰয়েডৰ বহুসংখ্যক উত্তৰাধিকাৰীয়ে এনেধৰণৰ সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত অ'ডিপাছ কমপ্লেক্সক বহুসময়লৈ গ্ৰহণ কৰা নাই। দেখা যায় যে সংগৃহীত অ'ডিপাছ কমপ্লেক্সৰ পৰা ধৰ্মৰ উৎপত্তি হয় বুলি কোৱা কথাষাৰ সমালোচকসকলৰ মতে 'বংশগত দোষ' নামৰ একপ্ৰকাৰ তৰ্কীয় দোষত পতিত হৈছে। আগলৈ সমালোচকসকলে এইটোও ইংগিত কৰিছে যে প্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদে সমগ্ৰ পৃথিৱীৰ লাখ-লাখ, কোটি-কোটি মানুহৰ ব্যক্তিগত অভিজ্ঞতাবোৰক সম্পূৰ্ণৰূপে পতিয়ান নিয়াব পৰা নাই।

উপৰোক্ত আলোচনাৰপৰা এটা কথা স্পষ্টভাৱে ক'ব পাৰি যে, মনোবিশ্লেষণৰ বিজ্ঞানসন্মত ভৱিষ্যত আশানুৰূপ নহয়। ফ্ৰয়েডৰ ধৰ্ম সম্পৰ্কীয় মতবাদৰ যাত্ৰা সমীচীন নহয়। একেদৰে, এইটোও শুদ্ধভাৱে মন কৰিবলগীয়া যে মনোবিশ্লেষণ হৈছে আধুনিক মনোবিজ্ঞানৰ একমাত্ৰ পাৰ বা সাৰথি। অৱশেষত ধৰ্মীয় ব্যাখ্যা পথ আৰু উপায়সমূহৰ ওপৰত বিশেষভাৱে আলোকপাত কৰাৰ ক্ষেত্ৰত মনোবিশ্লেষণাত্মক গৱেষণা নিশ্চিতভাৱে আগবাঢ়ি গৈ থাকিব লাগিব।



## ৬.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদটো ফ্ৰয়েডৰ দ্বাৰাই বিকশিত মনোবিশ্লেষণৰ মুখ্য ধাৰণাৰ ওপৰত গঢ়ি উঠিছিল। মনোবিশ্লেষণ হৈছে অচেতন মনৰ অধ্যয়নৰ লগত জড়িত থকা কিছুমান মতবাদৰ সমষ্টি আৰু চিকিৎসাবিদ্যাৰ কৌশল যি একেলগে

মানসিক তথা শাৰীৰিক অশান্তি বা পীড়াৰ চিকিৎসাৰো এটা পদ্ধতি গঠন কৰে। মনোবিশ্লেষণাত্মক থেৰাপি বা চিকিৎসাৰ লক্ষ্য হ'ল চাপ দি ৰখা আবেগ-অনুভূতিবোৰক মুকলি কৰি দিয়া। যেনে- অচেতনক চেতন কৰা। ই মানৱ মনৰ অচেতন কৰ্মস্থলীক সক্ৰিয়তা প্ৰদান কৰে।

- মনোবিশ্লেষণৰ দৃষ্টিকোণৰপৰা, ধৰ্মই মানৱকূলত একত্ৰিত হৈ থকা গভীৰ ভাৱমূৰ্তি আৰু ধাৰণাবোৰৰ ওচৰ চাপি যায় আৰু সেই অভিব্যক্তিবোৰ লোককথা, পৌৰাণিক আখ্যান আদিত বিচাৰি পোৱা যায়। আন আন প্ৰচেষ্টাবিলাকৰ দৰে ধৰ্মইও এই 'সংযুক্ত অচেতন'ৰ পৰা তথ্যবোৰ উলিয়াই লয়।
- ফ্ৰয়েডে ধৰ্মীয় বিশ্বাসক "ইচ্ছা পূৰণৰ ভ্ৰান্ত ধাৰণা" বুলি উপস্থাপন কৰিছে। ফ্ৰয়েডে মত প্ৰকাশ কৰিছে যে ধৰ্ম হ'ল পৃথিৱীৰ লগত মানৱ মনৰ সংযোগ স্থাপনৰ ভেঁটি যিটো কোনোপধ্যে মানুহৰ সুখৰ সহায়ক নহয়। ধৰ্মই ৰোগ, খং, ঘৃণা, ব্যৰ্থতা আৰু শেষত মৃত্যু আদি বেদনাদায়ক সমস্যাসমূহৰ এক অনুকূল সমাধান আগবঢ়ায়। ফ্ৰয়েডৰ মতে, ধৰ্ম হ'ল প্ৰকৃতিৰ অতি ভয়ংকৰ অৱস্থাসমূহ যেনে ভূমিকম্প, বানপানী, মহামাৰী আৰু অনাকাংক্ষিত মৃত্যু আদিৰ বিৰুদ্ধে এক মানসিক ৰক্ষাকবচ। মানুহৰ কল্পনাশক্তিয়ে প্ৰকৃতিৰ এই শক্তিসমূহক ব্যক্তিগত ৰহস্যযুক্ত ক্ষমতালৈ ৰূপান্তৰিত কৰে। এই শক্তিসমূহক মানুহৰূপী ভগৱানৰ ওপৰত আৰোপ কৰা হয় আৰু ইয়াকো বিশ্বাস কৰা হয় যে আমি প্ৰাৰ্থনা, ধৰ্মীয় ৰীতি-নীতি আৰু ত্যাগৰ জৰিয়তে এই শক্তিসমূহক পৰিচালনা তথা পুনৰ বিবেচনা কৰিব পাৰোঁ।
- ফ্ৰয়েডে তেওঁৰ "Obsessive Actions and Religious Practices" (1907)-নামৰ প্ৰবন্ধত উল্লেখ কৰিছে যে ধৰ্মানুৰাগী মানুহৰ কাৰ্যপ্ৰণালী আৰু টোপনিদায়ক ঔষধ সেৱনকাৰী ব্যক্তিৰ ব্যৱহাৰৰ মাজত এক ওচৰা-ওচৰি সম্বন্ধ আছে। উদাহৰণস্বৰূপে দুয়োটা বিষয়েই উৎসৱ বা শিষ্টাচাৰ সম্বন্ধীয় ৰীতি-নীতিৰ দৃষ্টান্তৰ জৰিয়তে কৰ্ম কৰাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।
- ধৰ্মীয় জীৱনৰ এক আৱেগিক আতিশয্যতা আৰু লগতে দেৱ-দেৱীৰ আদেশ পালনৰ ক্ষেত্ৰত অনুতপ্ততা আৰু পৰোপকাৰৰ সংযুক্ত অনুভৱ আছে। এইক্ষেত্ৰত ফ্ৰয়েডে "অ'ডিপাছ কমপ্লেক্স"- নিৰ্দিষ্ট ধাৰণাটোক ব্যৱহাৰ কৰিছে। এই "অ'ডিপাছ কমপ্লেক্স"ৰ সৈতে ধৰ্মৰ সম্পৰ্ক গঠন হয় মানুহৰ মনত ভগৱানৰ ৰহস্যময় অধিকাৰৰ মূল্য নিৰ্ধাৰণৰ কাৰণে আৰু শক্তিশালী অনুশোচনমূলক উপলব্ধিৰ কাৰণে যিয়ে এক কল্পনাযুক্ত কাৰ্যক স্বীকাৰ কৰে। সেয়েহে ফ্ৰয়েডৰ ভাষাত ধৰ্ম হ'ল এক প্ৰকাৰ পুনঃ পুনঃ কষ্ট বা পীড়াৰ উভটনি যাত্ৰা। এনেদৰে ফ্ৰয়েডে সামৰণি মাৰিছে যে, "ধৰ্ম হ'ল মানৱীয়তাৰ সাৰ্বজনীন মন অধিকৃত মানসিক বিকাৰ।"
- ফ্ৰয়েডে ধৰ্মক ব্যাখ্যা কৰা আৰু বুজোৱাৰ ক্ষেত্ৰত এক আধুনিক পন্থা অৱলম্বন কৰিছে। যদিও এইক্ষেত্ৰত এই মতবাদে ভীষণ সমালোচনাৰ সন্মুখীন হৈছে আৰু ধৰ্মৰ উৎপত্তি সম্পৰ্কত ফ্ৰয়েডৰ মতবাদক দীৰ্ঘকালীন ৰূপত স্বীকাৰ কৰা হোৱা নাই।



## ৬.৮ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৱতী প্ৰকাশন

২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়

৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।



## ৬.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** (a) মনোবিশ্লেষণ

(b) নাস্তিক

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ফ্ৰয়েডে ৰচনা কৰা তিনিখন গ্ৰন্থ হ'ল—

(a) Totem and Taboo (1913), (b) The Future of an Illusion (1927) আৰু

(c) Moses and Monotheism (1938

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** কাৰ্ল য়ুঙ (Karl Jung)

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ফ্ৰয়েডে ধৰ্মীয় বিশ্বাসক "ইচ্ছা পূৰণৰ ভ্ৰম" হিচাপে উপস্থাপন কৰিছিল। এই ধৰ্মীয় বিশ্বাস হ'ল আটাইতকৈ পুৰণি, আটাইতকৈ শক্তিশালী আৰু মানুহৰ আটাইতকৈ জেদি ইচ্ছাসমূহক কাৰ্যত পৰিণত কৰাৰ ভ্ৰম বা ভ্ৰান্ত ধাৰণা। ফ্ৰয়েডে এই শব্দবিলাকৰদ্বাৰা ইয়াকে বুজাব বিচাৰিছে যে মানুহে তেওঁলোকৰ মাজতে এনেকুৱা এখন পৃথিৱী বিচাৰি ফুৰে যিখন তেওঁলোকৰ সুখৰ অনুকূল নহয়। তেওঁলোকে অসুস্থতা, খং বা ঘৃণা, ব্যৰ্থতা আৰু অৱশেষত মৃত্যুপৰ্যন্ত কষ্টভোগ কৰিবলগীয়া হয়। ধৰ্মই এই সমস্যাসমূহৰ ক্ষেত্ৰত ৰক্ষক হিচাপে কাম কৰে। ফ্ৰয়েডৰ বাবে ধৰ্ম হ'ল প্ৰকৃতিৰ অতি ভয়ংকৰ অৱস্থাসমূহৰ বিৰুদ্ধে এক মানসিক ৰক্ষকবচ। এইবোৰ কাৰণতে ফ্ৰয়েডে ধৰ্মীয় বিশ্বাসক ভ্ৰান্ত ধাৰণা বুলি অভিহিত কৰিছে।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** প্ৰবন্ধটোৰ নাম হ'ল— "Obsessive Actions and Religious Practices" (1907)।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** ফ্ৰয়েডে লক্ষ্য কৰিছিল যে টোপনিদায়ক ঔষধ সেৱনকাৰী ব্যক্তিৰ ব্যৱহাৰ আৰু ধৰ্মবিশ্বাসী ব্যক্তিৰ কাম-কাজৰ মাজত এক অতি ওচৰ সম্পৰ্ক আছে। উদাহৰণস্বৰূপে দুয়োটা বিষয়েই উৎসৱ বা শিষ্টাচাৰ সম্বন্ধীয় ৰীতি-নীতিৰ দৃষ্টান্তৰ জৰিয়তে কৰ্ম কৰাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। সেইকাৰণেই ফ্ৰয়েডে ধৰ্মবিশ্বাসী ব্যক্তিৰ কাম-কাজক টোপনিদায়ক ঔষধ সেৱনকাৰী ব্যক্তিৰ কৰ্মৰ লগত তুলনা কৰিছিল।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** গ্ৰন্থখনৰ নাম হ'ল "Totem and Taboo"।

**৮ নং প্ৰশ্নৰ উত্তৰ ঃ** ফ্ৰয়েডে তেওঁৰ "Totem and Taboo" নামৰ গ্ৰন্থখনত "Oedipus Complex"-এই নিৰ্দিষ্ট ধাৰণাটো ব্যৱহাৰ কৰি ধৰ্মীয় জীৱনৰ আৱেগিক আতিশৰ্যতা আৰু লগতে দেৱ-দেৱীৰ আদেশ পালনৰ ক্ষেত্ৰত অনুতপ্ততা আৰু পৰোপকাৰৰ সংযুক্ত অনুভৱক বুজাইছিল।



## ৬.১০ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** ফ্ৰয়েডৰ সাধাৰণ পটভূমিৰ ওপৰত এটা চমু টোকা লিখা।

**প্ৰশ্ন ২ ঃ** "মনোবিশ্লেষণ"ৰ অৰ্থ ব্যাখ্যা কৰা।

**প্ৰশ্ন ৩ ঃ** ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদ আলোচনা কৰা।

**প্ৰশ্ন ৪ ঃ** অ'ডিপাছ কমপ্লেক্সৰ ব্যাখ্যা কৰা।

**প্ৰশ্ন ৫ ঃ** ফ্ৰয়েডৰ ধৰ্মীয় উৎপত্তি সম্পৰ্কীয় মতবাদৰ সমালোচনাৰে সৈতে আলোচনা কৰা।

**(খ) চুটি প্ৰশ্ন** ( ১০০ ৰ পৰা ১৫০ ৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** মনোবিশ্লেষণ বুলিলে কি বুজা যায়।

**প্ৰশ্ন ২ ঃ** ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদটো চমুকৈ ব্যাখ্যা কৰক।

**প্ৰশ্ন ৩ ঃ** অ'ডিপাচ কমপ্লেক্স কি? ধাৰণাটো আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** ফ্ৰয়েডে ধৰ্মক কি দৰে স্নায়ুৰোগীৰ লগত একে বুলি কৈছে। চমুকৈ ব্যাখ্যা কৰক।

**প্ৰশ্ন ৫ ঃ** ফ্ৰয়েডে কেনেকৈ ধৰ্মক সমালোচনাত্মক ভাবে ব্যাখ্যা কৰিছে চমুকৈ বৰ্ণনা কৰক।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন** ( ৩০০ ৰ পৰা ৫০০ ৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** ফ্ৰয়েডৰ সাধাৰণ পটভূমিৰ বিষয়ে চমুকৈ আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** মনোবিশ্লেষণৰ অৰ্থটো ব্যাখ্যা কৰক।

**প্ৰশ্ন ৩ ঃ** ফ্ৰয়েডে ব্যাখ্যা কৰা ধৰ্মৰ উৎপত্তিৰ ধাৰণাটো বৰ্ণনা কৰক।

**প্ৰশ্ন ৪ ঃ** অ'ডিপাচ কমপ্লেক্সটো ব্যাখ্যা কৰক।

**প্ৰশ্ন ৫ ঃ** ফ্ৰয়েডৰ ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মতবাদটো সমালোচনাত্মক আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৭ ঃ ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাস, আধ্যাত্মিকতা

## অধ্যায় গাঁথনি


৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ খ্ৰীষ্টানসকলৰ বিশ্বাসত ঈশ্বৰৰ প্ৰত্যাদেশ

৭.৪ বিশ্বাস

৭.৫ প্ৰাকৃতিক ধৰ্মতত্ত্ব আৰু প্ৰকাশিত ধৰ্মতত্ত্ব

৭.৬ ঈশ্বৰৰ প্ৰত্যাদেশৰ বিভিন্ন দিশ

৭.৭ ভাৰতীয় পৰম্পৰাত ঈশ্বৰৰ প্ৰত্যাদেশ

৭.৮ আধ্যাত্মিকতা, ইয়াৰ সংজ্ঞা আৰু লক্ষণসমূহ

৭.৯ অধ্যায়টিৰপৰা আমি কি শিকিলো

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্ৰগতিৰ খতিয়ান

৭.১২ আৰ্হি প্ৰশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ঈশ্বৰৰ প্ৰত্যাদেশৰ প্ৰকৃতি আৰু অৰ্থ ব্যাখ্যা কৰিবলৈ,
- বিশ্বাসৰ সংজ্ঞ নিৰ্ণয় কৰিবলৈ,
- ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ মাজৰ সম্পৰ্ক আলোচনা কৰিবলৈ,
- ভাৰতীয় পৰম্পৰাত ঈশ্বৰৰ প্ৰত্যাদেশৰ স্থান ব্যাখ্যা কৰিবলৈ,
- আধ্যাত্মিকতাৰ অৰ্থ বৰ্ণনা কৰিবলৈ।

## ৭.২ পৰিচয়

এই অধ্যায়টোৱে ধৰ্ম দৰ্শনৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়, ঈশ্বৰৰ প্ৰত্যাদেশ, বিশ্বাস আৰু আধ্যাত্মিকতাৰ পৰিচয় দাঙি ধৰিব। গুণগতভাৱে, পৃথিৱীৰ প্ৰত্যেকটো মুখ্য ধৰ্মতেই ঈশ্বৰৰ প্ৰত্যাদেশ, বিশ্বাস আৰু আধ্যাত্মিকতাৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। পৰম্পৰাগত জিউছ- খ্ৰীষ্টান আৰু ইছলাম আস্তিকবাদ মতে, যদিহে ঈশ্বৰ অলৌকিক বা মানুহৰ জ্ঞানৰ অতীত আৰু আন কাকো স্বীকাৰ কৰিব নোৱাৰি যে ঈশ্বৰ সহায়হীন মানুহৰ কাৰণে সুলভ বা সুগম। ঈশ্বৰ অনিবাৰ্যভাৱে কোনো আৱিস্কাৰৰ বিষয় নহয়। আকৌ, যদি ঈশ্বৰ অসীম শক্তি সম্পন্ন বা সৰ্বশক্তিমান তেনেহ'লে এইটোও হ'ব পাৰে যে য'ত যেতিয়া ঈশ্বৰক জনা যায় তাতেই আৰু তেতিয়া ঈশ্বৰে নিজকে

প্ৰকাশ কৰিব। বহুতো প্ৰাচ্য দাৰ্শনিক পৰম্পৰাইও মূলতঃ ঈশ্বৰৰ প্ৰত্যাদেশৰূপে শাস্ত্ৰসন্মত গ্ৰন্থকেই পুনৰ বিচাৰৰ প্ৰাৰ্থনা কৰিছিল। বিশ্বাস আৰু আধ্যাত্মিকতাও ধৰ্মীয় বিশ্বাসৰ এক গুৰুত্বপূৰ্ণ ভেঁটি হিচাপে ঈশ্বৰৰ প্ৰত্যাদেশৰ সৈতে সম্বন্ধিত।

## ৭.৩ খ্ৰীষ্টান চিন্তাধাৰাত ঈশ্বৰৰ প্ৰত্যাদেশ

খ্ৰীষ্টা চিন্তাধাৰাই ঈশ্বৰৰ প্ৰত্যাদেশৰ প্ৰকৃতিক বুজাবৰ বাবে দুই প্ৰকাৰৰ বুদ্ধিক গ্ৰহণ কৰিছে। প্ৰথমটো মতবাদক ঈশ্বৰৰ প্ৰত্যাদেশৰ বৰ্ণনাত্মক বা উপস্থাপনমূলক ধাৰণা বুলি কোৱা হয়। এই মতবাদৰ মতে, ঈশ্বৰৰ প্ৰত্যাদেশৰ বিষয়বস্তু হ'ল সত্যতাৰ এক কলেবৰ যাক উক্তি বা বচনৰদ্বাৰা প্ৰকাশ কৰা হয়। ঈশ্বৰৰ প্ৰত্যাদেশে কিছুমান বিশ্বাসযোগ্য পবিত্ৰ সত্যক অন্তৰ্ভুক্ত কৰে যিবোৰ মানুহৰ জ্ঞাত। পুৰণি কেথলিক বিশ্বকোষৰ ভাষাত- 'ঈশ্বৰৰ প্ৰত্যাদেশৰ সংজ্ঞা এনেদৰে দিব পাৰি যে ই ইল ঈশ্বৰৰদ্বাৰা বিভিন্ন মাধ্যমৰ জৰিয়তে এক বৌদ্ধিক সৃষ্টিক যোগাযোগ কৰা কিছুমান সত্য যিবোৰ প্ৰকৃতিৰ সাধাৰণ বিষয়ৰ উৰ্দ্ধত। এই মতবাদটোৱে মধ্যযুগৰ সময়ছোৱাত প্ৰভাৱ বিস্তাৰ কৰিছিল আনকি আজিও ইয়াক ৰোমান কেথলিকবাদৰ বহু পৰম্পৰাগত আকাৰে প্ৰতিনিধিত্ব কৰে। তদুপৰি সহৰক্ষিত প্ৰটেষ্টাণ্টবাদকো প্ৰতিনিধিত্ব কৰে।

## ৭.৪ বিশ্বাস

ঈশ্বৰৰ প্ৰত্যাদেশৰ ধাৰণাৰ সমান্তৰালকৈ তাত আৰু এটা বিশ্বাসৰ মতবাদ আছে য'ত মানুহে একান্তভাৱে এই পবিত্ৰ সত্যৰ প্ৰকাশক একান্তভাৱে গ্ৰহণ কৰে। ৰোমান কেথলিকতাবাদৰ বিশ্বাস সম্পৰ্কীয় আলোচনাৰ প্ৰধান চিন্তাবিদ একুইনাছৰ মতে, বিশ্বাস হৈছে প্ৰকাশিত সত্যৰ এক স্পষ্ট ৰূপ। বিশ্বাসৰ ধাৰণাটোক ১৮৭০ ৰ ভেটিকান কাউন্সিলে "এটা অলৌকিক গুণ' হিচাপে অস্বীকাৰ কৰিছে, অন্যহাতে ঈশ্বৰৰ আশীৰ্বাদৰ সহায়ত আমি বিশ্বাস কৰোঁ যে তেওঁ প্ৰকাশ কৰা বস্তুবোৰ সত্য। এইধৰণৰ সংজ্ঞাই ঈশ্বৰৰ অস্তিত্বশীলতাক আগেয়ে অনুমান কৰে যিজনে বচনৰ বিবাদক প্ৰকাশ কৰে। এই মতবাদে মধ্যযুগীয় সময়খিনিক দমন কৰিছিল যাক ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ বচনাত্মক বোধ বুলি জনা যায়। ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ বচনাত্মক সতবাদ অনুসৰি, ঈশ্বৰৰ প্ৰত্যাদেশৰ বিষয়বস্তু হ'ল সত্যতাৰ কলেবৰ যাক উক্তি বা বচনৰ জৰিয়তে প্ৰকাশ কৰা হয়। আনটো মতবাদক ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ স্বেচ্ছাধীন মতবাদ বুলি কোৱা হয় যি ধৰ্মীয় বিশ্বাসৰ ইচ্ছাৰ অংশত সন্নিবিষ্ট হৈ থাকে। একে সময়তে, ই কল্পনিক দিশৰ বাহিৰৰ ব্যৱহাৰক গ্ৰহণ কৰে। তলত উল্লেখিত তৰ্কৰদ্বাৰা প্ৰকাশ কৰা হয়- 'বিশ্বাস হৈছে স্ব- সমৰ্পনৰ এক সমৰ্থন। ই সম্ভাৱনীয়তাক নিশ্চয়তলৈ পৰিবৰ্তন নকৰে। কিন্তু ই এক ইচ্ছামূলক সমৰ্থন যি আমাক কাল্পনিক অৱস্থাৰপৰা বাহিৰলৈ উলিয়াই আনে।"

এজন আধুনিক আমেৰিকান ধৰ্মতত্ত্ববিদে বিশ্বাস সম্পৰ্কে এনেদৰে লিখিছে- 'এজন কেথলিকৰ বাবে 'বিশ্বাস' শব্দটোৱে ঈশ্বৰৰ প্ৰত্যাদেশৰ বিষয়সূচীত এক বুদ্ধিগত সন্মতিক সত্য বুলি স্বীকাৰ কৰে, ঈশ্বৰ, প্ৰকাশকজনৰ সাক্ষ্যমূলক ক্ষমতাৰ কাৰণে।..... বিশ্বাস হৈছে ঈশ্বৰৰ দ্বাৰা প্ৰকাশিত এক বুদ্ধিসংক্ৰান্তীয় বাৰ্তাৰ প্ৰতি কেথলিকসকলৰ সমৰ্থন।"

ইশ্বৰৰ প্ৰত্যাদেস সম্পৰ্কীয় এই দুটা পৰস্পৰ নিৰ্ভৰশীল ধাৰণা ধৰ্মীয় সত্যতাৰ পবিত্ৰ ঘোষণাৰ বিচিনা আৰু বিশ্বাস যে এই সত্যতাসমূহৰ প্ৰতি আমাৰ একান্ত সেৱা; সকলোবোৰ বাইবেলত উল্লেখিত এই মতবাদৰ লগত সম্বন্ধযুক্ত সেই ঠাইৰ লগত য'ত সেই সত্যবোৰ আইনগত ভাৱে লিপিবদ্ধ হৈ আছে। এইবোৰ পোন প্ৰথমে ভৱিষ্যত বক্তাসকলৰ জৰিয়তে, ইয়াৰ পিছত উপযুক্তভাৱে যীশুখ্ৰীষ্ট আৰু এপ'ছটেলছৰ দ্বাৰা আৰু বৰ্তমান এইবিলাক ধৰ্মীয় গ্ৰন্থসমূহত সন্নিবিষ্ট কৰা হৈছে। সেয়েহে এই মতবাদে সূচায় যে বাইবেল কেৱল এক মানবীয় গ্ৰন্থ নহয় আৰু সেইবাবে ই এক ভ্ৰান্ত গ্ৰন্থহে। প্ৰটেষ্টাণ্টা ধৰ্মপ্ৰচাৰক ড ° বিলি গ্ৰাহামৰ যাতে, "বাইবেল হ'ল ঈশ্বৰৰ ত্ৰিশজন লিখকৰদ্বাৰা ৰচিত এখন গ্ৰন্থ। " এটা কথা দাবী কৰা হয় যে বাইবেলৰ জৰিয়তে ঈশ্বৰে গীৰ্জাঘৰত পোনপটীয়াকৈ সমূহীয়াভাৱে আৰু ব্যক্তি গতভাৱে বিশ্বাস কৰা সকলৰ মন তথা চেতনাৰ লগত কথা পাতিব পাৰিছিল।



### অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং ১ ঃ ঈশ্বৰৰ প্ৰত্যাদেশ কি?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ঈশ্বৰৰ প্ৰত্যাদেশৰ সংজ্ঞা নিৰূপন কৰা।

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ বিশ্বাস বুলিলে কি বুজা?

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ ১৮৭০ ৰ ভেটিকান কাউন্সিলৰ মতে বিশ্বাসৰ সংজ্ঞা নিৰ্ণয় কৰা।

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ বিশ্বাস আৰু ঈশ্বৰৰ প্ৰত্যাদেশৰ বচনাত্মক মতবাদটো কি?

.....

.....

.....

.....

## ৭.৫ প্ৰাকৃতিক আৰু প্ৰকাশিত ধৰ্মতত্ব

ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাস সম্পৰ্কীয় বচনাত্মক মতবাদক সদায়ে প্ৰাকৃতিক আৰু প্ৰকাশিত ধৰ্মতত্বৰ মাজৰ পাৰ্থক্যই সঙ্গ দিছিল। এই পাৰ্থক্যক সম্ভৱতঃ সকলো পৰম্পৰাৰখ্ৰীষ্টান ধৰ্মতত্ববিদসকলে আনকি বৰ্তমান যুগলৈকে সাৰ্বজনীনভাৱে গ্ৰহণ কৰিছিল। প্ৰাকৃতিক ধৰ্মতত্বই সেই সকলোবোৰ ধৰ্মতত্বমূলক সত্যক গ্ৰহণ কৰিছিল যিবোৰ সহায়হীন মানুহৰ বুদ্ধিৰদ্বাৰা সমাধান কৰিছিল। উদাহৰণ স্বৰূপেঃ এইটো বিশ্বাস কৰা হৈছিল যে ঈশ্বৰৰ অস্তিত্বশীলতা আৰু গুণসমূহ আৰু আত্মৰ অসৰত্বক ঈশ্বৰৰ প্ৰত্যাদেশৰ অৰ্ন্তভূক্তিৰ কোনো প্ৰাৰ্থনা নকৰাকৈ দৃঢ় তৰ্কবিজ্ঞানমূলক যুক্তিৰ সহায়ত প্ৰমাণ কৰিব পৰা যায়।

আনহাতে, প্ৰকাশিত ধৰ্মতত্ব সন্নিবিষ্ট হৈ আছিল সেইসমূহ সত্যত যিবোৰ মানৰ বুদ্ধিৰ সুলভ নহয় আৰু সেইবোৰ আমি জানিব পাৰো কেৱলমাত্ৰ যদিহে সেইবোৰ বিশেষভাৱে ঈশ্বৰৰদ্বাৰা প্ৰকাশিত হয়। সেইকাৰণে ত্ৰিনিতিৰ ধাৰণাক প্ৰকাশিত ধৰ্মতত্বৰ এক উপকৰণ হিচাপে গ্ৰহণ কৰা হৈছিল যাক বিশ্বাস বুলি স্বীকাৰ কৰা হৈছিল। প্ৰাকৃতিক ধৰ্মতত্বৰ সত্যসমূহক সেইসকল লোকৰ লাভৰ বাবেও প্ৰকাশ কৰা হৈছিল যিসকলৰ সময়ৰ অভাৱ আছিল নাইবা সেইবোৰত তেওঁলোকৰ নিজৰ বাবে উপনীত হ'বলৈ মানসিক উপকৰণৰ অভাৱ আছিল।

ধৰ্মৰ বহুতো আধুনিক দাৰ্শনিক আচৰণে ধৰ্মক ৰক্ষা কৰা বা আক্ৰমণ কৰাৰ ক্ষেত্ৰত ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ বচনাত্মক ধাৰণাক আগেয়ে অনুমান কৰিছিল। উদাহৰণস্বৰূপে ৱাল্টাৰ কফ্‌মেনে তেওঁৰ "Critique of Religion and Philosophy" ত ধৰি লৈছিল যে ধৰ্মীয় ব্যক্তি যিজনে ঈশ্বৰৰ প্ৰত্যাদেশৰ বাবে প্ৰাৰ্থনা কৰিছিল সেইয়া ধৰ্মতত্বমূলক বচনত মানৱজাতিৰ প্ৰকাশত ঈশ্বৰক কল্পনা কৰা হয়- এই ধৰ্মতত্বমূলক বচনৰ ক্ষেত্ৰত বুজোৱা হয়।

## ৭.৬ ঈশ্বৰৰ প্ৰত্যাদেশৰ বিভিন্ন পথ

ভৱিষ্যতপ্ৰষ্টা ধৰ্মবিলাকে কৈছিল যে মানুহে ঈশ্বৰ মাধ্যমেদি কিছু ইংগিতৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। কাৰণ ঈশ্বৰ অৱশ্যেই এক অলৌকিক সত্তা, সাধাৰণ বস্তুক জানিবৰ বাবে সাধাৰণ পথৰ উৰ্দ্ধত।

তলত কিছুমান ঈশ্বৰৰ প্ৰত্যাদেশৰ উপায় উল্লেখ কৰা হৈছে। যিবিলাক ভৱিষ্যতদ্ৰষ্টা ধৰ্মই সাধাৰণতে স্বীকাৰ কৰিছিল-

(১) ঈশ্বৰৰ প্ৰত্যাদেশমূলক ধৰ্মশাস্ত্ৰসমূহ যেনে- টোৰাব আৰু টালমাণ্ড (জুদাইজিম), বাইবেল (খ্ৰীষ্টান), কোৰাণ (ইছলাম) আৰু বেদসমূহ (হিন্দুধৰ্ম) আৰু বহুতো।

(২) জুদাইজিম, খ্ৰীষ্টান আৰু ইছলামধৰ্মত উল্লেখ থকাৰ দৰে তেওঁৰ (ঈশ্বৰ) দেৱতুল্য ব্যক্তিৰ জৰিয়তে,

(৩) দৃষ্টিভঙ্গী আৰু সপোনত,

(৪) মানুহৰ মাজত ঈশ্বৰৰ প্ৰকাশৰ বাবে ইহুদী ধৰ্ম আৰু পাৰ্ছী ধৰ্মৰ ভৱিষ্যতদ্ৰষ্টাসকলক ঈশ্বৰৰ বিশেষ বাৰ্তাবাহক বুলি গ্ৰহণ কৰা হয়।

(৫) খ্ৰীষ্টান ধৰ্মই ঈশ্বৰৰ বাৰ্তাসমূহ প্ৰকাশৰ ক্ষেত্ৰত পবিত্ৰ আত্মাৰ মধ্যস্থতাক স্বীকাৰ কৰিছিল।

(৬) বাইবেল আৰু কোৰাণ দুয়োখন ধৰ্মগ্ৰন্থই মতপ্ৰকাশ কৰিছিল যে ঈশ্বৰৰ সৃষ্টিৰ জৰিয়তে তেওঁক জানিব পাৰি।

বহুতো খ্ৰীষ্টান ধৰ্মতত্ববিদে ভাৱিছিল যে পবিত্ৰ ধৰ্মগ্ৰন্থ বিলাক অনুপ্ৰেৰণামূলক লিখনি, কিন্তু বহুসংখ্যক ইহুদী ধৰ্মসমূহৰ প্ৰধান দাৰ্শনিকে তেওঁলোকৰ ধৰ্মশাস্ত্ৰবোৰক নিত্য বুলি গ্ৰহণ কৰিছিল আৰু ইয়াক স্বৰ্গৰ এক আদৰ্শ বুলি কোৱা হৈছিল।

## ৭.৭ ভাৰতীয় পৰম্পৰাত ঈশ্বৰৰ প্ৰত্যাদেশ

ভাৰতীয় ধাৰ্মিক পৰম্পৰাইও ঈশ্বৰৰ প্ৰত্যাদেশ সম্পৰ্কীয় মতবাদক সমৰ্থন কৰে আৰু এই সম্পৰ্কত আগবঢ়োৱা মূল আলোচ্য বিষয়সমূহ তলত দিয়া ধৰণৰ-

(১) ব্ৰহ্ম বা ঈশ্বৰ প্ৰকৃতিৰদ্বাৰা প্ৰকাশিত হয়। একেদৰে, অদ্বৈতবাদী শংকৰে ঈশ্বৰৰ অস্তিত্বৰ সপক্ষে এক উদ্দেশ্যমূলক যুক্তি আগবঢ়াইছিল।

(২) যি হওক, ভাৰতীয় ধৰ্মীয় পৰম্পৰাই ধৰ্মশাস্ত্ৰসমূহৰ ওপৰত অধিক গুৰুত্ব দিয়ে কাৰণ তেওঁলোকৰ মতে, ধৰ্মশাস্ত্ৰবোৰ হৈছে পৰম-সত্তা যিজন অতিন্দ্ৰীয় তেওঁৰ জ্ঞানৰ উৎস। ইয়াত বেদ সম্পৰ্কে দুটা গুৰুত্বপূৰ্ণ মতবাদ পোৱা যায় যিখন (বেদ) হিন্দুসকলৰ অতি পবিত্ৰ ধৰ্মগ্ৰন্থ। একেদৰে মীমাংসকসকলে মতপোষণ কৰে যে বেদসমূহ নিত্য বা শ্বাশ্বত।

কিন্তু নৈয়ায়িকসকলে কয় যে বেদসমূহ অনুপ্ৰেৰণামূলক ঈশ্বৰৰ প্ৰত্যাদেশ, সম্পূৰ্ণ বিশ্বাসযোগ্য আৰু ঈশ্বৰ সম্পৰ্কীয় আমাৰ জ্ঞানৰ প্ৰভূত্ব সমৰ্থনকাৰী।

(৩) ঈশ্বৰে তেওঁৰ অবতাৰসমূহৰ জৰিয়তে মানুহৰ মাজত আত্মপ্ৰকাশ কৰে। এই সম্পৰ্কত গীতাৰ IV-7- শ্লোকটো উল্লেখ কৰিব পাৰি।

(৪) অদ্বৈতবেদান্তত মাজে সময়ে 'ব্ৰহ্মসংস্কাৰ'- এক বিখ্যাত পদক ব্যৱহাৰ কৰা হয়। শংকৰাচাৰ্যই জীৱনমুক্তি (এই জীৱনতে মোক্ষ লাভ) মতবাদক সমৰ্থন কৰিছিল। সেই মুক্ত আত্মাবোৰ ইয়াতে থাকে ব্ৰহ্মৰ সত্যতা সম্পৰ্কে শিক্ষা দিবলৈ।

(৫) ইয়াত অনুগ্ৰহ সম্পৰ্কীয় এক উল্লেখনীয় মতবাদ পোৱা যায় যি মতপোষণ কৰে যে ঈশ্বৰে তেওঁৰ পৰামৰ্শমূলক অভিপ্ৰায় অনুসৰি ভক্তসমূহৰ মাজত আত্মপ্ৰকাশ কৰে।



## অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং ৬ ঃ প্ৰাকৃতিক ধৰ্মতত্ব কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ ঈশ্বৰৰ প্ৰত্যাদেশৰ ধৰ্মতত্ববাদ কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ খালী ঠাই পূৰ কৰাঃ

(ক)..... সম্পৰ্কীয় সমতবাদটো ঈশ্বৰৰ প্ৰত্যাদেশমূলক ধৰ্মতত্ব বাদৰ এটা বিষয়, যাক বিশ্বাসৰদ্বাৰা স্বীকাৰ কৰা হয়।

প্ৰশ্ন নং ৯ ঃ শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(ক) ভাৰতীয় ধাৰ্মিক পৰম্পৰাই ঈশ্বৰৰ প্ৰত্যাদেশমূলক মতবাদটো সমৰ্থন কৰে / সমৰ্থন নকৰে।

.....

.....

.....

.....

## ৭.৮ আধ্যাত্মিকতা, ইয়াৰ সংজ্ঞা আৰু বিশেষত্ব

আধ্যাত্মিকতা ধৰ্মৰ জীৱনধাৰক শক্তি। আধ্যাত্মিকতাই আত্মা, মন, উচ্চ মনোবল আৰু উচ্চ সংস্কাৰযুক্ত চিন্তা আৰু ভাৱনাক বুজায়। ই আত্মাসম্পৰ্কীয় বিষয়বোৰক প্ৰাকৃতিকভাৱে নাইবা অভ্যাসলব্ধ ভাৱে মনোযোগ দিয়ে। ইয়াৰ অৰ্থ হ'ল- অবাস্তৱৰ প্ৰতি সজাগতা আৰু ধাৰণা যে আত্মা জড়পদাৰ্থৰপৰা স্বাধীনভাৱে অস্তিত্বশীল। তদুপৰি আধ্যাত্মিকতা বুলিলে কামুকতাৰপৰা মুক্ত আৰু মানৱাত্মাৰ সৈতে সম্বন্ধযুক্ত হোৱাকে বুজায়। আধ্যাত্মিকতাৰ অনুশীলন বুলিলে কোনো এজনৰ একত্বক এক আধ্যাত্মিক সত্বা বা এক আত্মাৰূপে বুজি পোৱা অন্য সকলোকে আধ্যাত্মিক ভাতৃ বা আধ্যাত্মিক ভগ্নীৰূপে স্বীকাৰ কৰা আৰু আমাৰ প্ৰকৃত আধ্যাত্মিক গুণসমূহ যেনে- শান্তি, শুদ্ধতা, প্ৰেম আৰু পোহৰ আদিৰ কেন্দ্ৰস্থান বুলি বুজা যায়। ই জড়বাদৰ বিপৰীত।

আধ্যাত্মিকতা আৰু ধৰ্মৰ আভিধানিক সুত্ৰ ই কিছু কিছু ক্ষেত্ৰত দুয়োটা শব্দৰে একে অৰ্থ বুজায় আৰু কিছু ক্ষেত্ৰত বিপৰীত অৰ্থ বুজায়। ধৰ্ম হ'ল বিশ্বাস আৰু স্বীকাৰ অথবা এক উচ্চ অদৃশ্যমান নিয়ন্ত্ৰণ শক্তিৰ জাগৃত কৰা যাব লগত নৈতিকতা আৰু আবেগ জড়িত হৈ থাকে। যেতিয়া কোনোৱে এক বিশেষ ধৰ্মৰ কথা কয় ইয়াৰ এক বিশেষ নাম আৰু সামাজিক পৰিচয় থাকে, উদাহৰণস্বৰূপেঃ বৌদ্ধধৰ্ম। ধৰ্ম আৰু আধ্যাত্মিকতা দুয়োটাই জীৱন-ধাৰণ প্ৰণালী আৰু ব্যক্তিৰ বিশ্বাস আৰু অভ্যাস সকলোকে প্ৰভাৱিত কৰে কিন্তু আধ্যাত্মিকতা কোনো বিশেষ ধৰ্ম বা ইয়াৰ আনুষ্ঠানিক পৰিচয়ত সীমাবদ্ধ নহয়। সেয়েহে, যদিও আধ্যাত্মিকতা ধৰ্মৰ এক জীৱনীশক্তি আৰু বহুসময়ত, আধ্যাত্মিকতা ধাৰ্মিক অগ্ৰগতিৰ অংকুৰিত বীজৰ প্ৰজ্বলন, আধ্যাত্মিকতা ধৰ্মৰ সৈতে একে নহয়।

তদুপৰি আধ্যাত্মিকতাৰ গুঢ়াৰ্থ জানিবৰ বাবে আমি আধ্যাত্মিকতাৰ বিশেষ গুণ কিছুমানক প্ৰকাশ কৰিব পাৰোঁ। সেইবোৰ হ'ল-

(১) আধ্যাত্মিকতা ঈশ্বৰৰ সৈতে সম্বন্ধযুক্ত ঃ

ঐশ্বৰিক শক্তিৰ ব্যক্তিগত অভিজ্ঞতা থকা ব্যক্তি, যি ইন্দ্ৰিয় প্ৰত্যক্ষৰ সীমাৰ বাহিৰেও মানৱ অভিজ্ঞতাৰ মাত্ৰাক অন্তভূৰ্ক্ত কৰে। তেওঁৰেই জীৱনৰ এক আধ্যাত্মিক পথ গ্ৰহণ কৰে। গৱেষণাই মৃত্যুৰ পূৰ্বৰ অভিজ্ঞতা প্ৰকাশ কৰিছে য'ত এজন ব্যক্তিয়ে তাৰ বা তাইৰ দেহটো কমসময়ৰ বাবে পৰ্যবেক্ষণ কৰে, তেতিয়া হঠাতে আকৌ চুহি খোৱা যেন অনুভৱ কৰে। অধিকসংখ্যক ব্যক্তি যিসকলৰ মৰো মৰো অৱস্থাৰ অনুভৱ থাকে তেওঁলোকৰ এক ঐশ্বৰিক সত্তা বা ঐশ্বৰিক দিপ্তীক পৰ্যবেক্ষণ কৰাৰো দলিল থাকে। ই এক গভীৰ আৰু স্থায়ী সংস্থাৰ অনুমতি দিয়ে যি এক অস্বীকাৰ কৰিব নোৱাৰা আত্মা সম্পৰ্কীয় দণ্ডাদেশ, যি শাৰীৰিক অবয়বৰ পৰা পৃথক।

উদাহৰণস্বৰূপে, বিশিষ্ট কবি আৰু নোবেল বঁটা বিজয়ী সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰে

প্ৰায়ে, 'মানুহৰ উচ্চাকাংক্ষা'ৰ কথা কৈছিল যি মানুহৰ মাজত থকা ঈশ্বৰত্বৰ উপাদান যি তেওঁক উচ্চ গুণসম্পন্ন সৃষ্টিমূলক দৃষ্টিভঙ্গী ধাৰণ কৰিবলৈ সক্ষম কৰি তোলে। এনেদৰে, ঠাকুৰদেৱে মানুহৰ আধ্যাত্মিক প্ৰকৃতিক প্ৰকাশ কৰিছিল যিবিলাকৰ প্ৰতি বিশিষ্ট কবিগৰাকী দৃঢ়ভাৱে অবগত আছিল। আনহাতে, যিসকলে জগতখন জড়জগত হিচাপে প্ৰত্যক্ষ কৰে তেওঁলোকে সাধাৰণভাৱে বিবেচনা কৰে যে তাত আধ্যাত্মিকতা বুলি একো নাই, নাইবা আধ্যাত্মিকতাৰ লগত বুদ্ধিবাদক খেলিমেলি কৰিছিল। তেওঁলোকৰ মতে যিকোনো গোপনীয়তাই কাল্পনিক।

(২) আধ্যাত্মিকতা সুক্ষ্ম বিচাৰক বা তীক্ষ্ণ ঃ

আধ্যাত্মিকতা অতি তীক্ষ্ণ এই অৰ্থত যে, ই আমাৰ অস্তিত্বৰ জড়তাবিহীন মাত্ৰাৰ লগত জড়িত। আধ্যাত্মিকতাৰ অনুশীলনে বিবেকৰ শক্তিশালী কৰি তোলে আৰু ব্যক্তিবিশেষক ইয়াৰ সুক্ষ্ম আভ্যন্তৰিণ মাত শুনিবলৈ সক্ষম কৰি তোলে।

(৩) আধ্যাত্মিকতাই আত্মঅনুশাসনক অন্তৰ্ভূক্ত কৰে ঃ

আধ্যাত্মিকতাত আত্মঅনুশাসন বা আত্ম-নিয়মানুবর্তিতাৰ প্ৰয়োজন হয় কাৰণ ই আভ্যন্তৰিণ কৰ্ম। ই মানুহক অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰে, ধ্যানৰ প্ৰতি আগ্ৰহী কৰে আৰু সময়অনুসৰি বিবেকক পৰীক্ষা কৰিবলৈ আগ্ৰহী কৰি তোলে। ই কোনো ব্যক্তিক আন এজনৰ অভিপ্ৰায় আৰু ব্যৱহাৰ বিশ্লেষণক, যেতিয়া বিবেকে প্ৰত্যাৰণা কৰে আৰু সেইদৰে আত্মাক সলনি কৰে আৰু তেতিয়া উত্তৰ দিয়াক অন্তভূক্ত কৰে।

(৪) আধ্যাত্মিকতা বিশ্বজনীন ঃ

আধ্যাত্মিকতা অন্ধ বিশ্বাস নহয়। ই সত্য আৰু বাস্তৱতাক বুজায় যিবোৰ সকলো সময়তে সকলো ঠাইতে সকলো মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। ইয়াক অধ্যয়ন কৰা, বুজিব পৰা, পৰীক্ষা কৰিব পৰা যায় আৰু ইয়াৰ বিশ্বজনীন উদ্দেশ্য আছে। আধ্যাত্মিকতাৰ নীতিসমূহ নিৰ্দেশ কৰা নহয় নাইবা কোনো মানৱ কতৃপক্ষৰদ্বাৰা প্ৰতিনিধিত্ব কৰা নহয়। সেইবিলাকক অন্তঃ কৰণোৰ অনুভৱ কৰিব পাৰি আৰু অধ্যয়ন তথা গৱেষণাৰ দ্বাৰা আৱিস্কাৰ কৰিবহে পাৰি। এই অৰ্থত আধ্যাত্মিকতা বিজ্ঞানৰদৰে, বিশেষকৈ পদাৰ্থ বিজ্ঞানৰ দৰে। 'যেনে কৰ্ম তেনে ফল' - এক বিখ্যাত উক্তি যি কৰ্ম নীতিৰ আৰু কৰ্মবাদৰ দৰ্শনক বৰ্ণনা কৰে।

(৫) আধ্যাত্মিকতা ভয়ৰদ্বাৰা চালিত নহয় ঃ

আধ্যাত্মিকতাৰ দ্বাৰা চালিত ব্যক্তিসকল ভয়ৰ ওপৰত প্ৰতিষ্ঠিত নহয়। এজন আধ্যাত্মিক ব্যক্তিয়ে নিশ্চিত মৃত্যুৰ বাবে এক আলোকিত পথেৰে সাজু হ'ব পাৰে,

লগতে সি বা তাই নিজৰ সত্তাক এক নিত্য বা শাশ্বত আত্মা হিচাপে অনুভৱ কৰিব পাৰে। কিন্তু এক জড় শৰীৰ হিচাপে নহয়। আধ্যাত্মিক ব্যক্তি এজন পৰম্পৰাৰদ্বাৰা আৱদ্ধ নহয় কিন্তু তেওঁ খোলা মনৰ আৰু মুক্ত মনেৰে অনুসন্ধান কৰিব পাৰে।

(৬) আধ্যাত্মিকতাই সুখৰ বাট দেখুৱাই ঃ

এক আধ্যাত্মিক জীৱনৰ পৰিচালনাৰ এক প্ৰমুখ ফলাফল হ'ল গভীৰ আত্ম-সন্তোষ্টিৰে গ্ৰহণ কৰা। ই শান্তি আৰু সুখৰ অনুভৱ জগাই তোলে যিবোৰ কোনো বাহ্যিকতা যেনে- নাম, যশস্যা, স্থিতি আদিৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

গতিকে সামৰণিত ক'ব পাৰি যে আধ্যাত্মিকতাই এক উচ্চ অদৃশ্য শক্তিক বুজায় যি প্ৰকৃততে ঐশ্বৰিক আৰু শক্তি, আবেগ আৰু মূল্য-ঐশ্বৰিকতাৰ লগত জড়িত, যিয়ে কোনো ব্যক্তিক ইন্দ্ৰিয় আসক্তিৰপৰা মুক্ত কৰি ৰাখে।



**অগ্ৰগতি নিৰীক্ষন**

প্ৰশ্ন নং ১০ ঃ আধ্যাত্মিকতা কি?

.....

.....

.....

.....

প্ৰশ্ন নং ১১ ঃ আধ্যাত্মিকতাৰ দুটা বিশেষত্ব কি কি?

.....

.....

.....

.....

প্ৰশ্ন নং ১২ ঃ শুদ্ধ উত্তৰটো বাছি উলিওৱা-

(ক) আধ্যাত্মিকতা জড়বাদৰ সৈতে একে/ বিপৰীত।

(খ) আধ্যাত্মিকতা কোনো বিশেষ ধর্ম বা ইয়াৰ আনুষ্ঠানিক পৰিচয়ত সীমাবদ্ধ হয় /নহয়।



## ৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই গোটত আমি ধর্মদর্শনৰ কিছুমান মুখ্য ধাৰণাৰ চমু দার্শনিক বিশ্লেষণ আগবঢ়োলো।

ঈশ্বৰৰ প্ৰত্যাদেশ, বিশ্বাস আৰু আধ্যাত্মিকতাই ধৰ্মীয় বিশ্বাস বুনিয়াদ গঢ়ি তোলে।

- ঈশ্বৰৰ প্ৰত্যাদেশ বুলিলে পোহৰলৈ অনা বা প্ৰকাশিত কৰাক বুজায় যি আগতে গুপ্ত হৈ আছিল। ধৰ্ম মানুহৰ পৰমসত্তাৰ অনুসন্ধানৰ লগত জড়িত হৈ থাকে। তেওঁ পবিত্ৰ ঐশ্বৰিক বা ঈশ্বৰ যিজন এক অতিন্দ্ৰীয় সত্তা। ঈশ্বৰ অৱশ্যেই এক আলৌকিক সত্তা, সাধাৰণ বস্তুক জানিবৰ বাবে গ্ৰহণ কৰা সাধাৰণ পথৰ উৰ্দ্ধত। কিন্তু মানুহৰ এক দুৰান্ত আকাংক্ষা হ'ল ঈশ্বৰক বা পৰসত্তাক জনাটো। সেয়েহে মানুহে ঈশ্বৰৰ মাধ্যমেদি কিছু ইংগিতৰ প্ৰয়োজনীয়তা অনুভৱ কৰে বুলি ভৱিষ্যতদ্ৰষ্টা ধৰ্মবিলাকে কয়। এই পৰম্পৰাৰ মতে, ঈশ্বৰে বিভিন্ন পথৰ মাধ্যমেদি নিজকে প্ৰকাশ কৰে। এই কথা উপৰোক্ত ঈশ্বৰৰ প্ৰত্যাদেশ সম্পৰ্কীয় মতবাদটো সমৰ্থন কৰিছে। ঈশ্বৰৰ প্ৰত্যাদেশ সম্পৰ্কীয় মতবাদৰ অনুৰূপভাৱে এক বিশ্বাসৰ ধাৰণা বা মতবাদও ইয়াত পোৱা যায় এই ঐশ্বৰিক প্ৰকাশৰ সত্যসমূহক মানুহে একান্তভাৱে গ্ৰহণ কৰা ৰূপত।
- ধৰ্মী চিন্তাবিদসকলে সাধাৰণভাৱে গ্ৰহণ কৰে যে মানুহৰ প্ৰকৃতিত এনে কিছুমান বস্তু আছে যিবিলাকে মানুহক তেওঁলোকৰ জড়বাদী অস্তিত্বৰ সীমীতকৈ উৰ্দ্ধত ঐশ্বৰিক হোৱাৰ ইংগিত বহন কৰে। আমি এই উপাদানটোক 'আধ্যাত্মিক ' বুলি কওঁ, যি তেওঁৰ প্ৰকৃতিৰ জীৱনীশক্তি যিয়ে তেওঁক বিভিন্ন আধ্যাত্মিক দিশলৈ ধাবিত কৰে, যিবোৰে এক বিন্দুত ধৰ্মীয় বিশ্বাসসমূহৰ জন্ম দিয়ে। সেয়েহে, ঈশ্বৰৰ প্ৰত্যাদেশ, বিশ্বাস আৰু আধ্যাত্মিকতা সকলোবোৰ ধৰ্মীয় বিশ্বাসৰ ভেঁটি হিচাপে অন্তৰংগভাৱে সম্পৰ্কিত।



## ৭.১০ অধিক জানিবলৈ

১) ড° গিৰিশ বৰুৱা— 'ধৰ্ম দৰ্শন', ভগৱতী প্ৰকাশন
২) ধৰ্ম দৰ্শন— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি গুৱাহাটী বিশ্ববিদ্যালয়
৩) ড° ৰামনাথ শৰ্ম্মা, কেদাৰনাথ ৰামনাথ প্ৰকাশন, দিল্লী।



## ৭.১১ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ঈশ্বৰৰ প্ৰত্যাদেশে কিছুমান বিশ্বাসযোগ্য পবিত্ৰ সত্যক অন্তভূৰ্ক্ত কৰে যিবোৰ মানুহৰ জ্ঞাত।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** পুৰণি কেথলিক বিশ্বকোষৰ ভাষাত "ঈশ্বৰৰ প্ৰত্যাদেশৰ সংজ্ঞা এনেদৰে দিব পাৰি যে ই হ'ল ঈশ্বৰৰদ্বাৰা বিভিন্ন মাধ্যমৰ জৰিয়তে এক বৌদ্ধিক সৃষ্টিক যোগাযোগ কৰা কিছুমান সত্য যিবোৰ প্ৰকৃতিৰ সাধাৰণ বিষয়ৰ উৰ্দ্ধত।"

৩ **নং প্ৰশ্নৰ উত্তৰ ঃ** বিশ্বাস হৈছে প্ৰকাশিত সত্যসমূহৰ প্ৰতি শ্ৰদ্ধা।

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** ১৮৭০ ৰ ভেটিকান কাউন্সিলে বিশ্বাসৰ সংজ্ঞা দিছে এনেদৰে, বিশ্বাস এক অলৌকিক গুণ, যি ঈশ্বৰৰ আশীৰ্বাদৰদ্বাৰা অনুপ্ৰাণিত আৰু সহায়ক হয়, আমি বিশ্বাস কৰোঁ যে তেওঁ প্ৰকাশ কৰা বস্তুবোৰ সত্য।

৫ **নং প্ৰশ্নৰ উত্তৰ ঃ** ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ বচনাত্মক সতবাদ অনুসৰি, ঈশ্বৰৰ প্ৰত্যাদেশৰ বিষয়বস্তু হ'ল সত্যতাৰ কলেবৰ যাক উক্তি বা বচনৰ জৰিয়তে প্ৰকাশ কৰা হয়।

৬ **নং প্ৰশ্নৰ উত্তৰ ঃ** প্ৰাকৃতিক ধৰ্মতত্বই সেই সকলোবোৰ ধৰ্মতত্বমূলক সত্যক গ্ৰহণ কৰিছিল যিবোৰ সহায়হীন মানুহৰ বুদ্ধিৰদ্বাৰা সমাধা কৰা হৈছিল। উদাহৰণ স্বৰূপে- এইটো বিশ্বাস কৰা হৈছিল যে ঈশ্বৰৰ অস্তিত্বশীলতা আৰু গুণসমূহ আৰু আত্মাৰ অসৰত্বক ঈশ্বৰৰ প্ৰত্যাদেশৰ অন্তভূৰ্ক্তিৰ কোনো প্ৰাৰ্থনা নকৰাকৈ দৃঢ় তৰ্ক বিজ্ঞানমূলক যুক্তিৰ সহায়ত প্ৰমাণ কৰিব পৰা যায়।

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** পুৰুষৰ- প্ৰকাশিত ধৰ্মতত্ব সন্নিবিষ্ট হৈ আছিল সেইসমূহ সত্যত যিবোৰ মানৰ বুদ্ধিৰ সুলভ নহয় আৰু সেইবোৰ আমি জানিব পাৰো কেবল মাত্ৰ যদিহে সেইবোৰ বিশেষভাৱে ঈশ্বৰৰদ্বাৰা প্ৰকাশিত হয়। সেয়েহে ত্ৰিনিতিৰ ধাৰণাক প্ৰকাশিত ধৰ্মতত্বৰ এক উপকৰণ হিচাপে গ্ৰহণ কৰা হৈছিল যাক বিশ্বাস বুলি স্বীকাৰ কৰা হৈছিল।

৮ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) ত্ৰিনিতি

৯ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) সমৰ্থন কৰিছিল।

১০ **নং প্ৰশ্নৰ উত্তৰ ঃ** আধ্যাত্মিকতা ধৰ্মৰ জীৱনধাৰক শক্তি। আধ্যাত্মিকতাই আত্মা, মন, উচ্চ মনোবল আৰু উচ্চ সংস্কাৰযুক্ত চিন্তা আৰু ভাৱনাক বুজায়। ই আত্মাসম্বন্ধীয় বিষয়বোৰক প্ৰাকৃতিকভাৱে নাইবা অভ্যাসলব্ধ ভাৱে মনোযোগ দিয়ে। ইয়াৰ অৰ্থ হ'ল অবাস্তৱৰ প্ৰতি সজাগতা আৰু ধাৰণা যে আত্মা জড়পদাৰ্থৰ পৰা স্বাধীনভাৱে অস্তিত্বশীল।

১১ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) আধ্যাত্মিকতা হৈছে সাৰ্বজনীন। (খ) আধ্যাত্মিকতা ভয়ৰদ্বাৰা চালিত নহয়।

১২ **নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) বিপৰীত (খ) সীমাবদ্ধ নহয়।



## ৭.১২ আৰ্হি প্ৰশ্ন

### (ক) অতি চমু প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** ঈশ্বৰৰ প্ৰত্যাদেশৰ সংজ্ঞা দিয়া।

**প্ৰশ্ন ২ ঃ** আধ্যাত্মিকতা কি?

**প্ৰশ্ন ৩ ঃ** বিশ্বাসৰ সংজ্ঞা দিয়া।

**প্ৰশ্ন ৪ ঃ** ধৰ্মৰ বচনাত্মক বোধগম্যতা বুলিলে কি বুজা?

**প্ৰশ্ন** ৫ ঃ প্ৰাকৃতিক ধৰ্মতত্ব কি?

**(খ ) চমু উত্তৰ দিয়া** (১০০-১৫০ শব্দৰ ভিতৰত)

**প্ৰশ্ন ১** ঃ প্ৰাকৃতিক ধৰ্মতত্ব আৰু প্ৰকশিত ধৰ্মতত্বৰ পাৰ্থক্য নিৰ্ণয় কৰা।

**প্ৰশ্ন ২** ঃ 'বিশ্বাস'ৰ ওপৰত চমুটোকা লিখা, ১৮৭০ চনৰ ভেটিকান কাউন্সিলে আগবঢ়োৱা বিশ্বাস সম্পৰ্কীয় বিশেষ সংজ্ঞা অনুসৰি।

**প্ৰশ্ন ৩** ঃ আধ্যাত্মিকতাক চমুকৈ বৰ্ণনা কৰা। কি অৰ্থত আধ্যাত্মিক তাক বিশ্বজনীন বুলি কোৱা হয়? চমুকৈ ব্যাখ্যা কৰক।

**প্ৰশ্ন ৪** ঃ "ভাৰতীয় চিন্তাধাৰাত ঈশ্বৰৰ প্ৰত্যাদেশ'- চমুটোকা লিখা।

**প্ৰশ্ন ৫** ঃ আধ্যাতিনকতাৰ বিভিন্নধৰণৰ বিশেষত্বৰোৰ কি কি? চমুকৈ ব্যাখ্যা কৰা।

**(গ ) ৰচনাধৰ্মী প্ৰশ্ন ঃ** (৩০০-৫০০ ৰ ভিতৰত)

**প্ৰশ্ন ১** ঃ ঈশ্বৰৰ প্ৰত্যাদেশৰ অৰ্থ আৰু প্ৰকৃতি ব্যাখ্যা কৰা।

**প্ৰশ্ন ২** ঃ ঈশ্বৰৰ প্ৰত্যাদেশমূলক বিশ্বাসৰ ৰচনাত্মক মতবাদটো ব্যাখ্যা কৰা।

**প্ৰশ্ন ৩** ঃ ভৱিষ্যতদ্ৰষ্টা ধৰ্মসমূহে স্বীকীৰ কৰা ঈশ্বৰৰ প্ৰত্যাদেশৰ বিভিন্ন পথসমূহ বৰ্ণনা কৰা।

**প্ৰশ্ন ৪** ঃ আধ্যাত্মিকতা কি? আধ্যাত্মিকতা আৰু ধৰ্ম একেই হয়নে? যুক্তি দৰ্শাই উত্তৰ দিয়া।

**প্ৰশ্ন ৫** ঃ আধ্যাত্মিকতা অৰ্থ ব্যাখ্যা কৰা ইয়াৰ বিশেষত্বসমূহৰ বিশেষ প্ৰাসঙ্গিকতাৰ সহায়ত।

**প্ৰশ্ন ৬** ঃ ঈশ্বৰৰ প্ৰত্যাদেশ আৰু বিশ্বাসৰ ধাৰণাটো ব্যাখ্যা কৰা।

**প্ৰশ্ন ৭** ঃ আধ্যাত্মিকতাৰ বিভিন্ন লক্ষণসমূহ আলোচনা কৰা।

*** ***** ***